# CONTENTS

## JUNE SESSION

No. 3

Dated, the 14th June, 1996.


| | | Page |
|---|---|---|
| 1. | Notice of Adjournment Motion. | 1 |
| 2. | Announcement from the Chair. | 2 |
| 3. | Debate on Governor's Address. | 4 |
| 4. | Announcement from the Chair. | 39 |
| 5. | Debate on Governor's Address. | 42 |
| 6. | Adjournment. | 98 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Friday, the 14th June, 1996

The House met at 8.30 A.M. of the Clock in the Assembly Chamber at Dispur with Shri Ganesh Kutum, Speaker in the Chair.

## NOTICE OF ADJOURNMENT MOTION

Mr. Speaker : I have received notices of Adjournment Motions raised by Hon'ble Member, Shri Bharat Chandra Narah, Dr. Ardhendu Kr. Dey. I have examined the notices in my Chamber and found that the Adjournment Motion could have been given on the First day of the Session. Though it is a definite matter but its urgency could have been availed of on the first day of the Session. The Business Advisory Committee also decided not to discuss any other subjects except of Governor's Address. So I think, the Hon'ble Members get ample facilities to discuss on the matter during the first day on the Governor's Address.

If a matter is urgent, and of recent occurance must be raised on the first available opportunity. A matter even of very recent occurance is not urgent if an opportunity for its discussion will arise in the ordinary course of business within a reasonable short time. Now, the Honourable Members will get ample opportunity to discuss the matter. So, I cannot allow the Adjournment Motion at this stage.

* Shri Bharat Chandra Narah : Sir, an Adjournment Motion must be allowed during the Governor's Address. ইয়াত উল্লেখ আছে- (Noise) অধ্যক্ষ মহোদয়, প্ৰথম দিনা আছিল, দ্বিতীয় দিনা আছিল মাননীয় ৰাজ্যপালৰ ভাষণ সেই কাৰণে আমি বিষয়টো উত্থাপন কৰিব নোৱাৰিলো।

(গোণ্ডগোল)

* Speech not corrected

পৰাগ দাসৰ হত্যাকাৰীক চিনাক্ত কৰিব পৰা নাই। এইটো এটা জৰুৰী বিষয়, সেই কাৰণে উত্থাপন কৰিব দিব লাগে।

মাননীয় অধ্যক্ষ ঃ এই বিষয়টো জৰুৰী হয়। ডেফিনিত হয়। যিহেতু আমি আজি যি বিষয়ৰ ওপৰত সদনৰ কাৰ্য্যাৱলী চলাব খুজিছো তাত যথেষ্ট সুবিধা আছে। এই বিষয়টোৰ ওপৰত অংশ গ্ৰহণ কৰিব পাৰিব। এই বিষয়টো নিশ্চিতভাৱে জৰুৰী। ইয়াৰ ওপৰত আলোচনা কৰাৰ যথেষ্ট সুবিধা পাব।

* Shri Bharat Chandra Narah : Sir, under Rule 65 (i) and Rule 57 of the Rule of procedure and conduct of business of the Assam Legislative Assembly. I like to move the Adjournment Motion today the 14.6.96.

Dr. Ardhendu Kr. Dey : Sir, he has raised a point of order, (Interruption).

* শ্ৰীচিলভিউছ কন্দপান ঃ আপুনি যি ৰুলিং দিছে তাৰ প্ৰতি সন্মান যাচিছো। কিন্তু যি সদন স্থগিত ৰখাৰ প্ৰস্তাৱ উত্থাপন কৰিছো সেইটো আপুনিও এডমিট কৰিছে। এই হত্যাকাণ্ডই অসমত তোলপাৰ লগাইছে। এই কথাটো আপুনিও স্বীকাৰ কৰিছে। কিন্তু বিষয়টো সদনত উত্থাপন কৰিব নিদিয়া কাৰণে তাৰ প্ৰতিবাদত আমি সদন ত্যাগ কৰিলো।

[ কংগ্ৰেছ (আই) দলে সদন ত্যাগ কৰে ]

* শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে মাননীয় বিৰোধী দলপতিয়ে এটা কথা কৈছে যে তেখেতসকলক সুবিধা দিয়া নাই। মাননীয় অধ্যক্ষ মহোদয়, আপুনি কৈছেই যে এই বিষয়টো আলোচনা কৰাৰ কাৰণে এমপ'ল অপৰচুনিটি আছে, য'ত বিষয়টো আলোচনা কৰিব পাৰিব, উত্থাপন কৰিব পাৰিব। তেখেত এড়ভাইজোৰী বোৰ্ডৰ সদস্য আছিল, তাতে কথাটো উত্থাপন কৰি পাৰিলে হয়। এতিয়া উত্থাপন কৰাটো দুৰ্ভাগ্যজনক।

## ANNOUNCEMENT FROM THE CHAIR

Mr. Speaker : Here is an announcement. I have to inform the House that as per decision of the Business Advisory Committee the Speaker has been authorised to allocate rational time to

* Speech not corrected

various Legislature Parties and Groups as well as Independent Members for participating in the Debate of the Governor's Address on 14.6.96 and also on 15.6.96, provided time is made available for the Debate on Governor's Address on that day.

As per calculation, the time made available for the Debate on Governor's Address on 14.6.96 is stated to be 8 (eight) hours. It is hoped that another 2 (two) hours will be made available on 16.6.96 on the Debate on Governor's Address after disposal of other items listed in the agenda for that date. Thus, the total time comes to approximately 10 (ten) hours or 600 minutes. Accordingly, each member will get 5 minutes to take part in the debate.

The Party/Groups as well as Independent Members will get time approximately as shown below :-

| | |
|---|---|
| A.G.P and its Associates : | 5 hours 55 minutes including the reply of the Chief Minister |
| Indian National Congress : | 2 Hours 50 Minutes. |
| A.S.D.C. : | 25 Minutes |
| B.J.P. : | 20 Minutes |
| C.P.I. : | 15 Minutes |
| U.M.F. : | 10 Minutes. |
| All India Indira Congress(T) : | 5 Minutes |
| Independents : | 15 Minutes |

I hope this has the approval of the House.

I now call upon Shri Hitendra Nath Goswami to speak on the Motion of Thanks.

* Dr. Ardhendu Kumar Dey : Sir, there is an amendment motion to be introduced before the mover of the motion speaks.

* Speech not corrected

Mr. Speaker : I have received two amendment motions one from Dr. Ardhendu Kumar Dey and others and second from Shri Dileswar Tanti and others. So I request Dr. Dey to move the amendment.

* Dr. Ardhendu Kumar Dey : Mr Speaker Sir, I beg to move that on the motion of thanks on the Governor's Address moved by Shri Hitendra Nath Goswami following be added that there is no reflection on the assurance on the all round development and for removing ethnic havoc in the State.

* Shri Dileswar Tanti : Mr. Speaker Sir, at the end of the motion of thanks on the Governor's Address moved by Shri Hitendra Nath Goswami the following be added, that the demands of the Tea and Ex-Tea Garden Tribes, Moran and Motak and Ahom be included in the list of Scheduled Tribes.

Mr. Speaker : Now, Mr. Hitendra Nath Goswami will speak on the Motion of Thanks.

## DEBATES ON GOVERNOR'S ADDRESS

* শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি মাননীয় ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ আগবঢ়াইছো। অসমৰ জনসাধাৰণে এটা পৰিবৰ্তনৰ ৰায় দিছে আৰু সেই ৰায় আমি নতশিৰে গ্ৰহণ কৰিম। অসম গণ পৰিষদ আৰু মিত্ৰ দলৰ সৈতে এখন চৰকাৰ গঠন কৰি প্ৰথমবাৰৰ বাবে আমি ১০ম বিধান সভাৰ সন্মুখীন হৈছো। কেৱল পৰিবৰ্তনৰ অৰ্থতে ৰাইজে আমাক পঠোৱা নাই। যোৱা ৫ বছৰত অসমৰ জনসাধাৰণৰ মাজত যি চূড়ান্ত অৱক্ষয় হৈছিল, তাত দুৰ্নীতিক প্ৰশ্ৰয় দিয়াই নহয়; ইয়াত আনুষ্ঠানিকতা প্ৰদান কৰি যি ৰূপ লৈছে, পুলিচি সন্ত্ৰাসৰ দ্বাৰা জনসাধাৰণ আৰু ৰাইজক অন্যায়ৰ বিৰুদ্ধে মাত মতাৰ ক্ষেত্ৰত বাধা দিয়া হৈছিল। গণতান্ত্ৰিক অধিকাৰ খৰ্ব কৰাৰ কাৰণে যি প্ৰচেষ্টা কৰা হৈছিল তাৰ বিৰুদ্ধে অসমৰ জনসাধাৰণে ৰায় দিছে। সেই ৰায় আমি স্বীকাৰ কৰিছো। অসম গণ পৰিষদ আৰু মিত্ৰ দলৰ চৰকাৰৰ পৰা অসমৰ জনসাধাৰণে এইবোৰৰ পৰা মুক্তি পাব বিচাৰিছে। এই ক্ষেত্ৰত আমাৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াৰ নেতৃত্বত গঠিত হোৱা চৰকাৰ সম্পূৰ্ণ দায়বদ্ধ। এই দায়বদ্ধতাৰ কথা

* Speech not corrected

ৰাজ্যপালৰ ভাষণত উল্লেখ কৰা হৈছে। আমি সুখী যে অসম গণ পৰিষদ দলৰ লগত মিত্ৰ দল চি পি আই, চি পি এম, এ এচ ডি চি, ইউ পি পি এ, বি এম চি দলে আমাৰ চৰকাৰক সমৰ্থন আগবঢ়াইছে। বিৰোধী দল কংগ্ৰেছ, বিজেপি আৰু ইউ এম এফ দলেও আমাৰ চৰকাৰলৈ শুভেচ্ছা জনাইছে। ৰাইজে নিৰ্দেশ দিব কোন দলে চৰকাৰ গঠন কৰিব। মই আশা ৰাখিছো আমাৰ মাননীয় মহন্ত ডাঙৰীয়াৰ নেতৃত্বাধীন চৰকাৰে এই ক্ষেত্ৰত আহিবলগীয়া ৫ বছৰত সফল হ'ব পাৰিব। মাননীয় অধ্যক্ষ মহোদয়, ভাৰতবৰ্ষত যি সংসদীয় গণতন্ত্ৰ এটা প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। সময়ৰ পৰিবৰ্তনৰ লগে লগে কেন্দ্ৰ-ৰাজ্যৰ মাজত থকা সম্পৰ্ক-এটা স্পষ্ট নীতিৰ প্ৰয়োজন হৈ পৰিছে। গতিকে সময়ৰ পৰিবৰ্তন লগে লগে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰ সম্পৰ্কত এটা স্পষ্ট নীতিৰ প্ৰয়োজন হৈছে। আমি এই ক্ষেত্ৰত কেন্দ্ৰ আৰু ৰাজ্যৰ সম্পৰ্ক কেনে হোৱা উচিত এই সম্পৰ্কে এটা স্পষ্ট নীতি উদ্ভাৱন কৰাৰ বাবে চিন্তা কৰিব লাগে। চৰকাৰীয়া আয়োগে যি পৰামৰ্শৱলী দিছিল সেই পৰামৰ্শৱলীৰ ভিত্তিত ব্যৱস্থা নোলোৱাৰ বাবেই কেন্দ্ৰ ৰাজ্যৰ সম্পৰ্কত স্পষ্ট নীতি লোৱাটো সম্ভৱ হোৱা নাই। ১৯৪৭ চনত স্বাধীনতা লাভ কৰাৰ পিছত জনসাধাৰণৰ চিন্তাধাৰা আৰু ১৯৯৬ চনৰ জনসাধাৰণৰ চিন্তাধাৰাৰ মাজত বহুত প্ৰভেদ আছে। ১৯৪৭ চনৰ জনসাধাৰণৰ চিন্তাধাৰা স্বাধীনতাৰ বাণীৰে উদ্বুদ্ধ আছিল; সেই সময়ৰ কথাবিলাক বেলেগ ধৰণৰ আছিল আৰু আজি ১৯৯৬ চনত জনসাধাৰণৰ চিন্তাধাৰাও বেলেগ ধৰণৰ হৈছে। গতিকে এই ৫০ বছৰত মানুহৰ চিন্তাধাৰা যি সলনি হৈছে, সেই চিন্তাধাৰাক বাস্তৱত নলৈ কোনেও ঠিকভাৱে ৰাজ্য বা দেশ শাসন কৰিব নোৱাৰে। কংগ্ৰেছ দলে জনসাধাৰণৰ চিন্তাধাৰাক উপেক্ষা কৰাৰ বাবেই যোৱা নিৰ্বাচনত চূড়ান্তভাৱেই পৰাজয় বৰণ কৰিবলগীয়া হ'ল। যি কংগ্ৰেছ দলে ভাৰতবৰ্ষৰ স্বাধীনতা আনিছিল, জনসাধাৰণৰ স্বাধীনতাৰ বাণীৰে উদ্বুদ্ধ কৰিব পাৰিছিল, সেই কংগ্ৰেছ দলেই জনসাধাৰণৰ চিন্তা-চৰ্চাক উপেক্ষা কৰাৰ বাবে যোৱা নিৰ্বাচনত তেনেই কম আসনহে পাবলৈ সক্ষম হৈছে। তেওঁলোকে নিজাববীয়া কিছুমান চিন্তা-চৰ্চা কৰি সেইখিনি জনসাধাৰণৰ ওপৰত জাপি দিয়াৰ বাবেই যি পৰিস্থিতি হ'ল সেইটো যোৱা নিৰ্বাচনেই প্ৰমাণ কৰিলে। সেই কাৰণে মই ভাবো আজি বৰ্তমান সময়ৰ যি চিন্তা-চৰ্চা হৈছে সেই নতুন চিন্তা-চৰ্চাৰ লগত আমিও সহযোগী হৈ পৰিছো আৰু তাৰ পৰিপ্ৰেক্ষিততেই আজি আমাৰ চৰকাৰ হৈছে। কালি ৰাজ্যপালৰ ভাষণত কেন্দ্ৰ আৰু ৰাজ্যৰ পুনৰ বিন্যাসৰ কথা স্পষ্টভাৱে কৈ গৈছে। মই এটা

কথা ক'ব খুজিছো, বিৰোধী দলে মানি লয় নে নলয় ক'ব নোৱাৰো। কংগ্ৰেছ চৰকাৰে যি দুৰ্নীতি গ্ৰহণ কৰিলে সেই নীতিৰ কাৰণেই যোৱা নিৰ্বাচনত পৰাভূত হ'ল। দুৰ্নীতিৰ ক্ষেত্ৰত যদি কংগ্ৰেছ চৰকাৰে কোনো স্পষ্ট নীতি গ্ৰহণ কৰিব নোৱাৰে তেন্তে ভৱিষ্যতেও তেওঁলোকে সমস্যাৰ সন্মুখীন হৈ থাকিব। আনহাতে বিজেপি দলে চৰকাৰ গঠন কৰিও চৰকাৰ ৰাখিব নোৱাৰিলে, তাৰ মূলতে হ'ল সাম্প্ৰদায়িকতা। আমি বাৰে বাৰে কৈছিলো যে সাম্প্ৰদায়িকতাৰ মনোভাৱ বাদ দিব লাগে। বৰ্তমান সেই কাৰণেই আঞ্চলিক দলৰ প্ৰাসংগিকতাই গঢ় লৈ উঠিছে। এই প্ৰসংগতেই ৰাজ্য সমূহলৈ অধিক ক্ষমতাৰ কথাটো আহি পৰিছে। এই প্ৰাসংগিকতাৰ কাৰণেই আজি কেন্দ্ৰত আঞ্চলিক দলৰ মৰ্চা চৰকাৰ গঠন হৈছে। সেই কাৰণেই মই পুনৰ কৈছো আজি কেন্দ্ৰ আৰু ৰাজ্যৰ সম্পৰ্কত নতুন চিন্তা-চৰ্চা হৈছে। আজি সমূহ ৰাজ্যই অধিক ক্ষমতা দিয়াৰ কথাটো কেন্দ্ৰত উত্থাপন কৰিছে। সংবিধান ৰচনা কৰাৰ সময়ত পণ্ডিত জৱাহৰলাল নেহৰুৱে যিখিনি ব্যৱস্থা গ্ৰহণ কৰাৰ কথা কৈছিলে সেইখিনি গ্ৰহণ কৰা হ'লে আজি এনে অৱস্থা নহ'লহেঁতেন। ১৯৪৭ চনত কন্সটিটিৱেন্ট এচেম্বলীত কংগ্ৰেছ দলৰ প্ৰস্তাৱত ভাৰতবৰ্ষৰ সকলো গোট সন্মিলিত হ'ব লাগে বুলি কোৱা হৈছিল। অটোন'মাচ হব লাগে বুলি কোৱা হৈছিল। কেন্দ্ৰীয় চৰকাৰৰ হাতত নিৰ্দিষ্ট কেইটামান ক্ষমতা ৰাখি বাকীবোৰ ৰাজ্য চৰকাৰক বিতৰণ কৰিব লাগে বুলি কোৱা হৈছিল। যদি সেই মতে কাম হ'লহেঁতেন তেনেহ'লে ৰাজ্যসমূহ ভাষাৰ ভিত্তিত পুনৰ গঠন কৰিবলগীয়া নহ'লহেঁতেন আৰু আজিৰ সমালোচনাও নহ'লহেঁতেন। আজিও ভাৰতবৰ্ষৰ পুনৰ গঠনটো হৈ নুঠিল। জৱাহৰলাল নেহৰুৱে কোৱাৰ দৰে হৈ নুঠিল। ফলত আমাৰ সংবিধানখন এখন ঐক্যকৰণ দলিল হৈ থাকিল। কিন্তু সাংবিধানিক সভাৰ প্ৰস্তাৱত ফেডাৰেল গাঁথনিৰ We the people of India having solemnly resolve to constitiute India into Socialistic Federal Democratic structure. আৰু এটা কথা মনত পৰিছে অমিয় কুমাৰ দাসে কৈছিল— We feel today that in order to strengthen the Centre, they well be adopting the policy to strengthen the centre at the costs of the province. কিন্তু তাৰ পৰিৱৰ্তে কেন্দ্ৰক শক্তিশালী কৰা হ'ল আৰু ৰাজ্যসমূহৰ ক্ষমতা কমাই দিয়া হ'ল। জৱাহৰলাল নেহৰুৱে কোৱাৰদৰে নকৰাৰ বাবেই ইউনিয়ন লিষ্ট, ষ্টেটলিষ্ট আৰু কনকাৰেন্স লিষ্ট এই তিনিখন কৰিবলগীয়া হ'ল। তিনিখন লিষ্ট তৈয়াৰ কৰা হ'ল— In list

I, list II and list III what we find is that the position of the state is no longer the state or provinces but they have been reduced to the position of the Municipalty and other local bodies. এই লিষ্ট তৈয়াৰ কৰোতে তেতিয়া কৈছিল– No power in the State or the provinces সংবিধান তৈয়াৰ কৰিবৰ সময়ত কেন্দ্ৰত থকা ক্ষমতা দিয়াৰ ক্ষেত্ৰত কৈছিল, লিষ্টৰ ১নং সেইখন লৈ যোৱাৰ পিছত সেই সময়ত ভৱিষ্যতবাণী কৰিছিল। আমি কি কৰিছিলো, সেই সময়ত মাননীয় ৰাজ্যপাল ডাঙৰীয়াই এইখিনি কথা লক্ষ্য কৰিব নালাগে। এই কথাখিনি কিছু পৰিমাণে হ'লহেঁতেন। আলোচনা কৰিবৰ কাৰণে প্ৰয়োজন আছে। সেই কাৰণে উল্লেখ কৰিছো আমাৰ চৰকাৰখনে মহন্তৰ ডাঙৰীয়াৰ নেতৃত্বত ক্ষমতা বিকেন্দ্ৰীকৰণৰ ক্ষেত্ৰত যি প্ৰস্তাৱ দিবলৈ আগবাঢ়িছে সেই প্ৰস্তাৱ নীতিগতভাৱে দিব বিচাৰিছে। এইটোত আমি ভাল পাইছো।

অধ্যক্ষ মহোদয়, মই এটা জটিল সমস্যাৰ কথা ক'বলৈ বিচাৰিছো; সেইটো হৈছে বিচ্ছিন্ন প্ৰৱণতা, এইটো আলোচনা নকৰাৰ বাবে আজি অশান্তি হৈ আছে। যোৱা কালি ৰাজ্যপাল মহোদয়ৰ ভাষণত কোৱা হৈছে এই ক্ষেত্ৰত আমি নতুন চিন্তা কৰিব লগা হৈছে। চিন্তা-চৰ্চা কৰি আলোচনাৰ মাধ্যমেৰে আমি বিচ্ছিন্ন প্ৰৱণতা শেষ কৰিব পাৰিম। জৱাহৰলাল নেহৰুৱে দিয়া প্ৰস্তাৱ মতে চলিলে এইটো নহ'লেহেঁতেন, কিন্তু সেই প্ৰস্তাৱকো গুৰুত্ব নিদিলে। কেন্দ্ৰক অধিক ক্ষমতা দিয়া হ'ল যাৰ ফলত আজি আমি ভোগ কৰিব লগা হৈছে। অধ্যক্ষ মহোদয়, কিছুমান দেশত সংবিধান ৰাইট টু চি চি; আজি কিছুদিন আগতে কানাডাত এটা গণভোট হৈছে। সেই গণভোট কানাডাৰ সংবিধানত আছে নে নাই, ভাৰতবৰ্ষত সেই পদ্ধতিত নহয়। আমি সেইবিলাক বিচৰা নাই, আজি প্ৰশ্ন হৈছে বিচ্ছিন্ন প্ৰৱণতা নাইকীয়া হ'বনে? ১৯৪৮ চনত সংবিধান প্ৰনয়ণ কৰা হৈছিল, তেতিয়াই এইবিলাক ভালকৈ চাই কৰিলে আজি এই কথাবিলাক নহ'লহেতেন। আজি কাশ্মীৰ-পঞ্জাৱত কি হৈছে, ৬০ দশকত মাদ্ৰাজত কি হৈছিল, আজি কিছু পৰিমাণে শান্তিত আছে। সংগঠনবিলাকে যি দাবী কৰিছে তাৰ আলোচনা-বিলোচনা হৈছে, ৰাজ্যপাল মহোদয়ৰ ভাষণত কোৱা হৈছে যে আলাপ-আলোচনা কৰিব লাগিব। এই ক্ষেত্ৰত কেন্দ্ৰই সহায় নকৰিলে ৰাজ্যসমূহে কৰিব, আমি সুখী হৈছো। মই আশা ৰাখিছো সকলোপক্ষই এই কথাবিলাক আলোচনা কৰি শান্তিৰ পৰিবেশৰ বাবে এটা সুস্থ পৰিবেশ সৃষ্টি কৰিবলৈ যি বিচিন্ন

প্ৰৱণতা হৈছে তাক ৰোধ কৰিব লাগিব। সংবিধান তৈয়াৰ কৰিবৰ বাবে আমি চিন্তা চৰ্চা কৰিব লাগিব। যদি এই ধৰণে থাকে তেতিয়াহ'লে ৰাজ্যবিলাকে ক্ষোভ প্ৰকাশ কৰি যাব, সৎ চিন্তা-চৰ্চা নাইকীয়া হৈ যাব। বাহিৰা শক্তিৰ প্ৰভাৱত যদি ৰাজ্য বিলাকৰ গতি নিয়ন্ত্ৰণ কৰিব বিচাৰে তেতিয়াহ'লে সৰ্বনাশ হ'ব। সংবিধানখনৰ সংশোধন ঘটোৱাই কেন্দ্ৰ আৰু ৰাজ্যবিলাকৰ ক্ষমতাৰ বাধা তাক দুৰ কৰিব পৰা হ'ব।

অধ্যক্ষ মহোদয়, বিচ্ছিন্নতাৰ কিতাপ দেখি মই কোৱা কথা নহয়, কুলধৰ শইকীয়াই কৈছিল, তেখেতে অধিক শাসনৰ ক্ষেত্ৰত কৈছিল "If the suspect the provinces and take greater power for the Centre, it will lead to undesirable result. We are trying something which will have disinegrating effect and will enunciate differences instead of solving it. If you take too much power for the centre, the provinces will try to break away from you" পিছৰ লাইনটো লাগতিয়াল বুলি ভাৰিছো। আজি ৫০ বছৰ ধৰি এই কথাবিলাক হৈছে, আমি অখণ্ড ভাৰতবৰ্ষৰ কথা চিন্তা কৰো, অসমৰ পৰিস্থিতিৰ কথা চিন্তা কৰো। অসমৰ জনসাধাৰণ ভাৰতবৰ্ষৰ পৰা ওলাই যোৱাৰ কথা নহয়। সেই কাৰণে ৰাজ্যপাল ডাঙৰীয়াই তেখেতৰ ভাষণত বিচ্ছিন্ন প্ৰৱণতা আলাপ-আলোচনাৰ কথা কৈছে। আলাপ-আলোচনাৰ ক্ষেত্ৰত আমি সকলোৱে এই চৰকাৰখনক পৰামৰ্শ আগবঢ়াব লাগে। আৰু বহুত কথাই ক'বলৈ আছে, কিন্তু মোৰ পিছত আৰু মাননীয় সদস্য সকলে ক'ব আছে, তেখেত সকলক সময় দিব লাগিব। ১৯৬৮ চনত ২৮ জুন তাৰিখে নীলমণি ৰায়চৌধুৰী তেতিয়াই কথাবিলাক কৈছিল, সেই কথাবিলাক উপলব্ধি নকৰিলো। অসমত আমি বিভিন্ন জাতিৰ শান্তি দিব পৰা নাই, নতুন চৰকাৰ অহাৰ পিছত সকলোৱে এই চৰকাৰক সমৰ্থন দিব বুলি আশা ৰাখিছো। সকলোৱে সমৰ্থন আগবঢ়ালেহে আমি ৰাজ্যখনক প্ৰগতিৰ পথত আগবঢ়াই নিব পাৰিম।

অধ্যক্ষ মহোদয়, আমাৰ অসমৰ যি জনগোষ্ঠী আছে তেখেতসকলে স্বায়ত্ত শাসন বিচাৰিছে, এই কথা ৰাজ্যপাল মহোদয়ৰ ভাষণত আছে। আমি ভাল পাইছো। আজি যিবিলাক উগ্ৰপন্থী সংগঠনৰ জন্ম হৈছে সেই উগ্ৰপন্থী সংগঠন বিলাকৰ জন্মৰ ক্ষেত্ৰত দেখা যায় যে কিছু ক্ষেত্ৰত ৰাষ্ট্ৰ সন্ত্ৰাসৰ লগত মোকাবিলা কৰিবৰ সহস্ৰ সংগ্ৰাম প্ৰতিৰোধ আৰু সংগঠনৰ ধাৰাৰ মাজত যুৱ সমাজ সোমাই

পৰিছে। ১৯৮৩ চনত এটা অবৈধ নির্বাচন জাপি দিয়া হৈছিল। তেতিয়া সেই নির্বাচনৰ সময়ত জনতাৰ যি প্রচণ্ড ক্ষোভ আছিল সেই ক্ষোভ বুজিবলৈ চেষ্টা নকৰি তেওঁলোকে পুলিচী আইন বা সামৰিক আইনৰ জৰিয়তে ক্ষোভিত জনতাৰ মুখ বন্ধ কৰিবলৈ চেষ্টা কৰিছিল। সেই কাৰণে আজি এনেকুৱা অৱস্থাৰ সৃষ্টি হৈছে। আমি ভাৰতৰ অখণ্ডতা ৰক্ষা কৰিবৰ কাৰণে সকলো শ্রেণীৰলোকে যাতে সমভাৱে সুখী হ'ব পাৰে তাৰ প্ৰতিও লক্ষ্য ৰাখি কাম কৰি যাব লাগিব। কেন্দ্ৰত কোনোৱাই চৰকাৰ কৰিলে বুলিয়েই ৰাইজৰ মতামতক আওকাণ কৰি বা ৰাইজৰ যিটো চিন্তাধাৰা সেই চিন্তাধাৰাক জোৰ কৰি দমন কৰাৰ বাবে চেষ্টা কৰিব নেলাগে। আজি আমাৰ যিখিনি জনগোষ্ঠীৰ লোক আছে, তেওঁলোকৰ ক্ষেত্ৰত আমাৰ মাননীয় ৰাজ্যপাল ডাঙৰীয়াই কৈছে যে স্বায়ত্ত শাসনৰ সমস্যাবিলাক দূৰ কৰিব লাগে আৰু মুকলিমূৰীয়াভাৱে আলাপ-আলোচনাৰ জৰিয়তে চৰকাৰে এই সমস্যাটো দূৰ কৰাৰ কাৰণে বাস্তৱ ব্যৱস্থা গ্ৰহণ কৰিব। মাননীয় ৰাজ্যপাল ডাঙৰীয়াই জনগোষ্ঠীৰ সমূহৰ কল্যাণৰ অৰ্থে আঁচনি আৰু কাৰ্য্যসূচী সমূহ ৰূপায়ণত অধিক গুৰুত্ব দিব লাগে বুলি কোৱা হৈছে। আজি যেনেকৈ ৰাজ্যবিলাকৰ উন্নতি আৰু বিকাশৰ কথা কোৱা হৈছে, ঠিক তেনেকৈ আমি জনগোষ্ঠীসমূহৰ উন্নতি আৰু বিকাশৰ প্ৰতিও সন্মান জনাব লাগিব। মই এইখিনিতে এটা কথা ক'ব বিচাৰিছো যে ৰাজ্যখনত হৈ থকা হিংসাত্মক ঘটনাবিলাক ৰোধ কৰিবৰ বাবে আমি সকলোৱে সংশ্লিষ্ট সকলৰ লগত লগ লাগি প্ৰস্তাৱিত আলোচনাৰ মাজলৈ আনিব পাৰো তেতিয়াহ'লে আমি নিশ্চিত হ'ম যে আমাৰ আৰু কোনো কালেই পুলিচ মিলিটাৰিৰ প্ৰয়োজন নহ'ব। এই ক্ষেত্ৰত আমাৰ সকলোৱে দৃঢ় ব্যৱস্থা ল'ব বুলি মোৰ বিশ্বাস। আন্তঃৰাজ্যিক সীমা সমস্যাৰ বিষয়ে মই ক'ব বিচাৰিছো। অসম নগালেণ্ড সীমা সম্পৰ্কে তিনি-চাৰিবাৰকৈ আলোচনা কৰা হৈছে। এই ক্ষেত্ৰত আমাৰ চৰকাৰে নিশ্চয় বাস্তৱ দৃষ্টিভঙ্গী ল'ব। আন্তঃৰাজ্যিক সীমা বিবাদৰ সমস্যাবিলাক দূৰ কৰি তাত থকা ওচৰ-চুবুৰীয়া লোকসকলে যাতে শান্তিৰে বাস কৰিব পাৰে সেই ক্ষেত্ৰত শান্তি শৃংখলা ৰক্ষা কৰাৰ কাৰণে চোকা দৃষ্টি ৰখা হৈছে। আন্তঃৰাজ্যিক সীমা সম্পৰ্কে মাননীয় ৰাজ্যপালৰ ভাষণত উল্লেখ কৰাৰ কাৰণে সুখী হৈছো। অসম চুক্তিৰ ভাল ৰূপায়ণ কৰাৰ কথা উল্লেখ কৰাৰ কাৰণে ভাল পাইছো। কেন্দ্ৰতো দেৱগৌড়া চৰকাৰে অসম চুক্তি ৰূপায়ণ কৰাৰ ক্ষেত্ৰত সহযোগ কৰাৰ কথা কৈছে। এই চুক্তি ৰূপায়ণ কৰাৰ ক্ষেত্ৰত আমি সংশ্লিষ্ট সকলো পক্ষৰে সহায়-সহযোগ কামনা

কৰিছো আৰু সকলোৰে সহায় সহযোগ কৰিব বুলি আশা কৰিছো। নিবনুৱা সমস্যা সম্পৰ্কে মই ক'ব বিচাৰিছো যে আমাৰ ৰাজ্যত নিবনুৱা সমস্যাই ব্যাপক ৰূপ ধাৰণ কৰি আছে। এই সমস্যাটো দূৰ কৰিবৰ কাৰণে আমাৰ কিছু কৰিবলগীয়া আছে। নিবনুৱা সমস্যা সমাধান কৰাৰ কাৰণে আমাৰ যিখিনি কৰিবলগীয়া আছে আমি সেইখিনি কৰিব লাগিব। ৰাজ্যপালৰ ভাষণতো নিবনুৱা সমস্যা সমাধানৰ কথাটো উল্লেখ কৰাৰ কাৰণে ভাল পাইছো। এইটো কথা ইয়াত স্পষ্টকৈ উল্লেখ কৰা হৈছে। আমি এতিয়া এইটো পক্ষত আছো আৰু আপোনালোকে এতিয়া সিটো পক্ষত আছে। মই এতিয়া শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত ক'ব বিচাৰিছো। আগৰ চৰকাৰে শিক্ষক সকলক নিযুক্তি দিওঁতে যি গুণগত মানদণ্ডৰ ওপৰত ভিত্তি কৰি নিযুক্তি দিব লাগিছিল সেইটো নকৰাৰ ফলত ৰাইজৰ মাজত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হ'ল আৰু গ্ৰহণযোগ্য সঁহাৰি নেপালে। আমাৰ চৰকাৰে শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত প্ৰাৰ্থীসকলৰ গুণমত মানদণ্ডৰ ওপৰত নিৰ্ভৰ কৰি নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব। সকলো লোককে চাকৰি দিয়াটো সম্ভৱ নহয়। সেই কাৰণে ৰাজ্যপাল মহোদয়ে কৃষিৰ কথা উল্লেখ কৰি কৈছে যে কৃষিৰলগত সহযোগী যিবিলাক বিভাগ আছে — যেনে — জলসিঞ্চন, শক্তি, ভূমি সংৰক্ষণ, বান নিয়ন্ত্ৰণ আদি বিভাগসমূহৰ মাজত সমন্বয় সাধনৰ প্ৰচেষ্টা হাতত লোৱা হ'ব। গতিকে আমাৰ সকলো সহযোগী বিভাগৰ লগতেই সমন্বয় সাধন কৰিব লাগে। আনহাতে অসমৰ খেতি পথাৰ সমূহত যাতে দুটা খেতি কৰিব পাৰি তাৰ বাস্তৱ দৃষ্টিভঙ্গীৰে আঁচনি গ্ৰহণ কৰিব লাগিব। অৱশ্যে ৫ টা বছৰৰ ভিতৰতে সকলো খেতি পথাৰতে দুটা খেতি কৰাৰ ব্যৱস্থা সম্ভৱ নহ'বও পাৰে। তথাপিও কিছু পৰিমাণে হ'লেও দুটা খেতি কৰাৰ আমাৰ চৰকাৰে নিশ্চয় ব্যৱস্থা ল'ব পাৰে আৰু তেতিয়া বহুতো যুৱকে আত্ম সংস্থাপনৰ সুবিধা পাব। আগৰ চৰকাৰে উদ্যোগ নীতিৰ ক্ষেত্ৰত এটাও পৰিস্ৰিচি গ্ৰহণ কৰিব নোৱাৰিলে। উদ্যোগ নীতি বুলি একোৱেই নাছিল। উদ্যোগবিলাক ব্যক্তিগত খণ্ডৰ হাতলৈ নিয়াৰ কাৰণে ব্যৱস্থা লৈছিল। যদি এই উদ্যোগবিলাক ব্যক্তিগত খণ্ডৰ লোকৰ স্বাৰ্থৰ কাৰণে ব্যক্তিগত খণ্ডৰ হাতত গতাই দিয়া হয়, তেতিয়া হ'লে ভৱিষ্যতে আমাৰ কি হ'ব। এই ক্ষেত্ৰত মই চুগাৰ মিল, জাগীৰোড স্পান মিল, নাথকুছিৰ সূতা মিল আদিৰ কথা ক'ব বিচাৰিছো। এই মিল বিলাকত অৰাজকতাৰ সৃষ্টি হৈছে। আমি যদি সকলো দলৰ সদস্য সকল লগ হৈ আলোচনা কৰিব পাৰো তেতিয়া হ'লে নিশ্চয় এটা উদ্যোগনীতি উদ্ভাৱন হ'ব। আগৰ চৰকাৰে কো-অপাৰেটিভ চেক্টৰৰ ক্ষেত্ৰত

একো কৰি থৈ নগ'ল। আমি এই উদ্যোগবিলাক জীয়াই তুলিব লাগিব। বিদ্যুতৰ ক্ষেত্ৰত মই ক'ব বিচাৰিছো। আমাৰ আগৰ শক্তিমন্ত্ৰী ডাঙৰীয়াও আজি সদনত উপস্থিত আছে। আমাক ৪২০ মেগাৱাট বিদ্যুতৰ প্ৰয়োজন যদিও দুই তিনিশ মেগাৱাট বিদ্যুতেৰে আমাৰ হৈ যায়। কিন্তু আমি পাইছো ১৫০ মেগাৱাট। উদ্যোগবিলাক জীয়াই ৰাখিবলৈ হ'লে আমাক বিদ্যুৎ লাগিব। এই ক্ষেত্ৰত দেশৰ ভিতৰৰে প্ৰখ্যাত প্ৰতিষ্ঠান সমূহক আমন্ত্ৰণ জনাব লাগিব। ব্যক্তিগত খণ্ডত আমি সকলোবিলাক বিচৰা নাই। কিন্তু ব্যক্তিগত খণ্ডসমূহত চৰকাৰে বিদ্যুতৰ ক্ষেত্ৰত যদি দিব বিচাৰিছে তেতিয়াহ'লে বাস্তৱ দৃষ্টিভঙ্গী লৈছে বুলি মই ভাবো। বান-নিয়ন্ত্ৰণৰ ক্ষেত্ৰত আমি যথেষ্ট চিঞৰ-বাখৰ কৰিছো। মাননীয় ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণত আমাৰ অসমৰ অৰ্থনীতিৰ প্ৰতি লক্ষ্যৰাখি ব্ৰহ্মপুত্ৰৰ বানপানী নিয়ন্ত্ৰণৰ বাবে বৰ্তমানে থকা এশ শতাংশ ঋণৰ কেন্দ্ৰীয় ঋণ সাহায্য আঁচনিখনৰ পৰিবৰ্তে ৯০ শতাংশ মঞ্জুৰী আৰু ১০ শতাংশ ঋণ অথবা ১০০ শতাংশ মঞ্জুৰীৰ এক বিশেষ কেন্দ্ৰীয় সাহায্য আঁচনিৰেহে ব্ৰহ্মপুত্ৰৰ বানপানী নিয়ন্ত্ৰণত অসমক সহায় কৰিবলৈ ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰক জোৰ দিব। এই ক্ষেত্ৰত আমি সকলোৰে লগত আলোচনা কৰি বিশেষ ভূমিকা ল'ব লাগিব। আমাৰ বান নিয়ন্ত্ৰণৰ মন্ত্ৰী গগৈ ডাঙৰীয়াই গুৰুত্ব দিছে আৰু দায়িত্ব হাতত লৈছে। আমি আশা কৰিব পাৰো এই ক্ষেত্ৰত নিশ্চয় ইতিবাচক সঁহাৰি দেখিবলৈ পাম। অধ্যক্ষ মহোদয়, এইখিনিতে মোৰ সমষ্টিৰ এটা কথা অৱগত কৰি বিচাৰিছো। মোৰ সমষ্টিত ৰিজিয়নেল ৰিচাৰ্চ লেবৰেটৰী এটা আছে যাৰ জৰিয়তে অসমৰ সৰু-সুৰা উদ্যোগবিলাক গঢ়ি তোলাৰ ক্ষেত্ৰত কিছু ভূমিকা পালন কৰি আছিল। কিন্তু কিছুদিন ধৰি তাত অৰাজকতাৰ সৃষ্টি হৈছে। এই লেবৰেটৰীতো যদি ৰক্ষা কৰিব পৰা নাযায়– তেতিয়াহ'লে সৰু-সুৰা উদ্যোগ বা অনুষ্ঠান বিলাক চলাই নিয়াত অসুবিধাৰ সৃষ্টি হ'ব। এই সম্পৰ্কত ৰাজ্য চৰকাৰৰ কৰিবলগীয়া নাই। এই লেবৰেটৰীটোৰ ডাইৰেক্টৰজনে যি বৈষম্যমূলক কাম-কাজ কৰিছে আমি সেই সকলো কথা কেন্দ্ৰীয় চৰকাৰৰ ওচৰত জনোৱাৰ কাৰণে ব্যৱস্থা ল'ব লাগে যাতে গৱেষণাগাৰটোৰ কাম-কাজ সুচাৰুৰূপে চলি থাকিব পাৰে।

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপাল ডাঙৰীয়াই যিটো ভাষণ দিছে, সেই ভাষণত যি কেইটা প্ৰস্তাৱ দাঙি ধৰিছে তাৰ কাৰণে মই সদনৰ মাননীয় সকলো বিৰোধী পক্ষৰ সদস্য সকলৰ সমৰ্থন বিচাৰিছো। যি কেইটা

এমেণ্ডমেন্ট দিছে তাত আপোনালোক উদ্বিগ্ন হৈছে লগতে আমিও সমানে উদ্বিগ্ন হৈছো। ৰাজ্যপালৰ ভাষণত উল্লেখ কৰা হত্যা, লুণ্ঠন, বিচ্ছিন্নতাবাদ আদি ৰোধ কৰাত বৰ্তমান চৰকাৰ নিশ্চয় সফল হ'ব। নতুনকৈ অহা মাননীয় সদস্য সকলক মই ক'ব বিচাৰিছো যে আমেৰিকাৰ প্ৰেচিডেন্ট কেনেডিয়ে এষাৰ কথা কৈছিল– তোমালোকক আমেৰিকাই কি দিব সেইষাৰ কোৱাতকৈ ক'ৰা যে তোমালোকে আমেৰিকাক কি দিবা। — এইটো এটা পৰামৰ্শহে। আমাৰ নতুন মাননীয় সদস্যসকলে আজিৰ অসমক কি দিব পাৰে, কি ধৰণে সহায় কৰিব পাৰে এই দৃষ্টিভঙ্গী আগত ৰাখি মাননীয় ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত দিয়া মোৰ বক্তব্য ইমানতে সামৰণি মাৰিলো।

Mr. Speaker : Now I request Dr. Ardhendu Kumar Dey.

* ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, যোৱাকালি মাননীয় ৰাজ্যপাল ডাঙৰীয়াই তেখেতৰ অভিভাষণত যিবোৰ আলোচনা দাঙি ধৰিছে- সেই অভিভাষণ পঢ়ি দেখিছোঁ যে অসমৰ কাৰণে বৰ্তমান চৰকাৰে তেনেকুৱা ধৰণৰ কিবা এটা একো ক'ব পৰা নাই। It is superficial lecture and statement. অসমত যিমান অধিবেশন হৈছিল এইবাৰৰ দৰে কেতিয়াও ৰাজ্যপাল মহোদয়ে অভিভাষণ দিয়া নাই। ৰাজ্যপাল ডাঙৰীয়াই যিটো অভিভাষণ দিছে তাত নিশ্চয় কাৰ্য্যৱলীৰ বিৱৰণ দাঙি ধৰিব লাগিছিল। যোৱাবাৰ অসম গণ পৰিষদ দল চৰকাৰৰ বিৰোধী পক্ষৰ দলত আছিল। তাত সংখ্যালঘু সম্প্ৰদায়ৰ পৰা এজন প্ৰাৰ্থীকহে দিছিল। এইবাৰ আমি দিছো একাধিক প্ৰাৰ্থী। এইটো মঙ্গলৰ কাৰণেই হৈছে। তেখেতসকলৰ উন্নয়নমূলক কামৰ কাৰণে সংখ্যালঘু সকলৰ কাৰণে চৰ ডেভেলপমেন্ট এটা আছে। এই ডেভেলপমেন্ট হেডত গোটেই কথা লিখা আছে। ১৯৭১ চনৰ আগতে অহা সংখ্যালঘু সম্প্ৰদায় সকলক থকাৰ ব্যৱস্থা কৰা হয়। কিন্তু তেখেত সকলৰ কাৰণে কেনেধৰণৰ উন্নয়নমূলক কাম বা উন্নতিৰ কাৰণে কোনো এটা বিভাগক কাম কৰিবলৈ দিয়া তেনে কোনো উল্লেখ নাই। মাননীয় অধ্যক্ষ ডাঙৰীয়া, যিটো অভিভাষণ পাঠ কৰা হৈছে তাত এনেকুৱা লাগিছে যেন অলপো সময় নাই। যিটো ৪ দিনীয়া অভিভাষণ আহ্বান কৰা হৈছে সেইটো ৰেগুলাৰ অধিবেশননে ইমাৰজেন্সি অধিবেশন। যদি কয় ইমাৰজেন্সি অধিবেশন তেনেহ'লে আমি প্ৰশ্ন কৰো কিয় ইমাৰজেন্সি অধিৱেশন পাতিব লগা হৈছিল। তাত ২০ দিনৰ সময় দিয়া হৈছিল। তাৰ পিছত ইংৰাজী ১৯৪৯ চনত

---

* Speech not corrected

ইমাৰজেন্সি অধিৱেশন পতা হৈছিল। ১৯৫২ চনত এবাৰ পতা হৈছিল। তাত ২০ দিনৰ সময় দিয়া হৈছিল। আমাৰ ইয়াত ৬ তাৰিখে নোটিচ দিয়া হ'ল ৪ দিনৰ অধিৱেশনৰ কাৰণে। এটা অধিৱেশনৰ কাৰণে মিনিমাম ১০ দিন লাগে। এই গোটেই ৰুলচ্ এণ্ড ৰেগুলেচন ভায়লেট কৰি পতাত আমাৰ একো অসুবিধা হোৱা নাই।

মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণ যিটো পাঠ কৰা হৈছে, এই ভাষণটো ইমান খৰকৈ কৰা হৈছে যে তাত বহুতখিনি কথা বাদ দিয়া হৈছে। তাৰ পিছত এপইন্টমেন্ট বিষয়টোলৈ আহো। এইটো বৰ হাস্যকৰ। মই অনির্ভৰশীলতাৰ কথা ক'ব বিচাৰিছো। যিসকল বেকাৰ যুৱক-যুৱতী আছে তেখেতসকলক বৰ্তমান চৰকাৰে চাকৰি দিব নোৱাৰে। এগ্ৰিকালচাৰ, এগ্ৰো ইনদাষ্ট্ৰি আৰু ইনদাষ্ট্ৰি আদি স্বনিযোজনৰ কাৰণে টকাটো ক'ৰ পৰা আহিব? বেংকৰ পৰা লোণ চেংচন কৰিবলৈ গ'লে বেংকে কয়– আগতে বহুত টকাৰ লোণ দিয়া হৈছে। টকাবোৰ বাকী পৰি আছে। বৰ্তমান চৰকাৰে এইবোৰ ফেচ কৰি নিবনুৱা যুৱক-যুৱতী সকলৰ সমস্যা সমাধান কেনেকৈ কৰিব? সেই কাৰণে কৈছো বেকাৰ সকলৰ সমস্যা সমাধান কৰিব নোৱাৰে। তাৰউপৰি দুৰ্নীতিৰ বিষয়ে বহুতখিনি কথা কোৱা হৈছে, ১৯৮৫ চনৰ পৰা ১৯৯০ চনলৈকে চৰকাৰে কি কি কাম কৰিছিল লাইব্ৰেৰীত থকা প্ৰচিডিঙত সকলোখিনি পাব। সেই সময়ত সেই চৰকাৰখন দুৰ্নীতিমুক্ত আছিল নে নাই?

মাননীয় অধ্যক্ষ মহোদয়, এইখন অসম গণ পৰিষদৰ ইস্তাহাৰ। ইয়াতে শিক্ষাবিভাগৰ বিষয়ে যিবোৰ কথা উল্লেখ কৰা হৈছে সেই কথাখিনি ৰাজ্যপালৰ ভাষণত প্ৰতিফলিত হৈছে নে নাই আমি জানিব বিচাৰিছো। তেখেতৰ ভাষণত কিছুমান কথা বাদ দি গৈছে কিয় নাজানো? তেখেত সকলৰ মিত্ৰ কাৰণে চি পি এম অথবা চি পি আই ইস্তাহাৰত সঁচাকৈ কিছুমান ভাল কথা আছে, যিটো লিপিবদ্ধ হোৱা নাই। তেখেতসকলে নিম্নতম কাৰ্য্যসূচীখনো তৈয়াৰ কৰিব নোৱাৰে। তাৰ কাৰণে প্ৰগ্ৰেমো তৈয়াৰ কৰিব নোৱাৰে। ৰাজ্যপালৰ ভাষণত কোনো উন্নয়নমূলক কথাই প্ৰতিফলিত হোৱা নাই।

মাননীয় অধ্যক্ষ মহোদয়, তেখেত সকলে বাৰ বাৰ কৈ আছে দুৰ্নীতিৰ অনুসন্ধান কৰিব। যেনেকৈ এটা সময়ত মোৰাৰজী চৰকাৰৰ দিনত ইন্দিৰা গান্ধীৰ ওপৰত অনুসন্ধান কৰিব বুলি কৈ থাকোতে থাকোতে তেওঁলোকৰ কাৰ্যকাল পাৰ

হৈ গ'ল। একেদৰেই তেওঁলোকৰো আগৰ চৰকাৰৰ কথা কৈ থাকোতেই দিন পাৰ হৈ যাব। শিক্ষাৰ ক্ষেত্ৰত এটা কথাও ৰাজ্যপালৰ ভাষণৰ ওপৰত উল্লেখ কৰা নাই। মিত্ৰ গোষ্ঠীৰ যিসকল বিধায়ক আছে বা মন্ত্ৰী পৰিষদত আছে তেওঁলোকৰ সন্মানৰ ওপৰত কোনো গুৰুত্ব দিয়া হোৱা নাই আৰু তেওঁলোকৰ কমন প্ৰগ্ৰেম নথকাৰ কাৰণে এইটো তেওঁলোকে কৰিব পৰা নাই। অকল সেইটোৱেই নহয় আজি যি সময়ত অসমৰ উদীয়মান যুৱক-যুৱতী যি সকলে ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত খেল আৰু ক্ৰীড়া বিষয়ত আমাৰ ৰাজ্যলৈ সুনাম কঢ়িয়াই আনিছে আজি তেনে সময়ত আমি কি দেখিছো ৰাজ্যপালৰ ভাষণত, স্পষ্ট কোনো কথা উল্লেখ নাই। অধ্যক্ষ মহোদয়, আন এটা দিশত চাওক অসমৰ কৃষ্টি-সংস্কৃতি উন্নয়নৰ কাৰণে ৰাজ্যখনৰ কালচাৰেল ডেভেলপমেন্টৰ কাৰণে ৰাজ্যপালৰ ভাষণত কোনো ধৰণৰ উল্লেখ নাই। কালচাৰেলৰ কোনো নতুন ব্যৱস্থাৰ কথা উল্লেখ নাই। আমাৰ চি পি আই বন্ধু সকল আছে, মিত্ৰ গোষ্ঠীৰ সদস্যসকল আছে আৰু আমাৰ পুৰণা বন্ধু আছে কিয় তেওঁলোকে পতিয়ন নিয়াব পৰা নাই নেকি? কিয়নো আজি যি সময়ত ভূমি সংস্কাৰ আইনৰ প্ৰয়োজন হৈছে সেই সময়ত ৰাজ্যপালৰ ভাষণৰ ওপৰত কোনো কথা উল্লেখ কৰা নাই, অন্ততঃ চি পি এম বন্ধু সকলৰ সন্মানৰ কাৰণেও এই বিষয়বিলাকৰ কথা উল্লেখ থাকিব লাগিছিল। তাৰোপৰি আমাৰ ৰাজ্যত যিসকল প্ৰাক্তন সেনা বাহিনীৰ অৱসৰ প্ৰাপ্ত লোক আছে সেই সকলৰ কল্যাণৰ কাৰণে আৰু ওৱেলফেয়াৰ প্ৰগ্ৰেম কথা ৰাজ্যপালৰ ভাষণত উল্লেখ থাকিব লাগিছিল কিন্তু তেনে ধৰণৰ কোনো কথা উল্লেখ নাই। তাৰোপৰি আমাৰ ৰাজ্যখনৰ চাকৰিজীৱিৰ যিবিলাক প্ৰয়োজনীয় কথা পে কমিশ্যনৰ কথা, আজি যি সময়ত কৰ্মচাৰী নহ'লে চৰকাৰ চলিব নোৱাৰে তেনে সময়ত ৰাজ্যপালৰ ভাষণৰ ওপৰত কৰ্মচাৰী বা পে কমিশ্যনৰ কোনো কথা উল্লেখ নাই। মন্ত্ৰী সভাত মিত্ৰ গোষ্ঠীৰ ৫ জনকৈ সদস্য থকাৰ পিছতো আজি হিল এৰিয়া ডেভেলপমেন্টৰ কথা কেৱল এচ চি, এচ টিৰ দুটামান কথা কৈ হিল এৰিয়া ডেভেলপমেন্টৰ আচল কথাবিলাক ৰাজ্যপালৰ ভাষণত বাদ পৰি গ'ল। আমাৰ মাননীয় মন্ত্ৰী আব্দুল ৰৌফ ডাঙৰীয়াই দুখ প্ৰকাশ কৰা বুলি প্ৰতিদিন কাকতত প্ৰকাশ পাইছে যে ইকোলজিৰ ক্ষেত্ৰত কোনো ধৰণৰ কাম হোৱা নাই। মই প্ৰতিদিন কাকত নিয়মীয়াকৈ পঢ়োঁ। তাত তেখেতৰ দুখ প্ৰকাশ পাইছে অথচ আজি ৰাজ্যপালৰ ভাষণত ইকোলজিকেল ডেভেলপমেন্টৰ ওপৰত কোনো কথাই উল্লেখ নাই।

মাননীয় অধ্যক্ষ মহোদয়, পাৰছনেল ৰেফাৰেন্স যাতে নকৰে সেইটো চাব লাগে। মই পাৰছনেল ৰেফাৰেন্স হিছাপে কোৱা নাই, কাগজত যিটো প্ৰকাশ পাইছে সেইটোহে কৈছো। এই বিষয়ে প্ৰতিবেদনত উল্লেখ কৰাৰ ক্ষেত্ৰত চৰকাৰে সহায়-সহযোগিতা আগবঢ়াব লাগিছিল। তাৰোপৰি যিসকল ইয়ুথ এক্টিভিষ্ট আৰু আমাৰ ৰাজ্যত থকা ল'ৰা-ছোৱালী বিলাকৰ উন্নয়নৰ কাৰণে যি ধৰণে উল্লেখ থাকিব লাগিছিল সেই ধৰণে ৰাজ্যপালৰ অভিভাষণত কোনোধৰণৰ উল্লেখ নাই। অসম গণ পৰিষদৰ ইস্তাহাৰত কৈছে ফেয়াৰ প্ৰাইজ চপৰ সংখ্যা বৃদ্ধি কৰা হ'ব। বৰ্তমান অসমত ২৮ হাজাৰ ফেয়াৰ প্ৰাইজ চপ আছে। প্ৰতিখন ফেয়াৰ প্ৰাইজ চপে ১০০০ জন জনসংখ্যা যদি সামৰে তেতিয়া হ'লে ২ কোটি ৮০ লাখ জনসংখ্যা ৰাজ্যখন সামৰি ল'ব। ইয়াৰ পিছতো যদি ফেয়াৰ প্ৰাইজৰ সংখ্যা যদি বৃদ্ধি কৰা হয় তেতিয়াহ'লে ৰাজ্যখনৰ মুঠ জনসংখ্যাতকৈ বেছি হ'ব। তেনে ক্ষেত্ৰত চেলফ এমপ্লয়মেন্টৰ ক্ষেত্ৰত ৰাজ্যপালৰ ভাষণত কোনো উল্লেখ নাই। সেইদৰে ৰাজ্যখনৰ পাৱাৰৰ ক্ষেত্ৰত ৰাজ্যপালৰ ভাষণত ওপৰত যি ধৰণে অগ্ৰাধিকাৰ দিব লাগিছিল সেই ধৰণে দিয়া হোৱা নাই। ৰাজ্যখনৰ পাৱাৰৰ ডেফিচিট কেনে ধৰণে পূৰণ কৰা হ'ব আৰু ক'ৰ পৰা অনা হ'ব সেই বিষয়েও বাস্তৱ কথা কোৱা হোৱা নাই আৰু চৰকাৰেও এই ক্ষেত্ৰত কি ভূমিকা ল'ব সেই বিষয়ে ৰাজ্যপালৰ ভাষণৰ ওপৰত কোনো ধৰণৰ গুৰুত্ব দিয়া আমি দেখা নাই। শ্ৰীহিতেন গোস্বামীয়ে কৈছে যে বাহিৰৰ পৰা পাৱাৰ আনিব। পশ্চিমবঙ্গ, মেঘালয় আদি ৰাজ্যত পাৱাৰৰঘাটি। গতিকে পাৱাৰ ক'ৰ পৰা আনিব। এই সম্পৰ্কত চৰকাৰে কি কৰিব সেই বিষয়ে ৰাজ্যপালৰ ভাষণত উল্লেখ নাই। আই এম ডি টি এক্ট সম্পৰ্কত এজন মন্ত্ৰীয়ে কৰিমগঞ্জ, হাইলাকাণ্ডিত কৈছে এই এক্টখন থাকিব; মঙলদৈত আন এজন মন্ত্ৰীয়ে কৈছে এই এক্টখন উইড্ৰ কৰা হ'ব। মন্ত্ৰীৰ নাম নকওঁ– The AGP is for withdrawal of IMDT Act. এই সম্পৰ্কত ১১ জুনৰ ট্ৰিবিউন আৰু ৮ জুনৰ চেন্টিনেল কাকতত আছে। এল অ চি সম্পৰ্কত সদন কমিটী বহুৱাৰ তৈয়াৰ কৰিব লাগে বুলি কৈছে। এজন মন্ত্ৰীয়ে কৈছে যে চি বি আইক দিব লাগে। ইয়াৰ অৰ্থ কি? কাৰো মাজত মিল নাই। আই এম ডি টি এক্ট উইড্ৰ কৰিব লাগে আৰু নালাগে বুলি কৈছে। ছাত্ৰ সন্থাই কৈছে উইড্ৰ কৰিব লাগে। মই যিটো সংশোধনী দিছো তাৰ ওপৰত দুই এটা ৰেফাৰেন্স দিব বিচাৰিছো। মেলেৰীয়া সম্পৰ্কত অগ্ৰদূত কাকতত লিখিছে মেলেৰীয়া ৰোগ বৃদ্ধি। সময় প্ৰৱাহত লিখিছে মেলেৰীয়াত ৪৬ জনৰ মৃত্যু। আজিৰ বাতৰিত লিখিছে

জ্বৰত মৃত্যু। দৈনিক অগ্ৰদূতত লিখিছে মেলেৰীয়া, গ্ৰহণীৰ আশংকা। আজিৰ বাতৰিত লিখিছে আশ্ৰয় শিবিৰত গ্ৰহণী, মেলেৰীয়াত ৫০ জনৰ মৃত্যু। আশ্ৰয় শিবিৰত ২ লাখ লোক আক্ৰান্ত। আজিৰ বাতৰিত ওলাইছে ঘগ্ৰাপাৰত মৃত্যু ৪২। আজিৰ অসমত ওলাইছে শিৱসাগৰত ৬ জনৰ মৃত্যু। অগ্ৰদূতত লিখিছে তামুলপুৰত মেলেৰীয়া মহামাৰি ৰূপে দেখা দিছে। উত্তৰ গুৱাহাটীত মৃত ৫। ভূটান-সীমাত ৯ জনৰ মৃত্যু।

Mr. Speaker : Under Rule 275 of the Rules of Proceedure and Conduct of Business in Assam Legislative Assembly, while the house is sitting, a member shall not read any book, newspaper or letter except in connection with the business of the house.

* Shri Silvius Condpan : Sir, these are coming as reference while a member is speaking and so this should be applicable in his speech.

* ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ স্বাস্থ্যমন্ত্ৰীয়ে কৈছে যে ঔষধৰ অভাৱ নহব। কিন্তু ঔষধৰ অভাৱত মানুহ মৰি আছে।

* শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (কৃষি মন্ত্ৰী) ঃ আপুনি এটা ৰুল কট কৰি দিছে। মাননীয় সদস্য গৰাকীয়ে আপোনাক দিৰেকচন দিব পাৰে নেকি? গতিকে ৰুলিং এটা দিব লাগে।

* ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ আজি ক্ৰাইমচ্ হৈ আছে। একে গৰাকী ৰাজ্যপালে মাৰ্চ মাহৰ ৰাজ্যপালৰ ভাষণত কৈছে যে এই চৰকাৰৰ দিনত সন্ত্ৰাস আৰু আইন-শৃংখলা উন্নত হৈছে। সেই একেগৰাকী ৰাজ্যপালেই আকৌ কৈছে আগৰ চৰকাৰৰ দিনৰ আইন শৃংখলা এতিয়া কন্টিনিউৱেচন। মই বিশেষ একো নকও। এ জি পি এ সহযোগ বিচাৰিছে আমি সহযোগ কৰিছো। অসমৰ মূল সমস্যা আইন-শৃংখলাৰ সমস্যা সমাধানত একে লগে যাব লাগে। কালিপদ সেনৰ ১৯৮৬ চনৰ মৃত্যুৰ সময়ত আমি কৈছিলো মৃত্যু আৰু বাঢ়িব। পৰাগ দাসৰ মৃত্যুৰ পিছত সাংবাদিকে লিখিছে এই যাতে শেষ মৃত্যু হয়। ১৯৮৫ চনৰ পৰা ১৯৯০ চনলৈ মৃত্যু বাঢ়িছে। ইয়াৰ হিছাপ দিব পাৰিব নেকি? ১৯৮৫/৮৬ পৰা ১৯৮৯/৯০ চনৰ বাজেট যেতিয়া উত্থাপন হৈছিল আমাৰ বৰ্তমান সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই কৈছিল

* Speech not corrected

যে এই বন্দুক বিলাক কাঢ়িলৈ গৈছে। এইটো কি চৰাই মাৰাৰ কাৰণে লৈ গৈছে নেকি? তেখেতৰ মনত আছে নে নাই ক'ব নোৱাৰো। যদি মনত নাই মই মনত পেলাই দিছো। মই এইটোকেই ক'ব বিচাৰিছো যে ১৯৮৫ চনৰ পৰা ১৯৯০ চনলৈকে যদি ইয়াৰ বিহিত ব্যৱস্থা লোৱা হ'লহেঁতেন তেন্তে আজি পৰাগ দাসৰ মৃত্যু নহ'লহেঁতেন। মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো আপোনাৰ জৰিয়তে যে আজি নগাঁও জিলাত কি হৈছে? য'ৰ পৰা স্বয়ং মুখ্যমন্ত্ৰী নিজেই নিৰ্বাচিত হৈ আহিছে। এস্কটোৰচন অৰ মানি, ১০ হাজাৰ টকাৰ পৰা ১ লাখ টকালৈকে কাঢ়ি লৈ যোৱা হৈছে। কঠিয়াতলীত চাৰিজনী ছোৱালী কিডনেপ কৰা হৈছে। হোজাইত এজন ব্যৱসায়ীক কিডনেপ কৰা হৈছে আৰু তাৰ বিনিময়ত এক কোটি টকা দাবী কৰা হৈছে। বেমাৰী ঠাইত সুস্থ মানৰ বিচাৰিছো। সকলো কথা আলফাক দোষ দিয়া হৈছে। কেৱল আলফাক দোষ দিলে নহ'ব। তেওঁলোকৰ যিবিলাক কৰ্মী আছিল তেওঁলোকেই ৫/১০ হাজাৰ টকা দি এটা বন্দুক কিনি মূৰত পাগুৰি বান্ধি মানি এস্কটোৰচন কৰি আছে। এইবিলাক যদি কন্ট্ৰোল নকৰো ৰাজ্যৰ অৱস্থা গুৰুতৰ হ'ব। কেৱল আলফা, এন এছ চি এন আৰু বি এছ এফক দোষ দিলেই নহ'ব। তাত কোনো লাভ নহ'ব। নিৰ্বাচনৰ আগতে পুলিচ ৰেকৰ্ডত বা এছ বিৰ ৰেকৰ্ডত সকলো বিলাক আছে। আলফা কিমানজন আছে? কিন্তু এতিয়া হাজাৰ হাজাৰ আলফা ক'ৰ পৰা গজি গ'ল? এই সকলোবিলাক আলফা নহয়। এইবিলাক হৈছে এনটিচোচিয়েল এলিমেন্ট। আজি কেইদিনমান আগতে নৰ্থ বেংকত এজন মানুহ গৈ থাকোতে বাটত দুজন ল'ৰাই বন্দুক দেখুৱাই ক'লে যে আমাক টকা দিয়ক। তেখেতে টকা নাই বুলি কোৱাত পকেটত বিচাৰি যি পালে তাকে লৈ গ'ল। আজি মই এটা কথা কওঁ যে এ জি পি চৰকাৰ কেনেকৈ আহিল? তেওঁলোকৰ চিম্বল হৈছে হাতী। গতিকে তেওঁলোকে হাতীৰ পিঠিত উঠি দিছপুৰলৈ আহিব লাগিছিল। কিন্তু তেওঁলোকে হাতীৰ পিঠিত অহা নাই। তেওঁলোক আহিছে বাঘৰ পিঠিত উঠি। হাতীৰ পিঠিত আহিলে হাতীক যিকোৱা যায় তাকে কৰে। হাতীটোক বহিব ক'লে বহিব। কিন্তু বাঘক বহিব ক'লে কি হ'ব পাৰে আপোনালোকে সকলোৱে জানে। গতিকে তেওঁলোকে বাঘৰ পিঠিৰ পৰা নামিব পৰা নাই। গতিকে বৰ্তমান অসমৰ যি অৱস্থা হৈছে সেই ক্ষেত্ৰত গোটেই অসমৰ ৰাইজে কাউন্ট ডাউন আৰম্ভ কৰিছে কেতিয়া বৰ্তমান চৰকাৰখন যায়।

* শ্ৰীহেমেন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰথমবাৰৰ কাৰণে ৰাজ্যপালৰ ভাষণৰ

* Speech not corrected

ধন্যবাদসূচক প্ৰস্তাৱৰ সমৰ্থনত ক'বলৈ ওলাইছো। ইয়াৰ আগতে সদায়ে বিৰোধিতা কৰিহে কওঁ। মাননীয় সদস্য শ্ৰীঅৰ্দ্ধেন্দু ডাঙৰীয়াই তেখেতৰ ভাষণত কৈছে যে ৰাজ্যপালৰ ভাষণত আৰ্থিক কোনো কাৰ্যসূচী নাই। আমি কিন্তু যুক্ত শাসনৰ চৰকাৰৰ নিৰ্বাচন খেলিলো, কিয় আমি মিলিত হ'লো তাকে মই আজি দুআষাৰ ক'বলৈ ওলাইছো। ছাৰ আমাৰ মাননীয় সদস্য শ্ৰীঅৰ্দ্ধেন্দু কুমাৰ দেক মই ধন্যবাদ জনাইছো যে তেখেতে মোক পুৰণি কথা মনত পেলাই দিছে। এজিপি চৰকাৰৰ দিনত কালিপদ সেনক হত্যা কৰিলে, মানবেন্দ্ৰ শৰ্মাক হত্যা কৰিলে, বহু লুণ্ঠন চলিল। দুৰ্নীতি এজিপিৰ দিনত হ'ল। কিন্তু পাৰ্থক্য ক'ত? তাৰ পাছত অসমৰ সন্ত্ৰাসবাদ চলিল। মাননীয় অৰ্দ্ধেন্দু দে ডাঙৰীয়াই ইমান দীঘলীয়া বক্তৃতা দিলে কিন্তু সন্ত্ৰাসবাদৰ সমস্যা সমাধানৰ কথাটো এবাৰো নক'লে। আপোনালোকে যোৱা পাঁচ বছৰত সন্ত্ৰাসবাদ শেষ কৰিলে নে বৃদ্ধি কৰিলে? মই যেতিয়া এই সদনৰ বাহিৰত আছিলো তেতিয়াই কালিপদ সেন, মানবেন্দ্ৰ শৰ্মা আৰু বৰপেটাৰ নাৰায়ণ সাহাক হত্যা কৰা হৈছে। তেতিয়াই মই ৰাইজক কৈছিলো যে এতিয়া যদি আমি অপৰাধী বিচাৰি যাওঁ তেন্তে ৰাজীৱ ভৱনতেই পাম। সাংঘাতিক ক্ষমতা থকা কংগ্ৰেছৰ লোকেই এই সকলক হত্যা কৰিছে। আৰু অপৰাধী লুকাই আছে ৰাজীৱ ভৱনত। আজিও কৈছো আপোনালোকে তদন্ত কৰক। বৰপেটাৰ কংগ্ৰেছী কৰ্মী হত্যা কৰা আসামী কোন? আপোনালোকৰ মানুহ। ২৯ ডিচেম্বৰত বৰপেটা বজাৰত নিৰ্বিবাদে কংগ্ৰেছ কৰ্মী নাৰায়ণ সাহাক হত্যা কৰিলে। চিন্তা আসামী কোন? ওপৰলৈ থু পেলালে নিজৰ গাতে পৰে। আপুনি কেতিয়াৰ কথা কৈছে? মই সকলোবিলাক আগৰ কথাই কৈছো। সমাজ বিৰোধী হত্যা এই সকলোবিলাকৰ আড্ডা হৈছে ৰাজীৱ ভৱন। মই বাহিৰতো কৈছো ইয়াতো কৈছো। মই দায়িত্ব এৰি দিয়া নাই। দায়িত্ব লৈয়ে কৈছো। কোন মানুহ কেতিয়া যায়, কোন কোন মানুহ ৰাজীৱ ভৱনত আহি আছে, এই সকলোবিলাক খবৰ আমি পাই আছো।

এই কথা বিলাক মই বাহিৰতো কৈছো। আৰু আজি এই সদনতো কৈছো। আপোনালোকৰ মানুহ কোন কাৰ তালৈ গৈছে, কাক কি কৈছে সেই খবৰ আমাৰ হাতত আছে। এই খবৰ আপোনালোকৰ মানুহে আমাক দিছে। কিন্তু এটা কথা ঠিক যে আপোনালোকৰ মাজত এতিয়া কিছুমান ভাল মানুহ থকা কাৰণে কংগ্ৰেছ দলটো শেষ হৈ যোৱা নাই। নহ'লে কংগ্ৰেছ দলটো একেবাৰে

শেষ হৈ যাব লাগিছিল। এইবাৰ এ জি পি চৰকাৰ ক্ষমতালৈ অহাৰ সময়ত উচ্চ পৰ্যায়ৰ চৰকাৰী বিষয়াসকলে কি কৰিছিল? মুখ্য সচিব ছুটীত আছিল। ডি জি পিএ কাকো দায়িত্ব ভাৰ অৰ্পন নকৰাকৈ পলায়ণ কৰিছিল, নিৰ্বাচনৰ আগে আগে যিজন আই জি পিক নীতিবৰ্হিভূতভাৱে প্ৰমোচন দিয়া হৈছিল সেইজনো এই চৰকাৰে দায়িত্বভাৰ লোৱা সময়তে পলাল। আজি মই ৰাজ্যপালৰ সমৰ্থনত যদিও ক'বলৈ ওলাইছো তথাপিও তাত কিছুমান কথা আলোচনা কৰাৰ অৱকাশ আছে। এই চৰকাৰে দায়িত্বভাৰ লোৱাৰ আগে আগে একে সময়তে গোৱালপাৰাত মূৰ্তিৰ গল কাটিলে, গোসাইগাঁৱত তিনিজনী জনজাতীয় তিৰোতাৰ মৃতদেহ পোৱা গ'ল আৰু সিফালে অসম নগালেণ্ড সীমান্তত মানুহৰ ঘৰ বাৰী জ্বলাই দিয়া হ'ল। এই ঘটনাবিলাক ১০ ৰ পৰা ১৫ মে'ৰ ভিতৰত সংঘটিত হ'ল। গোসাইগাঁৱত যি তিনিজন তিৰোতাৰ মৃতদেহ পোৱা হ'ল তেওঁলোকৰ পিতৃ মাতৃৰ পৰিচয় পোৱা হোৱা নাই। সেই ঘটনাকে লৈ গোষ্ঠীগত সংঘৰ্ষৰ সৃষ্টি হ'ল। বহুতো মানুহৰ মৃত্যু হ'ল। হাজাৰ হাজাৰ মানুহ গৃহহীন হ'ল। এনেধৰণে ক্ষতিগ্ৰস্ত লোক সকলৰ ভিতৰত বড়ো মানুহকৈ আদিবাসী লোকেই বেছি হ'ব। এই সময়ছোৱাত এখন চৰকাৰ হৈছে আৰু এখন চৰকাৰ আহিব ধৰিছে। সেই সময়খিনি হৈছে নৰসিংহ সময়। গতিকে ঠিক তেনে এটা সময়তে অসমত এই হত্যাকাণ্ড সমূহ পৰিকল্পিতভাৱে সংঘটিত কৰাইছে। ১৫ তাৰিখে এই চৰকাৰে শপত গ্ৰহণ কৰিছে আৰু ১৪ তাৰিখে গোৱালপাৰাত মূৰ্তিৰ গল কাটিছে। ইমান দিনে নাগালেণ্ড মনে মনে আছিল কিন্তু নতুন চৰকাৰে এখনে দায়িত্বভাৰ লোৱাৰ সময়তে হঠাৎ অসমৰ পূব আৰু পশ্চিমপ্ৰান্তত জুই জ্বলি উঠিল। আকৌ উত্তৰ পাৰতো কোনোবা আত্মগোপনকাৰী শক্তিয়ে মূৰ দাঙি উঠিছে। গতিকে এইবোৰৰ অৰ্থ হ'ল যাতে এই চৰকাৰখনে কোনো উন্নয়নমূলক কাম-কাজ কৰিব নোৱাৰে। সকলো সময়তে যাতে চৰকাৰখনে আইন-শৃংখলাক লৈয়েই ব্যস্ত থাকিব লগা হয় তেনে এটা পৰিস্থিতি সৃষ্টি কৰাটোৱেই হৈছে তেওঁলোকৰ উদ্দেশ্য। ১৫ তাৰিখে এই চৰকাৰে শপত গ্ৰহণ কৰাৰ পিছতে ১৭ তাৰিখে সাংবাদিক পৰাগ দাসক হত্যা কৰা হ'ল। সেই সময়ত আমি গোসাইগাঁৱৰ ঘটনা সম্পৰ্কত ৫ দলীয় বৈঠকত আলোচনা কৰি আছো। এনেতে হঠাৎ শুনিলো যে পৰাগ -দাসক কোনোবাই হত্যা কৰিলে। গতিকে এই ঘটনাবিলাকৰ কিবা যোগসূত্ৰ আছে নে নাই সেইটো চাব লগা হৈছে। মই ৰাজ্যপালৰ ভাষণৰ ওপৰত হোৱা ধন্যবাদসূচক প্ৰস্তাৱ সমৰ্থন কৰি ক'ব খুজিছো যে এইবিলাক অনুধাৱন

কৰাৰ প্ৰয়োজন আছে। পৰাগ দাসৰ হত্যাকাণ্ড সম্পৰ্কত আপোনালোকে যদি এটা সভাস্থগিত প্ৰস্তাৱ আনিলেহেঁতেন আমি ভাল পালোহেঁতেন। পৰাগ দাস হত্যাৰ তদন্ত বিচাৰিছে কিন্তু নগেন নেওগৰ হত্যাৰ তদন্ত কিয় বিচৰা নাই? এইবোৰ ক্ষেত্ৰত আপোনালোকেও তদন্ত বিচাৰক। ইয়াত আমি আপত্তি নকৰো। লাচিত কলিতা, বিমল ভূঞাৰ হত্যাৰ তদন্ত হৈছেনে? আজি এই চৰকাৰে আপোনালোকৰ পৰা উত্তৰাধিকাৰি হিছাপে কি পাইছে? পুলিচ প্ৰশাসনত একুৰিমান আই, জি, পি, আছে। কিন্তু তেওঁলোকেও এই পুলিচ পৰিস্থিতিত চকু মুদি আছে। পৰাগ দাসৰ হত্যাৰ পিছত মই তেখেতৰ আত্মীয় এজনৰ ওচৰলৈ গৈছিলো। তেখেতক সুধিছিলো পৰাগ দাসৰ ঘৰলৈ গৈছেনে নাই। তেতিয়া তেখেতে শোকত কৈছিল— কেনেকৈ যাওঁ— একেটা পৰিয়ালতে দুজনী বিধৱা। ইফালে পৰাগ দাসৰ ঘৈণীয়েক বিধৱা আৰু আনফালে নগেন নেওগৰ ঘৈণীয়েক বিধৱা। নগেন নেওগৰ ঘৈণীয়েক পৰাগ দাসৰ খুড়াকৰ ছোৱালী। আজি মানবেন্দ্ৰ শৰ্মাৰ ঘৈণীয়েকৰ ক্ৰন্দন, নাৰায়ণ সাহা, পৰাগ দাস, নগেন নেওগ আদি লোকসকলৰ তিৰোতা, ল'ৰা-ছোৱালীৰ ক্ৰন্দন, কোকৰাঝাৰ, গোসাইগাঁও আৰু অসম নগালেণ্ড সীমান্তত বহুতৰ পিতৃয়ে, বহুতৰ ভাতৃয়ে, বহুতৰ মাতৃয়ে কান্দিব লগা হৈছে। গতিকে উত্তৰাধিকাৰী সূত্ৰে এই চৰকাৰে আগৰ চৰকাৰৰ পৰা ইয়াকে পাইছে। আজি দুৰ্গাৰকী সাংবাদিকক নিজৰ মত প্ৰকাশ কৰাৰ কাৰণে ভাবুকি দিছে। এইখিনিতে মোৰ এটা পুৰণি কথা মনত পৰিছে। কিউবাৰ ৰাষ্ট্ৰপতি এবাৰ এটা গোচৰত ধৰা পৰিল। তেওঁক মাজ পথাৰত গুলীয়াবলৈ নিৰ্দেশ দিলে; তেতিয়া তেওঁ কৈছিল— **Donot kill him, you Can not kill ideals, you can not kill ideals.** এজন লোকক হত্যা কৰিলে তাৰ দ্বাৰা কোনো সমস্যাৰ সমাধান নহয়। নগেন নেওগক হত্যা কৰিলে তাৰ দ্বাৰা কংগ্ৰেছ পাৰ্টীৰ যি ভ্ৰষ্টাচাৰ সেই ভ্ৰষ্টাচাৰ শেষ হৈ যোৱা নাই। পৰাগ দাসক হত্যা কৰা হ'ল। তাৰ দ্বাৰা সমস্যাবিলাক নাইকিয়া হৈ যোৱা নাই। আজি আমি ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে সকলোবিলাক লগ লাগিব লাগিব। সকলোৱেই নিজৰ মতামত স্বাধীনভাৱে ব্যক্ত কৰাৰ সুবিধা পাব লাগিব। আজি অসম ভাৰতবৰ্ষৰ পৰা ওলাই অহাৰ দাবী আহিছে। আজি অসম ভাৰতবৰ্ষৰ পৰা ওলাই আহিলে আমাৰ কি গতি হ'ব? আজি আলফাই অসমক ভাৰতবৰ্ষৰ পৰা আঁতৰাই বিচাৰিছে— মই তেওঁলোকক আহ্বান জনাইছো। তেওঁলোকক মই স্পষ্টভাৱে ক'ব বিচাৰিছো। লগতে চৰকাৰকো যে তেওঁলোকে এনেকুৱা এটা ব্যৱস্থা কৰিব লাগে যাতে তেওঁলোকে

আলোচনাৰ বাবে আগবাঢ়ি আহিব পাৰে। পৃথিৱীত আজি এনে কোনো সমস্যাই নাই যিটো সমস্যা আলোচনাৰ মাজেৰে সমাধান কৰিব নোৱাৰি। সকলোৰেই নিজা নিজা সমস্যা আছে। আলফা, বড়ো, ডিমাছা, কাৰবি সকলোৰেই সমস্যা আলোচনাৰ মাধ্যমেৰে সমাধান কৰিব পৰা যাব। তেওঁলোকক আলোচনাৰ বাবে আগবাঢ়ি আহিবলৈ আহ্বান জনাওক। আলোচনাৰ মাধ্যমেৰে সমস্যা সমাধান কৰক। হত্যাৰ দ্বাৰা কাৰো কোনো সমস্যা সমাধান নহয়। মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে আলফা, এন এছ চি এৰ সকলো যুৱক-যুৱতীক আহ্বান জনাইছো তেওঁলোক আলোচনাৰ পথলৈ আগবাঢ়ি আহক। আলোচনাৰ ক্ষেত্ৰত কোনো পক্ষই স্বত্ব আৰোপ কৰিব নালাগে। কোনেও যাতে কাকো দাবী ধমকি নিদিয়ে। এজন ব্যক্তিক হত্যা কৰাৰ লগে লগে সমস্যাৰ সমাধান হৈ নাযায়। এতিয়া পুলিচে আলফা ধৰাৰ নামত নিৰীহ যুৱক-যুৱতীক হাৰাশাস্তি কৰিছে। যুৱক সকলক ধৰিব নোৱাৰি খেদি খেদি গুলী কৰি মাৰিছে। দেশৰ চোৰ-ডকাইত ধৰিব নোৱৰা পুলিচে আলফা ধৰিব পাৰে? এনে ধৰণৰ সকলোবিলাক সমস্যা নাইকিয়া কৰিবৰ কাৰণে আমি সকলোৱেই মিলি চিন্তা-চৰ্চা কৰিব লাগিব। এইটো কোনো দলৰ কথা নহয়। কোনো এটা দলৰ সমস্যা নহয়, এইটো সমগ্ৰ অসমৰ সমস্যা। আমাৰ দেশত টকা থকা মানুহ কেইজন আছে? আমাৰ ইয়াৰ পৰা এইদৰে মূলধন উলিয়াই নিবলগীয়া হ'লে অসমৰ ভৱিষ্যত পৰিস্থিতি কি হ'ব? মই এই বিষয়ত বেছি নকও।

মই এতিয়া দুৰ্নীতিৰ কথা ক'ব বিচাৰিছো। আজি এটা বিষয় বহুল ভাৱে চৰ্চিত হৈছে সেইটো হৈছে দুৰ্নীতি। যোৱা বিধান সভাতেই কোৱা হৈছিল যে এল অ চিৰ দুৰ্নীতি তদন্ত কৰিবৰ কাৰণে এটা সদন কমিটী কৰি দিব লাগে। কিন্তু আপোনালোকে নকৰিলে। মই পুনৰ কও যে অতিৰিক্ত উপায়ুক্ত শ্ৰীজয়ন্ত বাকচিৰ চিঠিৰ ভিত্তিত এল অ চি সম্পৰ্কত তদন্ত কৰিবৰ কাৰণে আজি বা কাইলৈৰ ভিতৰতে এটা তদন্ত কমিটী গঠন কৰি দিয়ক। চি বি আইৰ তদন্ত যি ভাৱে চলি আছে সেই ভাৱেই চলি থাকিবলৈ দিয়ক।

মই ইয়াৰ পিছত শিক্ষাৰ সম্পৰ্কত ক'ব বিচাৰিছো। আজি আমাৰ শিক্ষা ব্যৱস্থাটো ওপৰৰ পৰা তললৈ বিনষ্ট হৈ গৈছে। যিটো দুৰ্নীতিৰ পয়োভৰ হৈছে সেইটো ৰোধ কৰাৰ কাৰো সাধ্য নাই। একোখন স্কুলত দেখা গৈছে ৩ টা শ্ৰেণী আছে কিন্তু তাৰ শিক্ষক-শিক্ষয়িত্ৰীৰ সংখ্যা হৈছে ১৪ জন। আজি বহু মাহ ধৰি

শিক্ষক-শিক্ষয়িত্ৰীয়ে দৰ্মহা পোৱা নাই। নিযুক্তি দিলে কিন্তু দৰমহা পোৱাৰ ব্যৱস্থা নকৰিলে। গোটেই শিক্ষা বিভাগটো গেলি-পচি গৈছে। শিক্ষা বিভাগটো পচিছে জনতা ভৱনৰ পৰা। যিবিলাক শিক্ষকক কোনো নিয়ম নোহোৱাকৈ নিযুক্তি দিলে সেই সকলৰ পক্ষৰ পৰা সমস্যা আহিছে। বহুতে যোৱা ১০ মাহ ধৰি দৰ্মহা পোৱা নাই আৰু বহুতৰে ৰিটেইনচন নাই। শিক্ষা বিভাগত কোটি কোটি টকা খৰচ কৰি এটা কৰ্মচাৰী বাহিনী পুহি ৰখা হৈছে। ইয়াৰ বাবে দায়ী কোন? ইয়াৰ বাবে মূলতঃ দায়ী হৈছে বিষয়াসকল। শিক্ষা বিভাগৰ দুৰ্নীতিৰ সম্পৰ্কত এটা তদন্তৰ প্ৰয়োজন।

গতিকে আজি শিক্ষা বিভাগটোৰ ওপৰত তদন্তৰ প্ৰয়োজন। ইয়াৰ দায়িত্ব শিক্ষা বিভাগক এৰি দিলে একোৱেই তদন্ত নহ'ব। শিক্ষা বিভাগত বিশ্বাসী বিষয়া খুবেই কম আছে। গতিকে তদন্তৰ কাৰণে সৰু-সুৰা তদন্ত কমিটী পাতি দিয়ক। নহলে নিষ্টাৰ নাই। এনেধৰণৰ কিছুমান কাৰবাৰ শিক্ষাবিভাগত হৈছে সেইটো ভাবিবই নোৱাৰি।

মাননীয় অধ্যক্ষ মহোদয়, আজি স্বাস্থ্য বিভাগত মেলেৰিয়া কিয় নহ'ব? (সময়ৰ সংকেত)। মোক আৰু ২ মিনিট ক'বলৈ দিয়ক। গুৱাহাটী মেডিকেল কলেজখনত গৰ্ভৱতীসকল থকা এটা কোঠা আছে, তাত এখনো ফেন নাই। গৰ্ভৱতী তিৰোতাই এখন ফেনৰ অভাৱত গৰমত চটফটাই ফুৰিবলগীয়া হৈছে। সেইখন কলেজতে আকৌ ৬০ টাকৈ এয়াৰ কুলাৰ দিছে। আচৰিত কথা সেইখন কলেজতে গৰ্ভৱতী থকা ৰুমত এখন ফেন নাই। গতিকে ইয়াৰ ওপৰত এটা বিহিত ব্যৱস্থা ল'ব লাগে। স্বাস্থ্য বিভাগত দুৰ্নীতিৰ সীমা নাই। নিৰ্বাচনৰ আগে আগে এই বিভাগৰ কেইটামান যন্ত্ৰ কিনা হৈছিল যাৰ দাম আছিল মাত্ৰ ২ লাখ টকা। কিন্তু তেতিয়াৰ চৰকাৰে সেই বস্তুবিলাক কিনিছিল ১৪ লাখ টকাত।

মাননীয় অধ্যক্ষ মহোদয়, তাৰ পিছত মই আৰু এটা গুৰুত্বপূৰ্ণ ক'ব বিচাৰিছো সেইটো হৈছে এ, পি, এচ, চিৰ কথা। এইটো এটা অটনমাচ বডি। ইয়াৰ দুৰ্নীতিৰ কথা আৰু কি কম। নীতি-নিয়ম বোলা কথা নাই। যাকে-তাকে এ, পি, চিৰ চেক্ৰেটাৰী মেম্বাৰ পাতি দিছে। গতিকে যি সকলক এ, পি, এচ, চিৰ মেম্বাৰ দিছিল তেখেতসকলৰ বায়দাতা এই সদনত বিতৰণ কৰক। আজি ছাত্ৰ নেতা সকলেই সৰ্বেসৰ্বা। হাই ৰে হাই। তেনেকুৱা এজন ছাত্ৰ নেতাকে তেতিয়াৰ

চৰকাৰে ভগীৰথ নামৰ এজন চাহ জনজাতি ল'ৰাক এ, পি, এচ, চিৰ মেম্বাৰ হিছাপে নিযুক্তি দিছিল যিজনৰ কোৱালিফিকেশ্বন নাছিল।

* শ্ৰীদিলেশ্বৰ তাঁতী ঃ মাননীয় অধ্যক্ষ মহোদয়, কোন ছাত্ৰ নেতা আছিল? জনজাতি সকলৰ পৰা এ, পি, এচ, চিৰ মেম্বাৰ নেলাগে নেকি?

* শ্ৰীপৃথিবী মাঝী ঃ মাননীয় অধ্যক্ষ মহোদয়, এ, পি, এচ, চিৰ কাৰণে আলোচনা হোৱাতো কোনো কথাই ইয়াত আহিব নেলাগিছিল। গতিকে আপোনাৰ ফালৰ পৰা এটা অমিত কৰাৰ কাৰণে ৰুলিং দিব লাগে।

* শ্ৰীচিলভিউছ কন্দপান ঃ মাননীয় অক্ষ্যক্ষ মহোদয়, এ, পি, এচ, চিৰ যি জন ভগীৰথ কৰণৰ কথা কৈছে তেওঁ হৈছে এজন উচ্চ শিক্ষা থকা লোক। তেওঁ মাষ্টাৰ ডিগ্ৰী হলদাৰ। Shri Bhaghirath is a Master Degree Holder and is fit for any Govt. Service, Public Service or for anything. He is of the age of shouldering any responsibilities and the previous Govt. was correct enough to consider his Membership. গতিকে এই বিষয়টো ইয়াত উত্থাপন কৰাটো ঠিক হোৱা নাই। It adversely affects on the image of the Tea Community and I think it reflects very adversely..... Sir I request you to have it withdrawn.

* শ্ৰীহেমেন দাস ঃ মাননীয় অধ্যক্ষ মহোদয় মোক ক'বলৈ দিয়ক। মই কন্দপান ডাঙৰীয়াৰ সৈতে একমত। কাৰণ ডাঙৰীয়াৰ চাকৰি কৰাৰ যোগ্যতা আছে কিন্তু চৰকাৰী চাকৰি পোৱাৰ কিছুমান নৰ্মচ আছে। সেই কাৰণে মই কৈছো 'নৰ্মচ' মতে নিযুক্তি দিয়া নাই।

* শ্ৰীদিল্লেশ্বৰ তাঁতী ঃ কি 'নৰ্মচ' থাকিব লাগে আপুনি কওক।

মাননীয় অধ্যক্ষ ঃ এ, পি, এচ, চিৰ প্ৰসংগৰ ওপৰত ইয়াত কোনো আলোচনা হ'ব নালাগে।

* শ্ৰীচিলভিউছ কন্দপান ঃ মাননীয় অধ্যক্ষ মহোদয়, আপুনি ৰুলিং দিয়ক।

Mr. Speaker : I give the ruling that no Hon'ble Member should discuss on the conduct of any APSC Members.

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি বহু বছৰে এ, পি, এচ,

* Speech not corrected

চিৰ ৰিপোৰ্ট দাখিল কৰা নাই। চৰকাৰৰ ফালৰ পৰা যোগাযোগ কৰি আছে ৰিপোৰ্ট দাখিল কৰাৰ কাৰণে।

Mr. Speaker : Hon'ble Member Shri Atul Bora.

* শ্ৰীঅতুল বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি বিধান সভাৰ সদস্য হিচাপে ভাবিছিলো যে আমাৰ বিৰোধী পক্ষৰ যি সকল মাননীয় সদস্য আছে সেইসকলে গঠনমূলক পৰামৰ্শ আগবঢ়াব। কিন্তু আমি দেখিবলৈ পাইছো মাননীয় সদস্য ডাঃ অৰ্দ্ধেন্দু কুমাৰ দেৱে কিছুমান কথা কৈছে আৰু তেখেতে মেলেৰীয়া সংক্ৰান্তত কিছু কথা কৈছে। কিন্তু মেলেৰীয়া ভূটান সীমান্তত প্ৰতি বছৰে হৈ আহিছে আৰু এটা পুৰণা বেমাৰৰ বীজাণু ৰোপন হৈছে। এতিয়া স্বাস্থ্য বিভাগৰ অৱস্থাও অতি দুখলগা হৈছে। আজি আমি দেখিবলৈ পাইছো বিভিন্ন ঠাইত যিবিলাক চিকিৎসালয় আছে বা চাব চেণ্টাৰ আছে সেইবিলাকত আজি ডাক্তৰ নাই। আজি স্বাস্থ্য বিভাগে বিভিন্ন ঠাইৰ পৰা ডাক্তৰ আনি গুৱাহাটীত, সংস্থাপন দিছে। তেওঁলোকে কাম কৰিছে এটা ঠাইত আৰু দৰমহা লৈ আছে বেলেগ ঠাইত। কাম কৰি আছে যোৰহাটত আৰু দৰমহা লৈ আছে গুৱাহাটীত, সেইসকল আমাৰ নিৰ্ব্বাচিত হৈ অহা সদস্যৰ ব্যক্তিগত চিকিৎসক। গতিকে এইখিনি কাম কৰিবৰ বাবে স্বাস্থ্য বিভাগক কিছু সময় লাগিব। বিভিন্ন বিভাগবিলাক কংগ্ৰেছে বিধ্বস্ত কৰি গৈছে আৰু সেইবাবে ৰাজ্যপাল মহোদয়ৰ ভাষণত কিছু বিষয় এৰাই গৈছে। কংগ্ৰেছ চৰকাৰে বিভাগবিলাক বিধ্বস্ত কৰি গৈছে আৰু সেইবিলাক ঠিক-ঠাক কৰিবলৈ এই চৰকাৰৰ সময় লাগিব। সকলোবিলাক চালিজাৰি চাই কেনেধৰণে কাম কৰিব লাগিব চাব লাগিব।

অধ্যক্ষ মহোদয়, মই বিশেষভাবে ৰাজ্যপালৰ ভাষণত ধন্যবাদ দিছো এই কাৰণেই যে, তেখেতে আন্তঃৰাজ্যিক সীমা সমস্যাৰ সম্পৰ্কত গুৰুত্ব সহকাৰে গুৰুত্ব আৰোপ কৰিছে। অসম-নগালেণ্ড সীমা সমস্যাটো কংগ্ৰেছৰ সৃষ্টি। এইটো পুৰণা চৰকাৰে এৰি থৈ গৈছে আৰু সেইটো তেওঁলোকেও প্ৰকাশ কৰিছে। এটা কথা প্ৰত্যক্ষ হৈছে যে, যেতিয়াই ইয়াত বিৰোধী দলৰ চৰকাৰ গঠন হয় তেতিয়াই সীমান্তত গণ্ডগোল লাগে। কেইদিনমানৰ আগতে আমাৰ চৰকাৰে কাৰ্যভাৰ লোৱাৰ পিচতেই সীমান্ত অঞ্চলত যিবিলাক ঘটনা সংঘটিত হৈছে সেই অসম নগালেণ্ড সীমান্তত হোৱা ঘটনাবিলাক কংগ্ৰেছৰ প্ৰৰোচনাত সংঘটিত হৈছে। ১৯৭৯ চনতে নগালেণ্ড চৰকাৰৰ লগত যি চুক্তি স্বাক্ষৰিত হৈছিল স্থিতাৱস্থা

* Speech not corrected

বাহাল ৰখাৰ বাবে, ১৯৭৯ চনৰ পৰা ১৯৮৫ চনতো চুক্তি হৈছিল আৰু এতিয়াও সেই চুক্তি বাহাল আছে। আজি সেই ঠাইৰ মানুহৰ অৱস্থাৰ পৰিবৰ্তন ঘটিব লাগে, আন আন ঠাইৰ মানুহৰ লগত তেওঁলোকে আজি সম বিকাশ বিচাৰিছে। সেই অঞ্চলবিলাকত ১৯৭৯ চনত স্কুল আদি নাছিল; গতিকে সেই অঞ্চলবিলাকত স্কুলকে আদি কৰি আন আন অনুষ্ঠান প্ৰতিষ্ঠান আদিৰ প্ৰয়োজন হৈছে। স্থিতাৱস্থা বাহাল ৰখাৰ নামত যদি সেই অঞ্চলবিলাকত উন্নতি নহয়, তেনেহ'লে সেই মানুহখিনি তাত বাস কৰিব নোৱাৰে। এই অঞ্চলত এ, বি, চি, দি চাৰিটা চেক্টৰ আছে কিন্তু আমাৰ পুলিচৰ নিয়ন্ত্ৰণত নাই। তাত নিউট্ৰেল ফৰ্চ আছে। তেওঁলোকে নিৰাপত্তা দিব নোৱাৰে। গতিকে আমাৰ চৰকাৰে এইখিনি ব্যৱস্থা কৰিব লাগিব। নগালেণ্ড সীমান্তৰ সেই এলেকাবিলাকত আমাৰ চৰকাৰে উন্নয়নমূলক আঁচনি গ্ৰহণ কৰিব লাগে। আজি নগালেণ্ড চৰকাৰে সেই অঞ্চলত দুটা মহকুমা স্থাপন কৰিছে। হস্পিতাল কৰিছে আৰু অন্যান্য কাৰ্যালয়ো কৰিছে, এই অঞ্চলবিলাক অসমৰেই পাৰ্ট; দিচপিউটেদ এৰিয়া। কংগ্ৰেছ চৰকাৰৰ দিনত যি বিভাগীয় মন্ত্ৰী আছিল তেওঁ একো কাম কৰা নাই। বৰ্ডাৰ উন্নয়নৰ বাবে যি টকা দিয়া হৈছিল একো কাম কৰা নাই। বৰ্ডাৰ উন্নয়নৰ বাবে যি টকা দিয়া হৈছিল সেইখিনিও হৰণ ভোগন হৈছে। বৰ্ডাৰ এৰিয়াৰ কোনো উন্নয়ন নহ'ল। অলপতে কলাজালত যিটো ঘটনা হ'ল সেই অঞ্চলটো মেৰাপানীৰ পৰা ৭ কিলোমিটাৰ দূৰত। সেই এলেকাত ৰাষ্টাৰ অৱস্থা অতি বেয়া; দলংবিলাক ভঙা। সেইখিনি ৰাষ্টা যাবলৈ ১ ঘণ্টা সময় লাগে। গতিকে এই ঠাইখিনিৰ ৰাষ্টা পদূলীৰ উন্নতি কৰাৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। তাৰোপৰি আন এটা ডাঙৰ কথা হৈছে যে, সেই অঞ্চলত অনৰৱতে ১৪৪ ধাৰা চলি থাকে। গতিকে মই ভাবো তেওঁলোকৰ মানৰ অধিকাৰ খৰ্ব কৰাৰ কাৰবাৰ কৰা হৈছে। গতিকে এই সম্পৰ্কত চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। বৰ্ডাৰ উন্নয়নৰ বাবে অন্যান্য যিবিলাক আঁচনি লোৱা কথা ঘোষণা কৰা হৈছিল সেইবিলাক বাস্তৱত ৰূপায়িত হোৱা নাই। আনকি বৰ্ডাৰত যি মেজিষ্ট্ৰেট আছে তেওঁৰ বাবে এখন গাড়ীও নাই। মই আশা কৰিছো আমাৰ চৰকাৰে নিশ্চয় এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিব। কংগ্ৰেছ চৰকাৰে যি সমস্যাৰ সৃষ্টি কৰিলে সেই সমস্যা সমাধান কৰাৰ বাবে আমাৰ চৰকাৰে কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰিব লাগিব। সেইদৰে অসম আৰু অৰুণাচল সীমান্তত যিবিলাক সমস্যাই দেখা দিছে মেঘালয়ৰ লগত যিবিলাক সমস্যা আছে সেই সকলো সমস্যাৰে সমাধান আমাৰ চৰকাৰে কৰিব লাগিব। ৰাজ্যপালৰ ভাষণতো

এই কথা প্ৰকাশ পাইছে। আমাৰ যি বৃহৎ ফৰেষ্ট লেণ্ড আছিল সেইবিলাক আজি বনাঞ্চলৰ ঠাইত জনাঞ্চল হৈছে। সেইবিলাক ৰেভিনিউ ভিলেজ কৰাৰ বাবে আমাৰ চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। মই আৰু বিশেষ নকও। ইয়াকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো। ধন্যবাদ।

Mr. Speaker : I now request Hon'ble Member Shri Holiram Terang.

* Shri Holiram Terang : Mr. Speaker, Sir, Hon'ble Governor Has given his address which has a policy declaration of the new Govt. Sir, the Governor has said that the new Govt. is approaching the problems and issues of the State in a new manner. After making his full speech, towards the end of his address he has stated that it is only a dream of what he has said and as a new philosphy which reflects the attitude and behaviour of the Govt. and coordinated effort and intergrated approach should be made towards it. Sir, the Governor has touched many of the issues and problems that Assam is facing today; basically it is said that many of the problems are rather basic problems of the State which are a legacy of the provious Govt. Sir, this is truth. The new Govt. has to inherit the economic issues and political situation created by the previous Govt. and law and order machinery almost become defunct. So in this situation we would fully co-ordinate and cooperate with the new Govt. properly by solving the problems of the State. Sir, I would like to point out a few things that the governor has made in his speech. Sir, in the paragraph in the governor's address that they will remain always in favour of providing to indigeneous tribal groups of population, the benefit of autonomy in the true sense. If that is so, I regret that sir, the Assam Govt. has not said anything new in of the governor regarding MOU between the Govt. and move of the organisations and nothing has been said about so-called autonomy given to the Tiwas, Bodos, Missing and Rabhas. So, I am surprised whether Govy. is

* Speech not corrected

thinking about the problems of the Hills people and the problems of the Bodos, Tiwas Missings and Rabhas which have been unsolved. The approach which has been made by the Govt. is casual and very unfortunate. Sir, the previous Govt. i.e. Cong.(I) Govt. have approached the problem because this was adopted through a resolution approving the MOU regarding the Hills problems and it was unanimous and at that time when I doubted of the success of the implementation of the accord and my doubt has become correct because of the failure of the MOU. I sincerely request the new Govt. to look into the matter with the same philosophy that the governor has made yesterday in the House, Sir, this is regarding the Autonomy of the people of Karbi Anglong and North Cachar Hills and regarding Bodos also sir, the Bodo Autonomous Council has been formed and Bodo people are demanding that there should be definite boundary and few more areas are to be included in the Bodo Autonomous Council. Also there was a demand for forming an Autonomous Council and for having minimum Autonomy. I hope the Govt. will look into it. Three other accords for three Autonomous Councils have been formed as we have said in the previous House and this Autonomy is nothing but farce. Sir, as is being demanded by the Rabhas, Missings and Tiwas this should be scrapped and discussion should be started with the Movement organisation. Sir, I welcome the declaration of the govt. that the Garos of the State and Karbis living in the plains of Assam should be given the status of the Scheduled Tribes and the Govt. will take up the matter with the Union Govt. But along with this I want to say about the Adhi-basi who are also demanding for inclusion as scheduled Tribes. We want the govt. to consider these cases also. The Govt. has said about the Koch Rajbonshis are to be included as scheduled Tribe population. The number of Scheduled Tribe population in the state, thus

has gone up and therefore there should be proportionate increase in the plan allocation and other benefits for the scheduled tribe people of the State. The reserve quota in the employment sectors should be increased. Sir, regarding insurgency problem the Govt. has made declaration, which I believe should be started by everyone. But sir, I am saying it is very unfortunate in one way because as the persistent demand have been made by everybody for withdrawal of Armed Forces (Special Powers) Act. from Assam but nothing has been said about it. Sir, the problem of insurgency cannot be approached through a single or conserted effort. First, congenial atmosphere should be created and Armed Forces (Special powers) Act. should be withdrawn. At the same time the ULFA, NSCN and Bodo Security Force out-fit will have to forsake violence and the should realise the facts that problems must be solved through a democratic way irrespective of whether they get.

Ideological difference or not. If the people of Assam want independence no force will be required to attain it and no force can deter or foil its goal. The ULFA and other insurgencts must be invited for discussion for political expediency; otherwise there will be no peace in Assam. The Govt. has mentioned about the ethnic violence in Kokrajhar District, this tragic incidence what we say is a combination of previous Govt. and their conspiracy. They should have been totally responsible for it. Sir, relief measures or posting security personnels would not be sufficient. In the presence of different political views; all party should be sitting together and discuss everything in detail. Sir, I believe that the Govt. has constituted a Judicial Enquiry into it and now I would like to say about financial problems of the state. The Govt. has said that they have to inherit the financial burden from the previous Govt. and the State does not have proper

---

* Speech not corrected

money for which the RBI has been imposing the ban on the Govt.. Now I request the Govt., What should be done to tide over the financial crisis/problems, to increase revenue sources. Approach will have to be made to release Rs. 65 crores to the Hills Districts sanctioned by the Central Govt. Which is kept un-utilised at Dispur. Sir, major portion of schemes are meant for Karbi Anglong and N.C. Hills districts. The major protion of the schemes are made for, have deprived of its benefits of the people of these two Districts.

Sir, I request once again that there should be consensus along with other commissions or investigation report, there should also be a Assembly Committee. Sir, regarding Industries, I welcome the move of the Govt. by forming a Advisory Committee headed by one noted Economist but at the same time I had some doubt about it, because I think some members are from Reliance Industries, some from Mac Neil and Magor Company. These are multi national companies. Reliance is one of the biggest company in India. Instead of taking representatives from Reliance group and from the MaCneil and Magor group which are the multi national companies, it would be more useful if the government should take representatives from the trade units. This is my humble submission to the Government. Sir, I expected something against the privatisation of industries. But here I find that government have said that everyone welcome privatisation of the power generation board. Sir, I remember in the last House we had a special discussion about the Karbi Langpi Project. All the members and all the political parties including the then AGP have demanded that privatisation of Karbi Langpi Project should be stopped. It should be given back to ASEB. Our demand is that since the MOU between the Subash Project Comany and the Govt. of Assam has been

* Speech not corrected

signed as per the announcement by the then Chief Minister. Now if the Govt. of Assam pleases then it can be given to the District Council. Sir, I do not like to deal with other points as mentioned by the Governor. The only thing is that what Governor has said in his speech is only king's new philosophy. It is an indication of a new philosophy institutionalising the works by the previous Government. So the new Government should be very careful regarding this. With this few words, Sir, I conclude my speech.

Mr. Speaker : Hon'ble Member Shri Derhagra Mochahary.

* শ্ৰীদেৰহাগ্ৰা মুছাহাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপালৰ ভাষণৰ ওপৰত মোৰ কেইষাৰমান ক'বলগীয়া আছে। ইয়াত ৰাজ্যপালৰ ভাষণত কেইটামান দৰকাৰী বস্তু থাকি গৈছে। গতিকে ৰাজ্যপালৰ ভাষণক মই সম্পূৰ্ণভাৱে সমৰ্থন কৰিব নোৱাৰো। কাৰণ পোনতে মই ক'বলৈ গৈছো আমাৰ বড়োলেণ্ড অটোনমাচ কাউন্সিল য'ত সমস্যাসমূহ বিগত চৰকাৰৰ দিনতে থাকি গ'ল। বি, এ, চি বড়োসকলে সপোন ৰাজ্য হিচাপেহে পালে। বিগত চৰকাৰৰ দিনত যেনেকুৱা ধৰণে বি, এ, চি দিলে তাৰ কোনো সীমা নাই আৰু সম্পূৰ্ণভাৱে শাসন ব্যৱস্থা একো নাই। যাৰ ফলত এই বি, এ, চিক লৈ বহুতো বাদানুবাদ চলিছে; পৰস্পৰৰ মাজত ভুল বুজাবুজিৰ সৃষ্টি হৈছে। আজি অসম বেঙ্গলৰ সীমান্ত অঞ্চলত শ্ৰীৰামপুৰ, বঙাইগাঁও, কোকৰাঝাৰ জিলাত গোষ্ঠীগত সংঘৰ্ষ হৈছে। এইবিলাক হোৱাৰ কাৰণ হ'ল বিগত চৰকাৰৰ দিনত সীমা নিৰ্দ্ধাৰণ নকৰাৰ ফলত আৰু শাসন নিয়াৰিকৈ নকৰাৰ ফলত। বি, এ, চি খন এতিয়া ওলমি আছে। তেনেকুৱাকৈ বি, এ, চি নিদিয়াকৈও থাকিব পাৰিলেহেঁতেন। ৰাজনৈতিক কু-চক্ৰান্তৰ হেঁচাৰ ফলত শ্ৰীৰামপুৰ অঞ্চলত বহুতো নিৰীহ জনসাধাৰণ নিহত হ'বলগীয়া হৈছে। গোটেই অসমৰ বিভিন্ন জনগোষ্ঠীয়ে ইয়াৰ কাৰণে কষ্ট ভুগীবলগীয়া হৈছে। অসম চৰকাৰৰ কোটি কোটি টকাৰ ধন ব্যয় কৰিবলগীয়া হৈছে। গোটেই অসমৰ চুকে কোণে থকা বিভিন্ন জনজাতীয় জনগোষ্ঠী সকলৰ কাৰণে ভাৰত স্বাধীন হোৱাৰ পিচৰপৰা যিকোনো চৰকাৰেই নাহক কিয় কোনো চৰকাৰেই জনজাতীয় সমস্যা বিবেচনা কৰা নাই। সেই কাৰণে আমি কৈছো যে ইনচাৰজেঞ্চি বহুত হৈছে। এন, এচ, চি, এন বা বি, এচ, এফৰ দৰে সংগঠনৰ

* Speech not corrected

সৃষ্টি হৈছে। বিদেশী সমস্যাৰ কাৰণে আলফাৰ সৃষ্টি হৈছিল। সেই কাৰণে মই ক'ব খোজো যে যেনেকুৱা ধৰণে আজি এই অস্থিৰ অৱস্থা, বিভিন্ন জনগোষ্ঠীৰ মাজত ভুল বুজা-বুজি সম্ভৱ হ'ল. কাৰণ কোকৰাঝাৰত বড়ো আৰু আদিবাসীৰ মাজত ভুল বুজা-বুজিৰ ফলত সংঘৰ্ষৰ সৃষ্টি হৈছে। যদি বৰ্তমানৰ চৰকাৰে এই ক্ষেত্ৰত বিশেষভাৱে চকু নাৰাখে, ভৱিষ্যতলৈ আৰু বেছি বেয়া হ'ব পাৰে। আমি জানিব পাৰিছো যে এই সংঘৰ্ষ অকল কোকৰাঝাৰতে সীমিত থকা নাই। ই অসমৰ বিভিন্ন অঞ্চলত সিঁচৰতি হৈ পৰিছে। সেই কাৰণে আজি নতুন চৰকাৰক দাবী কৰিছো কোকৰাঝাৰৰ গোষ্ঠীগত সংঘৰ্ষ কেইদিনমানৰ ভিতৰতে সামৰণি মাৰিব পাৰিব।

মাননীয় অধ্যক্ষ মহোদয়, ভিতৰি ভিতৰি কিন্তু এই জুই উমি উমি জ্বলি থাকিব। যদি চৰকাৰৰ ফালৰ পৰা বিবেচনা কৰি স্থায়ীভাৱে সমস্যা বিলাকৰ সমাধানৰ চেষ্টা নকৰে। ইয়াৰ লগতে ক'ব খোজো যে বি, এ, চিক যেনে ধৰণে ওলোমাই ৰখা হৈছে ঠিক তেনেকৈ কাৰ্বি আংলং আৰু এন, চি, হিল, চক ৰখা হৈছে। মোৰ অট'নমাচ দিয়াৰ কাৰণে বিগত চৰকাৰৰ দিনতে চুক্তিস্বাক্ষৰ কৰা হৈছিল। কিন্তু চুক্তি সম্পূৰ্ণ কৰা নহ'ল। সেই কাৰণে মই অনুৰোধ কৰিব বিচাৰিছো এই সমস্যাবিলাক সমাধান হ'ব লাগে, যিহেতু এই সমস্যাবিলাকৰ হৈ চুক্তি কৰা হৈছে এতিয়া কাম সমাধা হ'ব লাগিব। ইয়াৰ লগতে বিভিন্ন জনগোষ্ঠীক দিয়া অট'নমাচ কাউঞ্চিল যেনে লালুং সকলৰ কাৰণে দিয়া লালুং অট'নমাচ কাউঞ্চিল, ৰাভাসকলৰ কাৰণে ৰাভা অট'নমাচ কাউঞ্চিল আৰু মিচিং সকলৰ কাৰণে মিচিং অট'নমাচ কাউঞ্চিল দিয়া হৈছে। কিন্তু শাসন ব্যৱস্থা তেওঁলোকৰ হাতত গতাই দিয়াৰ ব্যৱস্থা কৰিব লাগে। যদি এইবিলাক কাম অতি সোনকালে নকৰে তেতিয়া হ'লে বিস্ফোৰণ ঘটিব পাৰে। ইয়াৰ লগতে ক'বলৈ বিচাৰিছো অসমৰ বিভিন্ন জনগোষ্ঠীক জনজাতি কৰা হৈছে। সেইবিলাক জনগোষ্ঠীৰ লোক অতিকৈ পিচপৰা। তেওঁলোকৰ আৰ্থ-সামাজিক উন্নয়ন কৰাৰ কাৰণে জনজাতীয় হিচাপে স্বীকৃতি দি তেওঁলোকক উন্নীত কৰাৰ কাৰণে চৰকাৰৰ হয়তো আঁচনি আছে। সেইবিলাক সম্পূৰ্ণ কৰাৰ কাৰণে বিহীত ব্যৱস্থা ল'ব লাগে। কোচ ৰাজবংশী সকলকো জনজাতি কৰণ কৰা হৈছে একেদৰে যি সকল শৰণীয়া কছাৰী লোক তেওঁলোক বড়ো ৰাভা জনগোষ্ঠীৰ লোক অন্য কোনো নহয়। সেই কাৰণে শৰণীয়া কছাৰী জনগোষ্ঠীক বিবেচনা কৰি জনজাতি স্বীকৃতি দিব লাগে। ইয়াৰ লগতে আদিবাসী লোকসকলে এতিয়াও পিচপৰি আছে।

* Speech not corrected

অসমৰ বাহিৰত তেওঁলোকক জনজাতীয় কৰা হৈছে। যিহেতু বিহাৰ, বেঙ্গল পাৰ হোৱাৰ পিচত অসমত জনজাতি হ'ব নোৱাৰে নেকি? সেই কাৰণে তেওঁলোকক জনজাতীয় কৰি উন্নতিৰ কাৰণে ব্যৱস্থা ল'ব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, মেলেৰীয়াৰ প্ৰকোপত বৰ্তমানে শ শ মানুহ আক্ৰান্ত হৈছে। তামুলপুৰত ১৯৮৪ চনত ৪০০ জন লোকৰ মৃত্যু হৈছিল। এই বছৰটো মেলেৰীয়াই যি ৰূপ ধাৰণ কৰিছে, বহুতো লোকৰ প্ৰাণহানি হ'ব পাৰে বিগত দিনত তামুলপুৰত মেলেৰীয়াই ভয়াবহ ৰূপ লৈছে। বিশেষকৈ ভিতৰুৱা অঞ্চলত যাতে ইয়াৰ প্ৰকোপ বেছি হ'ব নোৱাৰে তাৰ কাৰণে ডি ডি টি চতিৱাবলৈ আৰু সেই অঞ্চলত স্বাস্থ্যকেন্দ্ৰ আৰু ডাক্তৰ দিবলৈ কৈছিলো। কিন্তু বিগত চৰকাৰৰ দিনত তেনে কোনো আশানুৰূপ ফল পোৱা নগ'ল। তামুলপুৰত বহুতো মানুহৰ প্ৰাণহানি হ'ল। সেই কাৰণে কৈছো। জনজাতীয় সমস্যা সমস্যা হৈয়ে ৰ'ল, চৰকাৰৰ কোনো কানসাৰ নাই। সেই কাৰণে মই ক'ব বিচাৰিছো যে ভিতৰুৱা অঞ্চলবিলাকত ডাক্তৰ নাৰ্চ নিযুক্তি দিয়া হওঁক। চৰকাৰে তদন্ত কৰি চাওঁক সেইবিলাক অঞ্চললৈ ডাক্তৰ নাৰ্চ আদি গৈছে নে নাই। ডি ডি টিৰ কথা ক'বলৈ গ'লে– আজি কালিৰ ডি ডি টি ম'হ মাখিয়ে খায়। গতিকে দেখা গৈছে এনেকুৱা ডি ডি টিহে বিতৰণ কৰা হয়। চৰকাৰৰ মেলেৰীয়া নিবাৰণৰ নীতি এনেকুৱা নেকি? যিবিলাক অঞ্চলত ডাক্তৰ নাৰ্চ নিযুক্তি দিছে তেওঁলোকে তাত কাম নকৰে। ভিতৰুৱা অঞ্চলত নিয়োগ কৰিলে ওপৰত লাগি টাউন চহৰলৈ গুচি যায় বা গুৱাহাটীলৈ আহি নাৰ্চিংহোম খুলি কাম কৰে। ডাক্তৰে যি সেৱাৰ মনোভাবেৰে কাম কৰিব লাগে সেই মনোভাব নাই। সেয়েহে গাঁৱৰ মানুহে বিভিন্ন বেমাৰত আক্ৰান্ত হৈ মৰিছে। দেশৰ অৰ্থনৈতিক অৱস্থা যদি টনকীয়াল হ'ব লাগে, কৃষক ৰাইজক বাদ হ'ব নোৱাৰে।

মাননীয় অধ্যক্ষ মহোদয়, কৃষিজীৱী ৰাইজৰ সুবিধাৰ বাবে বিভিন্ন খেতিয়ক ৰাইজক যেনে ধৰণৰ সহায়-সহযোগ আগবঢ়াব লাগিছিল তেনে ধৰণৰ ব্যৱস্থা হাতত লোৱা আমি দেখা নাই। স্বাস্থ্যৰ প্ৰতি কোনো ব্যৱস্থা হাতত লোৱা নাই যাৰ ফলত আজি অসমখন আৰ্থিকভাৱে জুৰুলা হ'বলগা হৈছে। সেই কাৰণে ৰাজ্যপালৰ ভাষণৰ ওপৰত এই কথাখিনি ক'ব বিচাৰিছো যাতে নতুন চৰকাৰৰ দিনত ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত জাতি ধৰ্ম ভাষা বৰ্ণ নিৰ্বিশেষে সকলো জনগোষ্ঠীৰ উন্নতিকল্পে কাৰ্য্যকৰী ব্যৱস্থা হাতত লয় আৰু বিভিন্ন দিশৰ

* Speech not corrected

উন্নতিকল্পে বিশেষ চকু ৰাখে। লগতে দেশখনৰ ৰাজ্যখনৰ সৰ্বাঙ্গীন উন্নতিৰ হকে বিভিন্ন উন্নয়নমূলক কাম হাতত লয়। অধ্যক্ষ মহোদয়, মই দীঘলীয়া বক্তব্য ৰাখিব বিচৰা নাই কিন্তু ৰাজ্যখনত শান্তি-শৃংখলা ঠিকমতে ৰূপায়ণ কৰাৰ কাৰণে আজি ৰাজ্যখনৰ পুলিচ বাহিনীৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয় গতিকে পুলিচ বাহিনীৰ আজি যি চৰিত্ৰ হৈছে সেইটো আমোল পৰিবৰ্তন কৰিব লাগে আৰু চৰিত্ৰ সংশোধন কৰিব লাগে। তেওঁলোকৰ চৰিত্ৰ নিখুঁত হ'ব লাগে। বহু সময়ত আমি দেখিছো যি সময়ত ৰাস্তাৰে যাওঁতে ২ ঘণ্টা সময় লাগে সেই ৰাস্তাত অসংখ্য ট্ৰাকৰ লাইনৰ কাৰণে ৪/৫ ঘণ্টা সময় ৰৈ থাকিবলগীয়া হয়, বহু ক্ষেত্ৰত দেখা যায় যে পুলিচে সেই লাইনত ৰৈ ট্ৰাকবিলাকৰ পৰা পইচা আদায় কৰে। ৰাইজৰ সুবিধা বা ৰাইজৰ মঙ্গলৰ কথা চিন্তা কৰা এইবিলাকৰ ক্ষেত্ৰত তেওঁলোকৰ বিশেষ চকু নাই কেৱল কেনেকৈ দুপইচা ঘটিব সেইটোহে তেওঁলোকৰ কাম হৈছে। সেই কাৰণে মই অনুৰোধ কৰিব বিচাৰিছো এই পুলিচ বাহিনী যি ৰাজ্যখনত শান্তি স্থাপন কৰাৰ কাৰণে দায়িত্ব বহন কৰে সেই দায়িত্ব যাতে সুচাৰুৰূপে পালন কৰিব পাৰে আৰু তেওঁলোকৰ চৰিত্ৰ যাতে নিখুঁত হয় সেই দিশত বিশেষ ধ্যান দিব লাগে। পুলিচ বাহিনীৰ ওপৰত যাতে ৰাইজৰ আস্থা সম্পূৰ্ণভাৱে প্ৰতিফলিত হয় তাৰ কাৰণে চেষ্টা কৰিব লাগে। মুঠতে ৰাজ্যখনৰ সামগ্ৰীক উন্নতিৰ ক্ষেত্ৰত নতুন চৰকাৰে যাতে দৃঢ় পদক্ষেপ হাতত লয় তাকে অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্য বিমলাংশু ৰয়ে ক'ব।

* Shri Bimolangshu Roy : Hon'ble Speaker Sir, While thanking you for the opportunity given to me for taking part in the discussion on the Governor's Address I would like to say a few words though we do not fully agree with the address given by the Hon'ble Governor but we do not also oppose it at this juncture. We want that the AGP Government who has been voted to power will look into the hopes and aspiration of the people of the State and will complete its full term in office and we assure the Govt. our ful help and cooperation and request the Government to treat different parts of Assam equally and no part of the State should be discriminated.

* Speech not corrected

Because of such discrimination of the Sucessive Govts, in Barak Valley also separalist organisation like UTDC has been gaining ground so we request the Government to treat the Barak Valley also equally along with the rest of Assam.

In the matter of appointment of teachers, Government has decided to tasks the erring officers to takes for irregular appointment and corrupt practices. You know that in 1992 in response to an advertisement, about 7606 stipendary teachers were appointed on ad-hoc pay of Rs. 900/- per month on condition that after successful completion of Junior Basic Training they would be given full scale of pay and in persuance of that assurance about 1600 teachers have been given scale of pay but the remaining teachers who have also successfully completed their training have not yet been given scale of pay though teachers are regularly agitating for the same. But to our utter surprise we found that all of a sudden on 13.1.94 ad-hoc appointment have been given to 149 persons with full scale of pay and that too without any advertisement, interview and above all without any basic training , depriving the case of about 5000 stipendary teachers of the State. Stipendary teachers now demand justice and this I mention because of the Government has assured to look into all cases of corruption and irregularties. Further, in the State, posts of about 350 Head Masters and Principals are lying vacant and incharge Head Masters/Principals are functioning for 3-4 years. In these days of unemployment schools are managed by incharge teachers and incharge Principals. In the interest of these institutions regular Head-Masters/Principals are to be appointed.

Sir, I am happy that the Government has assured for better development of health care for the people of the state but I am to say that Governor in his speech is silent about the

three Medical Colleges which are not upto the mark if judged with the standard of other colleges in India especially with the North and South. Though the Silchar Medical College was started along with the Guwahati Medical College; but the condition of the Silchar Medical College is far more worse. The College was started in 1960 and has also observed its Silver Jubilee Celebration but the college is being threatened with recognition by the Indian Medical Council since 1992 for many deficiencies. It is good luck of the previous Government that it has not been derecognised during their tenure but the people will not spare us if it so happened during tenure of our Government. Govt. has assured good health care but in the Medical College when we could not provide the patients even with bed sheets, pillow, mosquito nets, lights, fan bandages etc.

The question of supplying medicine is thus nothing but a day dreaming for the patients in the Medical College. The supplying of medicine to the patients should be regularised, life savings medicines are also not available. These things should be made available to the patients. About 50 posts of professors, Associate Professors, Demonstrators are lying vacant since long in Silchar Medical College & Hospitals. Even the post of Secretary is lying vacant whereas as per rule about 400 nurses are required for Silchar Medical College & Hospital or for any Medical College. The present strength of nurse in Silchar Medical College is only about 90. And for want of building the S.P.M. and Pharmacology Department are still functioning in Boy's Hostel of Silchar Medical College & Hospital. About one crore rupees Cobalt X-Ray machine is getting damaged and its services cannot be utilised for want of required building. Such is the maribund condition of Silchar Medical College and Hospital. So while considering question of "health for all", I request the present Government

to give special attention to all three medical colleges and more particularly the Silchar Medical College & Hospital.

We are happy that the Governor's speech is not silent about power problem but we are sorry this speech is silent about the various ongoing projects and more particularly about four gas turbine projects. We are particularly concerned about Adomtilla and Baskandi Projects which were to be commissioned long back. We request the Government to take special care in this regard because Barak Valley is not getting even half of its required supply of 40 M/Wts and normal life has been completely paralysed in the Barak Valley for unbearable loadshadding.

We are happy that the Government has expressed concern about soaring price rise and assured to take suitable steps for steady movements of foodstuff and other essential commodities to this region but we are sorry that the Governor's speech is silent about riverant movement. FCI articles meant for Mizoram and Tripura are brought through rivers and this is done through Barak Valley. But Assam quota meant for Barak Valley is not so taken by the FCI brings the Mizoram and Tripura quota through river which is a good mode of communication, so I request our Government to pressurise the FCI authority to send rice, sugar, wheat etc. to Barak Valley through river and also other parts of Assam. Because this type of communication is less expensive and will also help steady movement of foodstuff.

While congratulating the Government for declaration to hold Zila Parisad Election within a year, I would like to remind the government that the Municipal Election in Silchar has not been held since 1979. The election was twice declared and twice suspended, even High Court's orders could not yield any results. Municipal elections in other towns of

the State which were also suspended should also be held along with Silchar Municipal election immediately to restore democracy.

I am thankful to the Government for its consciousness providing drinking water facilities throughout the State. Here I would like to remind the Government that one-third population of Silchar, which is the second largest city in the State is yet to be covered by a water treatment plant and construction of a treatment plant in new Silchar area is an immediate necessity. Here I would like to remind that an estimate in this regard was prepared during the period of previous Government. But nothing has been done so far, though there is a branch of Town and Country Planning Department in Silchar to look into the development of town preparation of Master Plan, Sewerage etc. But there is no official in the T&CP branch at Silchar. And in the absence of the Staff no master plan has been made. The sewerage system in the Guwahati is in deplorable condition. The sewerage system in Silchar town is also in deplorable condition. So I request the Government to take immediate steps to activate the Town and Country Planning Department.

Serious concern has been expressed about law and order, insurgency, ethnic violence etc. but nothing has been spoken about eradicating the problems caused due to opening of rampant foreign liquor shops and menace of ending lotteries which is shattering the very fabric of our society. Nexus between corrupt politicians and antisocials have also been overlooked.

The metregauge railway line from Guwahati to Silchar is required to be restored pending construction of Broad-Gauge line. The State Government should exert its influence on the Railway authority in this regard.

I am also thankful to the Government as the Government has decided to take various development and welfare measures of Indian citizen living in Char areas. The previous Government also took such measures but nothing has been done in this regard in Barak Valley. In Silchar alone, in different Char areas about 25,000 Scheduled Caste people mostly rickshaw pullers, daily wage earners reside for more than 30/40 years but they have been deprived of all civic amenities. Not a single patta has been issued to them till today, While implementing the developmental scheme Government should also consider the plight of these hapless people.

We hope that the hopes and aspirations of the people of Barak Valley will be fulfilled and we request our seniors to guide us in our day to day work. And with these few words I conclude.

মাননীয় অধ্যক্ষ ঃ মাননীয় দিলেশ্বৰ তাঁতী।

* শ্ৰীদিলেশ্বৰ তাঁতী ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপাল মহোদয়ৰ ভাষণত জনগোষ্ঠীসমূহৰ বিষয়ে যি কথা উল্লেখ কৰা হৈছে তাত কোৱা হৈছে যে জনগোষ্ঠীসমূহক স্বায়ত্ত শাসন প্ৰদান কৰাৰ ক্ষেত্ৰত সন্মুখীন হোৱা সমস্যাৱলী দূৰ কৰিবৰ বাবে সংশ্লিষ্ট গোষ্ঠীসমূহৰ লগত মুকলি মনেৰে আলাপ আলোচনা কৰি চৰকাৰে বাস্তৱ সন্মত স্পষ্ট কাৰ্য্যকৰীপন্থা উদ্ভাৱন কৰিব। ৰাজ্যখনৰ কোচ ৰাজবংশীসকলক অনুসূচীত জনজাতিৰ তালিকাভুক্ত কৰাৰ কথা উল্লেখ কৰিছে। সেই অনুপাতে যিখিনি অৰ্থনৈতিক আৱণ্টনৰ দৰ্কাৰ হ'ব সেই সম্পৰ্কে বিবেচনা কৰিব বুলি কৈছে। কিন্তু অসমৰ অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক ভিত্তিত বিভিন্ন দিশত অৱহেলিত হৈ থকা স্বাধীনতাৰ ৪০ বছৰ পিচতো এনেকুৱা জনগোষ্ঠী আছে এইটোৰ পলিচি কি হ'ব ৰাজ্যপাল মহোদয়ৰ ভাষণত উল্লেখ কৰা নহ'ল বাবে কিছু কথা ক'বলৈ আগবাঢ়িছো।

---

* Speech not corrected

## ANNOUNCEMENT FROM THE CHAIR

মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্য, আপুনি পিচত কৰা।

Here is an announcement. I am to inform the august House that I have received a petition from the Hon'ble Shri Ali Akbar Miah belonging to All India Indira Congress (Tewari) informing me that there is a split in the original political party of All India Indira Congress (Tewari) in Assam. He has also informed me that the general meeting of the All India Indira Congress (Tewari) Assam Unit held on 16.5.96 by a resolution approved the split of the party in the Assam Unit. I have also received a copy of the order of the president of the Asom Gana Parishad Party, a political party admitting him in the Asom Gana Parishad and its Legislature Party.

I have considered the petition of Shri Ali Akbar Miah, a member belonging to All India Indira Congress (Tewari) in Assam and found that there was a split in the All India Indira Congress (Tewari) political party in Assam. I have also carefully considered the resolution of the general meeting of the All India Indira Congress (Tewari) in Assam held on 16.5.96 approving the split of the All India Indira Congress (Tewari), a political party.

I have also carefully examined the sprit of paragraph 3 of the Tenth Schedule to the constitution of India for a split in a political party. The All India Indira Congress (Tewari) has two Members in the Assam Legislative Assembly. It appears that a member of the House belonging to the All Indira Congress (Tewari) party has made a claim that he has constituted a group representing a fraction which has arisen as a result of the split in the political party and such group consists of not less that one third of the Members of the Legislature Party as the All India Indira Congress (Tewari) party has two members in the Assam legislative Assembly.

Having been satisfied with the considerations required for a split as stipulated under Paragraph 3 of the Tenth schedule to the Constitution of India and in accordance with the provisions of the Members of the Assam Legislative Assembly (Disqualification on Grounds of Defection) Rules, 1986, I hereby decide and order that Shri Ali Akbar Miah belonging to All India Indira Congress (Tewari) party in Assam has joined the Asom Gana Parishad legislature party in Assam Legislative Assembly from 20th May, 1996 and he has become a member of the political party, the Asom Gana Parishad, shall be deemed to be the political party to which he belong from the aforesaid date for the purpose of sub-rule (I) of Paragraph 2 of the Tenth Schedule to the constitution and to be his own political party for the purpose of Paragraph 3 of the Tenth Schedule to the Constitution of India.

Henceforth, Shri Ali Akbar Miah shall be known as a member belonging to Asom Gana Parishad and its Legislature Party.

Here is an another announcement :

I have to inform the August House that I have received a letter from Shri Darhagra Mochahary, an independent Member in the Assam Legislative Assembly informing me that six independent members viz. (1) Shri Derhagra Mochahary, (2) Shri Andrias Hajoary, (3) Shri Deva Kanta Ramchiary, (4) Shri Mohini Basumatary, (5) Shri Kumud Ch. Das and (6) Shri Jogmohan Basumatary of the Assam Legislative Assembly have informed a Legislature Group viz. the People's Democratic Front Legislature Group for functioning as a Group in and outside the House.

They have elected Shri Derhagra Mochahary, MLA as Leader of the people's Democratic Front Legislature Group; Shri Andrias Hajoary, MLA as Deputy Leader, Shri Mohini

Basumaraty, MLA as Secretary and Shri Kumud Ch. Das, MLA as Treasurer of the People's Democratic Front Legislature Group.

(The time is extended for a few minutes with the consent of the House) I have examined the rules of recognition and facilities to a Legislature Party and Group issued under the direction by the Speaker, Assam Legislative Assembly (Second Edition, 1987) and found that the said Members formed a group for the purpose of functioning unitedly with distinct idology and programme of work in the House. They have also, by a resolution, informed me that the People's Democratic Front has distinct ideology and programme. It has own organisation both inside and outside the House and as a strength of six Members.

In pursuance of the fulfilment of the said directions for recognition and facilities to a Legislature Group, I hereby decide and recognise these Independent Members to function in and outside the House as People's Democratic Front Legislature Group. The recognition to the People's Democratic Front Legislature Group will be effective from 12th June, 1996.

I would also like to inform the House that Shri Derhagra Mochahary, Leader of the People's Democratic Legislature Group in the Assam Legislative Assembly informed me by a letter written under his pad that people's Democratic Front Legislature Group will extend unconditional and full suport to the Asom Gana Parishad Government of Assam headed by Sri Prafulla Kumar Mahanta as the Chief Minister of Assam along with one M.P. Shri Islary in and outside the House.

The House is adjourned till 3.00 P.M. to-day.

The House re-assembled again in the afternoon (3.00 P.M.) on 14.6.96 with Hon'ble Speaker in the Chair.

Mr. Speaker : Mr Dileswar Tanti to continue.

* শ্ৰীদিলেশ্বৰ তাঁতী ঃ মাননীয় অধ্যক্ষ মহোদয়, মহামান্য ৰাজ্যপালৰ ভাষণত অসমৰ জনগোষ্ঠী সম্পৰ্কে তেখেতসকলৰ সংৰক্ষণ, উন্নয়ন বা সাংস্কৃতিক দিশত বা অন্যান্য কাৰণত কিছু আঁচনি - লোৱাৰ কথা ইয়াত উল্লেখ কৰিছে। কিন্তু আজিলৈকে অসমৰ পিচপৰা চাহ জনগোষ্ঠীৰ লগতে অসমৰ মটক, মৰাণ আৰু আহোম সকলৰ আশা-আকাঙ্খাৰ ক্ষেত্ৰত বিশেষ কোনো উল্লেখ কৰা দেখা নগ'ল কাৰণ মই এই সংশোধনী আনিছো। মাননীয় অধ্যক্ষ মহোদয় আমি সকলোৱে জানো যে আহোম সকল ইতিহাসত এটা ডাঙৰ অধ্যায়। আহোম সকলে প্ৰায় ৬০০ বছৰ কাল অসমত ৰাজত্ব কৰিছিল। তেখেত সকলৰ টাই ভাষা, সংস্কৃতি সংৰক্ষণ আৰু ইতিহাসত যিবিলাক ৰংঘৰ কাৰেংঘৰ, পুখুৰী, গৌৰী সাগৰ ইত্যাদি সংৰক্ষণ আৰু তেখেত সকলে আজি কিছু দিনৰ পৰা জনগোষ্ঠী তালিকাত অন্তৰ্ভুক্ত কৰাৰ কাৰণে সময়ে সময়ে দাবী উত্থাপন কৰি আহিছে। অসম চৰকাৰেও কেন্দ্ৰীয় চৰকাৰৰ ওচৰত ৰিকমেণ্ডেচন কৰি পঠাইছে। তিনিচুকীয়াত থকা সৰ্বানন্দ সিংহ নামৰ ঠাইত মটক, মৰাণ সকলৰ ৰাজধানী আছিল। বেংমৰা পুখুৰী পৌৰাণিক কৃষ্টি সংস্কৃতি আদি যিবিলাক কৃতি চিহ্ন আছে, সত্ৰ আছে সেইবিলাক সংৰক্ষণৰ কাৰণে ব্যৱস্থা ল'ব লাগে। তেখেত সকল আৰু চাহ জনগোষ্ঠী সকল শিক্ষা-দীক্ষা আদিত বহুত পিচপৰি আছে। অসমৰ প্ৰাক্তন চাহ জনগোষ্ঠী সকল আজিৰ পৰা প্ৰায় ১০০, ১৫০ বছৰ আগতে বৃটিছৰ দিনত ১৮৫৯ চনত অসমলৈ আহিছিল। তাৰোপৰি জনজাতি সকল বিহাৰ, উৰিষ্যা, অন্ধ্ৰপ্ৰদেশ, পশ্চিমবঙ্গৰ পৰা আহিছিল সেই সকলক জনজাতিৰ তালিকাত অন্তৰ্ভুক্ত কৰা হৈছে আৰু স্বীকৃতিও দিয়া হৈছে। তেখেত সকলৰ অৰ্থনৈতিক অৱস্থা অধ্যয়নৰ কাৰণে দেবৰ, টাঙাৰ কমিশ্বন আহিছিল। চাহ বাগিচাৰ মানুহখিনিৰ অৰ্থনৈতিক, সাংস্কৃতিক আৰু শিক্ষাৰ ক্ষেত্ৰত অৱহেলিত হৈ আছে। এই মানুহখিনিক জনজাতিৰ তালিকাত অন্তৰ্ভুক্ত কৰি তেখেত সকলৰ সাংবিধানিক সা-সুবিধাখিনি দি সকলো ক্ষেত্ৰতে আগুৱাই নিবৰ কাৰণে পৰামৰ্শ দিয়া হৈছিল। আমাৰে দুৰ্ভাগ্য চাহ জনগোষ্ঠী সকলক জনজাতিৰ তালিকাত অন্তৰ্ভুক্ত কৰিলে ভৱিষ্যতে অসমৰ ৰাজনৈতিক কাৰণত শিক্ষাৰ বিস্তাৰ হ'ব। সেয়েহে জনজাতিৰ তালিকাত অন্তৰ্ভুক্ত কৰাৰ কাৰণে ৰিকমেণ্ডেচন কৰা নাছিল। আমাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী শ্ৰীশৰৎ চন্দ্ৰ সিংহ ডাঙৰীয়াৰ দিনত অসমৰ বিভিন্ন জনগোষ্ঠী চাওতাল, মুণ্ডা আদি ৭ টা জনগোষ্ঠী লোকক অনুসূচীত জনজাতি হিচাপে অন্তৰ্ভুক্ত কৰাৰ কাৰণে অসম চৰকাৰে

* Speech not corrected

অনুমোদন আগবঢ়াইছিল। তৎসত্ত্বেও আজিলৈকে অন্তৰ্ভুক্ত কৰা নহ'ল। ১৯৫৮ চনত অসমত জনজাতি ছাত্ৰসন্থা এটা গঠন হৈছে। তাৰ পৰা চাহ জনজাতি ছাত্ৰসন্থা, চাহ জনজাতি মজদুৰ সংঘ, যুৱ ছাত্ৰ পৰিষদ আদি বিভিন্ন সংগঠন আছে। তেওঁলোকে বিভিন্ন সময়ত দাবী উত্থাপন কৰি আহিছে। অসম বিধান সভাৰ সদস্য হিচাপে আমি দিল্লীত গৈ প্ৰধানমন্ত্ৰীক লগ ধৰি মেমোৰেণ্ডাম দি আহিছো। অসম চৰকাৰে যোৱা মে মাহ নে মে মাহৰ আগতে হোৱা কেবিনেট মিটিঙত মটক আহোম চাহ জনজাতি প্ৰাক্তন চাহ জনজাতি কোচ ৰাজবংশীক অনুসূচীত জাতিত অন্তৰ্ভুক্ত কৰিবলৈ ৰিকমেণ্ডেচন পঠাইছে। ইতিমধ্যে কোচ ৰাজবংশী সকলক ভাৰত চৰকাৰে অৰ্ডিনেঞ্চ কৰি জনজাতি হিচাপে ঘোষণা কৰিছে। অৰ্ডিনেঞ্চখন পাৰ্লিয়ামেণ্টত পৰি আছে। আমাৰ অসম চৰকাৰৰ বিশেষ দায়িত্ব আছে, সেই অৰ্ডিনেঞ্চখন বিল আকাৰে পাৰ্লিয়ামেণ্টত পাচ কৰাৰ ব্যৱস্থা কৰিব লাগে। এই মটক, মৰাণ, আহোম, চাহ জনজাতি, প্ৰাক্তন চাহ জনজাতি আদি সকলক জনজাতিৰ অন্তৰ্ভুক্ত কৰাৰ ব্যৱস্থা নহ'লে অদূৰ ভৱিষ্যতে আন্দোলন আদি হৈ অসমৰ বাতাৱৰণ বেয়া হোৱাৰ আশংকা আছে। আমাৰ চাহ জনজাতিৰ লোক সকল এনেভাৱে অৱহেলিত হৈ আছে যে স্বাধীনোত্তৰ কালৰ যোৱা ৪০ বছৰৰ পিছতো চাহ জনজাতিৰ এজন আই, এ, এচ, অফিচাৰ, এজন এ, চি, এচ, অফিচাৰ নাই আন নালাগে এজন এচ, ডি, চি, মণ্ডল, কাননগো নাই, এজন পুলিচ বিষয়া নাই আনকি থানাৰ অ' চি, এচ আই পৰ্যন্ত নাই। গতিকে এই পিচপৰা লোক সকলৰ উন্নয়নৰ বাবে চৰকাৰে বিশেষ ব্যৱস্থা ল'ব লাগে। অধ্যক্ষ মহোদয়, অৱশ্যে ৰাজ্যপালৰ ভাষণত চাহ জনগোষ্ঠীৰ কল্যানৰ বাবে অনতিপলমে এক ব্যাপক আঁচনি হাতত লোৱা হ'ব আৰু তেনে আঁচনিত চাহ বাগিচাৰ মালিক সকলৰ সহযোগ বিচাৰিব। ইয়াৰ পৰা এইটো বুজা গৈছে যে চাহ জনগোষ্ঠীৰ উন্নযনৰ কাম চাহ বাগিচাৰ মালিক সকলেহে কৰিব লাগে। তাত অসম চৰকাৰৰ কোনো যে দায়িত্ব নাই। আমাৰ অসমত চাহ জনগোষ্ঠীৰ ৪০ লাখ মান মানুহ আছে। অসমত এনে এখন জিলা নাই য'ত চাহ বাগিচা নাই বা চাহজনগোষ্ঠীৰ মানুহ নাই। কিন্তু এই লোক সকলৰ প্ৰতি অসম চৰকাৰৰ কোনো দায়িত্ব নাই। এওঁলোকক ঘৰ দিছে চাহ বাগিচাৰ মালিকে, পানী দিছে চাহ বাগিচাৰ মালিকে, হস্পিতাল, ডাক্তৰ নাই, ঔষধ, ল'ৰা-ছোৱালী পঢ়িবলৈ স্কুল, খেলা-ধূলা কৰিবলৈ খেল পথাৰৰ ব্যৱস্থা সকলো চাহ বাগিচাৰ মালিক সকলৰ ওপৰতেই ন্যস্ত কৰিছে। যিখন লেবাৰ এক্ট আছে সেই এক্টখনে চাহ বাগিচাৰ

মালিক সকলৰ ওপৰতেই সকলো ন্যস্ত কৰিছে। অসম চৰকাৰে বাজেটত হাজাৰ হাজাৰ টকাৰ যি ব্যৱস্থা কৰে তাৰ এক পইচাও এই লোকসকলে নাপায়। বিগত চৰকাৰে চাহ জনগোষ্ঠীৰ কল্যাণৰ বাবে পঞ্চায়তৰ যোগেদি ব্লক, ডি, আৰ, ডি, এ কৰি কাম কৰাৰ সুবিধা লৈছিল যদিও, চাহ বাগিচাৰ মাটি প্ৰাইভেট কোম্পানীৰ মাটি, গতিকে বাগিচাৰ মালিকে অনুমতি নিদিয়াৰ কাৰণে সেই সুবিধাও ল'ব পৰা নাই। গতিকে আমাৰ প্ৰয়াত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া দেৱে এটা টি সঞ্চালকালয় খুলিছিল। কিন্তু দুৰ্ভাগ্যৰ বিষয় সেই সঞ্চালকালয়ে যিখিনি টকা পাই সেয়া তেনেই কম, মাত্ৰ ৭০ লাখ মান টকা পাই আৰু তাৰে ৩০ লাখ মান বাকী থকা ৪০ লাখ টকাৰে কৰবাত ২/৩ হাজাৰকৈ টকা বিতৰণ কৰাৰ বাহিৰে একো কামত নাহে। চাহ জনগোষ্ঠীৰ যুবক-যুবতী সকলৰ বাবে ক্লাব, লাইব্ৰেৰী আদিতেই এই টকা খৰচ হয়। আমাৰ যিকেইটা, চিডুলকাষ্ট ডেভেলপমেণ্ট কৰ্পোৰেচন, চিডুল ট্ৰাইব ডেভেলপমেণ্ট কৰ্পোৰেচন আৰু নতুনকৈ হোৱা মাইনৰিটি ডেভেলপমেণ্ট ৫ কোটি মানকৈ টকা দিয়া হয়। কিন্তু চাহ সঞ্চালকালয়ক মাত্ৰ এক কোটি মানো যদি টকা দিলেহেতেঁন, তেতিয়া বহুখিনি কল্যানৰ কাম হ'লহেঁতেন। আমাৰ অসম চৰকাৰৰ এটা লেবাৰ বিভাগ আছে। এই বিভাগটোৰ কাম-কাজো লেবাৰ সংক্ৰান্তীয় কাম-কাজতে ন্যস্ত আৰু এই বিভাগৰ কাম-কাজো দুখজনক।

কিন্তু আমি দেখিছো শ্ৰম বিভাগৰ অৱস্থা দুৰ্ভাগ্যজনক। ১৯৬০ চন মানত লেবাৰ অফিচ বিলাকক কিছু গাড়ীৰ যোগান দিয়া হৈছিল। আজি অফিচ বিলাক ভাড়া ঘৰত আছে। সেই কাৰণে বিভাগে কাৰ্য্যকৰীভাবে কাম কৰিব পৰা নাই। এই সম্পৰ্কত চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত মালিক পক্ষৰ আৰ ট্ৰেড ইউনিয়নৰ আলাপ-আলোচনা হৈছিল। নিম্নতম ১৫ লাখ টকা দিয়াৰ সিদ্ধান্ত হৈছিল। আমি সেই ১৫ লাখ টকা কোনোপধ্যেই নিদিলো। অসমৰ চাহ জনগোষ্ঠীৰ কল্যাণ কৰিবৰ কাৰণে ৮৪০ খন চাহ বাগিচাৰ জনকল্যাণমূলক কাম সঠিকভাবে চোৱা-চিতা কৰাত যথেষ্ট অসুবিধা আছে। ৰাজ্যপালৰ ভাষণৰ বিতৰ্কত অংশ গ্ৰহণ কৰা ২-৪ জন বক্তাই বক্তব্য ৰাখিছে যে দেশৰ আইন শৃংখলা পৰিস্থিতিত মানুহক কুকুৰ-মেকুৰীৰ দৰে হত্যা কৰা হৈছে। মানুহৰ জীৱনৰ নিৰাপত্তা নাই। বিধায়ক সকলে চিকিউৰিটি লৈ ফুৰিব লগা হৈছে। ঘৰত হাউচ গাৰ্ড, পি, এচ, অ, ল'ব লগা হৈছে। এ জি পি কেনেকৈ আছে নাজানো। গণতন্ত্ৰৰ ধ্বজাবাহী দেশখনত

বিধায়কৰ নিৰাপত্তা নাই। কংগ্ৰেছে কৰিছে এই কথাটো কʼব বিচাৰিছে। মই ১৯৭৮ চনৰ পৰা বিধায়ক হৈ ৫ম বাৰলৈ নিৰ্বাচিত হৈ আহিছো। ১৯৮৩ চনৰ আগলৈকে বিধায়কে পি, এচ, অ, আৰু হাউচ গাৰ্ড লʼব লগা অৱস্থা নাছিল। এই বন্দুক সংস্কৃতি নাগৰিকৰ আন্দোলন আৰম্ভ কৰিছিল। তাৰ পিচত আলফাৰ সৃষ্টি হʼল আৰু বন্দুক সংস্কৃতি আহিল। সেইখিনি তেতিয়াৰ পৰা হʼল। আগতে বিধায়কৰ এই অৱস্থা নাছিল। অকল কংগ্ৰেছে কৰিছে এইটো নহয়। লাখ লাখ বিদেশী আছে বুলি আছুৱে আন্দোলন আৰম্ভ কৰিছে। মঙ্গলদৈ সংসদী সমষ্টিত নিৰ্বাচন হʼব লগা অৱস্থাত শ্ৰীদুলাল বৰুৱা আৰু গোলাপ বৰবৰা মন্ত্ৰী আছিল। সেই সময়ত ভোটাৰ তালিকা লিষ্ট সংশোধনৰ কথা আহিল আৰু ৪০ লাখ বিদেশী আছে বুলি কʼলে। তেতিয়া আপোনালোক বিশ্ববিদ্যালয়ৰ ছাত্ৰ নেতা আছিল। মঙ্গলদৈত ৪০ হাজাৰ বিদেশী আছে বুলি ধৰি হিচাপ কৰা হʼল। তেতিয়াই বোধকৰো এচাম শিক্ষিত যুৱক-যুৱতীয়ে বন্দুক হাতত তুলি লʼবলৈ বাধ্য হʼল। আলফাৰ সৃষ্টি হʼল। কংগ্ৰেছ অকল দায়ী বুলি কʼলে নহʼব। আপোনালোকো আংশিকভাবে দায়ী। ইজনে সিজনক বোকা চটিওৱা কাৰ্য কৰিলে সমস্যা সমাধান নহʼব। যদি কেৱল মাত্ৰ কংগ্ৰেছক দোষ দি থাকে তেন্তে ই উচিত নহʼব। অদূৰ ভৱিষ্যতে আমি ভয়াবহ অৱস্থালৈ গতি কৰিম। নিৰ্বাচন হোৱাৰ পিচত কংগ্ৰেছ কৰ্মীৰ ওপৰত আক্ৰমণ চলিছে। নিৰ্বাচনৰ সময়ত হত্যা কৰা হৈছে। কংগ্ৰেছ কৰ্মী আজি ঘৰত থাকিব পৰা অৱস্থা নাই। এই ক্ষেত্ৰত ব্যৱস্থা লʼবলৈ আহ্বান জনালো। ১৫ দিনৰ ভিতৰত বে-আইনী অস্ত্ৰ-শস্ত্ৰ জমা দিয়াৰ ক্ষেত্ৰত দৃঢ় ব্যৱস্থা লোৱাৰ কামনা কৰিলো। যাতে শান্ত পৰিবেশলৈ ঘূৰি আহি শান্তিত জীৱন-যাপন কৰিব পাৰে। এইখিনিয়ে ৰাজ্যপালৰ ভাষণৰ ওপৰত সংশোধনী প্ৰস্তাৱত বক্তব্য ৰাখিছিলো।

Mr. Speaker : During the course of participation in the debates on Governor's Address by Dr. Ardhendu Kumar Dey and the speech he made , I have given a ruling to expunge a portion of his speech relating to Secretary of the Assembly and direction to this Chair. It is clarified that only this portion of his speech is expunged.

Now I request Hon'ble Sri Brindaban Goswami to deliver his speech.

*শ্ৰীবৃন্দাবন গোস্বামী ঃ অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত অনা ধন্যবাদসূচক প্ৰস্তাৱ সমৰ্থন কৰি মই ক'ব বিচাৰিছো যে সদ্য গঠিত আমাৰ চৰকাৰৰ দ্বাৰা কেনেভাবে পৰিচালনা কৰিব বিচাৰিছে তাৰ নীতি ৰাজ্যপালৰ ভাষণত ঘোষণা কৰিছে। ৰাজ্যখনত যিটো পৰিস্থিতিত চৰকাৰে দায়িত্ব গ্ৰহণ কৰিছে সেই সময়ৰ শোচনীয় আইন শৃংখলাৰ বিষয়ে ঘোষণা কৰি গৈছে। আইন শৃংখলাৰ অৱনতি ঘটা সম্পৰ্কত চৰকাৰে ৰাজ্যপালৰ ভাষণৰ যোগেদি ঘোষণা কৰিছে। জনসাধাৰণৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা দিয়াৰ দায়িত্ব পালন কৰিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। ৰাজ্যখনত যাতে হিংসাত্মক ঘটনা ঘটিব নোৱাৰে তাৰ বাবে ইতিমধ্যে ব্যৱস্থা লৈছে। স্বাভাৱিক জীৱন যাপনৰ পৰিবেশ ঘূৰাই অনাত অগ্ৰাধিকাৰ প্ৰদান কৰিছে। আইন শৃংখলাৰ পৰিস্থিতি চম্ভালিবৰ বাবে প্ৰশাসনীয় নিৰ্দেশ দিয়া হৈছে। নীতি ঘোষণাৰ পিচত জনসাধাৰণৰ মনলৈ যথেষ্ট আস্থাৰ ভাব ঘূৰাই আনিব। শ্ৰীতাতীয়ে কৈছে বোকা চটিওৱা ঠিক নহয়। সমস্যা সমাধানৰ কাৰণে অতীত বিশ্লেষণ কৰাৰ প্ৰয়োজন আছে এ জি পিৰ ওপৰত ৰাজনৈতিক আক্ৰমণ চলিছে। তাৰ বাবে পুলিচক ব্যৱহাৰ কৰা হৈছে। লামডিঙত এজিপি সদস্যক হত্যা কৰা হৈছে। যোৱা পাঁচটা বছৰত শেফালি চৰকাৰে পুত্ৰৰ বাবে বিধান সভাৰ সন্মুখত ধৰ্ণা দিব লগা হৈছিল। লামডিঙৰ এজিপিৰ সভাপতি অজিত নাথক লামডিং চহৰত হত্যা কৰা হৈছিল। হৰিজনক হত্যা কৰা হৈছে। এই কথা বিধান সভাত আৰু কাগজত নোলাল।

বৰপেটা বিস্তৃত অঞ্চলত চাহ বাগিচাৰ পৰা অহা চাহ জনগোষ্ঠীক অৱহেলিত কৰি হত্যা কৰা হৈছে। সেই সময়ত বিশ্বনাথ চাৰিআলিৰ ৪৭ জন মানুহক নিৰ্মমভাবে হত্যা কৰা হৈছে। আজি আইন শৃঙ্খলাৰ পৰিস্থিতি দুই ধৰণৰ হৈছে। এটা সাধাৰণ পৰিস্থিতি আনটো হৈছে ৰাজনৈতিক পৰিস্থিতি। সাধাৰণ পৰিস্থিতিৰ বিষয়ে মই যেতিয়া এই বিধান সভাত নাছিলো তেতিয়া কাগজে-পত্ৰে বাহিৰৰ পৰা জানি আছিলো। ১৯৯২ চনত দুগৰাকী মহিলাক অপহৰণ কৰাৰ ক্ষেত্ৰত যিটো প্ৰশ্ন আহিছিল সেইটো সচাঁকৈ সভাত নিন্দনীয়। এই বিলাক প্ৰত্যয় সন্নিবিষ্ট হৈ আছে। গতিকে সাধাৰণ আইন শৃঙ্খলাৰ পৰিস্থিতি যোৱা সময়চোৱাত বিশেষ ধৰণে অৱনতি ঘটিছিল। চেন্ট্ৰেল ইউনিভাৰচিটিৰ বাবে টেণ্ডাৰ ক'ল কৰা হ'ল। কিন্তু সাধাৰণ মানুহে বন্দুকধাৰীৰ উপস্থিতিৰ কাৰণে টেণ্ডাৰ কল কৰিব পৰা নাই। বন্দুধাৰী সকলৰ বাহিৰে তাত সাধাৰণ মানুহ সোমাবই পৰা নাছিল। এই বিলাক কথা বিষদভাবে বহলাই কোৱাৰ প্ৰয়োজন নাই। মাননীয় সদস্য শ্ৰীহেমেন

* Speech not corrected

দাসে কৈয়েই গৈছে অসমী আইৰ বেদনাৰ বিননি কোনোবাই শুনিছেনে? এতিয়া আইন শৃঙ্খলাৰ পৰিস্থিতি সুস্থ কৰিবলৈ হ'লে পুলিচ বাহিনীটো পুনৰ গঠন কৰিব লাগিব। আমাৰ চৰকাৰে এই ব্যৱস্থা তৎকালীনভাবে ল'ব বুলি আশা ৰাখিলো। পুলিচ বিভাগটোত যি অসুবিধা আছে সেই বিলাক আমি দূৰ কৰিব লাগিব। পুলিচ বিভাগৰ যিবিলাক থানা আছে সেই ঘৰ বিলাকৰো অৱস্থা বেয়া। পুলিচৰ ওকিংলোভটো খুব বেচি। কিন্তু তেওঁলোকে দৰমহা পালে নে, টি এ বিল পাইছে এইবিলাক খবৰ কৰিছেনে কোনোবাই? পুলিচ বিভাগটো আধুনিকীকৰণ কৰিবলৈ ১৫ লাখ টকা দিয়া হৈছিল। কিন্তু এই ১৫ লাখ টকা কিহত খৰচ কৰিলে, পুলিচৰ কি কল্যাণ কৰিলে, পুলিচ বিভাগটো সঠিকভাবে গঠন কৰিলেনে কোনোবাই চাইছে নে? গতিকে এই ১৫ লাখ টকা কি কৰিলে তাৰ এটা অনুসন্ধান হ'ব লাগে। এই পৰিবৰ্তীত পুলিচ বাহিনীটো আধুনিকীকৰণ কৰি সজাই-পৰাই তোলাৰ অতিৱ প্ৰয়োজন হৈ পৰিছে। লামডিংত পুলিচে এ জি পিৰ কৰ্মচাৰী বুলি জানি কেইজনমানক ধৰি নি কাপোৰ খুলি দি মাৰধৰ কৰিছিল। আজিও লামডিংত থকা সেই পুলিচৰ কৰ্মচাৰীখিনি তাৰ পৰা আঁতৰাব লাগে আৰু তেওঁলোকৰ ওপৰত এটা অনুসন্ধান চলাব লাগে। এইদৰে ৰাজনৈতিক নিৰ্য্যাতিতৰ পৰা পুলিচ বাহীনিক বিৰত ৰখাৰ ব্যৱস্থা কৰিব লাগে। যোৱা ৫ বছৰৰ পাছত মই আজি বিধান সভালৈ আহিছো। কিন্তু যোৱা ৫ বছৰত যিবিলাক ঘটনা ঘটিছিল তাৰ প্ৰতিবেদনবিলাক যদি চোৱা হয় সেই সময়ত অতি নিৰ্ম্মম কিছুমান ঘটনা ঘটিছিল। সাধাৰণ দোকানী এজনক মাৰি দোকান লুট কৰি লৈ গৈছিল। কিন্তু তাৰ তদন্তৰ ৰিপোৰ্ট আজিও গৈ নাপালে। গতিকে আমাৰ চৰকাৰে এই সাধাৰণ অভিনন্দন জনাইছো। লগতে অসমৰ মাটিত ৰাজনৈতিক আইন শৃঙ্খলাৰ ক্ষেত্ৰত আমি যদি বিচাৰি চাওঁ তেন্তে আমি বহুখিনি কথাই ক'ব লাগিব। আমাৰ বিৰোধী দলৰ মাননীয় সদস্য এগৰাকীয়ে কৈছে যে ৰাজনৈতিক আইন শৃঙ্খলাৰ ক্ষেত্ৰত কেৱল কংগ্ৰেছৰ চৰকাৰক দোষ দিলেই নহ'ব আপোনালোকেও দোষৰ ভাগ ল'ব লাগিব। সেই ক্ষেত্ৰত মই ক'ব খোজো যে কংগ্ৰেছ দলৰ নীতিৰ কাৰণে তেওঁলোকৰ জন বিৰোধী নীতিৰ কাৰণে আজি ৰাজনৈতিক আইন শৃঙ্খলাৰ অৱনতি ঘটিছে। আজি বিধান সভাৰ মজিয়ালৈ এনেবোৰ সমস্যা লৈয়েই আমি আহিব লগা হৈছে। আমাৰ মাননীয় সদস্য হিতেন গোস্বামী ডাঙৰীয়াই কৈছে যে নীলমণি ফুকন আৰু অম্বিকাগিৰি ৰায়চৌধুৰীয়ে ১৯৩৭ চনতেই কংগ্ৰেছ সভাপতি জৱাহৰলাল নেহৰুক কৈছিল যে অনুপ্ৰৱেশকাৰীৰ সমস্যাটো সমাধান নকৰিলে

অসমখন ভাগ হৈ যাব। গতিকে এতিয়া আমি পুৰণি ইতিহাস দোহাৰিব লগা হৈছে। সেই সময়ত এই সমস্যা বিলাক সমাধান নকৰা বাবেই জনজাতীয় আন্দোলন আৰম্ভ হৈছিল আৰু পাছত ১৯৬৭ চনত পি,টি চি আন্দোলন আৰম্ভ হৈছিল আৰু এতিয়া বড়ো সকলৰ যি দৃষ্টিভঙ্গী হৈছে, তেওঁলোকৰ সমস্যা সমাধান কৰিব নোৱাৰাৰ বাবেই আজি এনে পৰিস্থিতিৰ উদ্ভৱ হৈছে। এই বিলাক প্ৰশ্নৰ অৱতাৰণাৰ বাবেই ১৯৪৭ চনত অসম অসমীয়াৰ বাবে বুলি লাচিত সেনাৰ আবিৰ্ভাৱ হৈছিল। আজি উদ্যোগৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ আন আন ঠাইৰ তুলনাত মহাৰাষ্ট্ৰ তামিলনাড়ু আদি ঠাইত যিমানখিনি মানুহ নিয়োগ পাইছে সেই তুলনাত আমাৰ ইয়াত দুই পাৰচেণ্টো পাইছে নে? আজি এই বিজ্ঞানৰ যুগতো চাকীৰ পোহৰৰ অভাৱত সন্ধিয়া আন্ধাৰত থাকিব লগীয়া হৈছে। পুষ্টিকৰ খাদ্যৰ অভাৱত মানুহ বেমাৰত পৰিব লগা হৈছে। এনেবোৰ ঠাইৰ আমাৰ অসমত অভাৱ নাই। এই সকলোবোৰৰ মূলতেই হৈছে কংগ্ৰেছৰ অপশাসন। আজি যুগে যুগে প্ৰান্তে প্ৰান্তে সকলোৱে মনত ৰাখি আহিছে। তেওঁলোকেও বিকাশ বিচাৰে সেয়ে আমাৰ অৱহেলিত ভাই-বন্ধুৱে হাতত বন্দুক লৈ আজি ওলাই আহিছে। তেওঁলোকেও জীয়াই থাকিব বিচাৰে।

আজি আমি এখন সমৃদ্ধিশালী অসম গঢ়াৰ কাৰণে দায়িত্ব আহি পৰিছে। আজি আমাৰ বহুবোৰ কথাৰে পৰিবৰ্তন আহি পৰিছে। ৰাষ্ট্ৰসংঘটোৰ আত্ম নিয়ন্ত্ৰণ সম্পৰ্কত বিভিন্ন আলোচনা বিলোচনা হৈছে। আজি ৰাজ্যপালৰ ভাষণৰ ওপৰত আলোচনা কালত মোৰ বন্ধু শ্ৰীহিতেন্দ্ৰনাথ গোস্বামী ডাঙৰীয়াই অসমৰ উন্নতিৰ কাৰণে যিখিনি কথা উল্লেখ কৰিছে সেইখিনি মই সমৰ্থন জনাইছো আৰু এই ক্ষেত্ৰত ভাৰতবৰ্ষৰ প্ৰান্তে প্ৰান্তে উন্নয়ন ব্যৱস্থা হাতত লোৱাৰ কাৰণে এটা সময় আহি পৰিছে। অহা যুগটোত এখন ফেডাৰেল ভাৰতবৰ্ষ গঠনৰ প্ৰক্ৰীয়া আৰম্ভ হৈছে আৰু সেই কাৰণে এটা জনমুখী ৰাজনীতিৰ ধাৰা ভাৰতবৰ্ষৰ প্ৰান্তে প্ৰান্তে আৰম্ভ হৈছে। তাৰ কাৰণে আজি আমাৰ ৰাইজেও এনে এক ৰাজনীতিৰ ধাৰা শক্তিশালী কৰি তুলিছে। আজি আমাৰ এই সদনতো তেনে এটা প্ৰক্ৰীয়া আৰম্ভ কৰিবৰ কাৰণে আমি চেষ্টা কৰিব লাগিব আৰু তাৰ দ্বাৰা ৰাজ্যখন অধিক শক্তিশালী কৰি তুলিব পাৰিলেহে ৰাজ্যখনৰ উন্নতি হ'ব। এইখিনিতে মই এটা কথা উল্লেখ কৰিব খুজিছো যে এটা সময়ত ময়ো মন্ত্ৰী আছিলো আৰু মন্ত্ৰীত্বৰ দায়িত্বভাৰ পালন কৰিছিলো। কিন্তু সেই সময়ত আমি কেৱল কেইটামান ভেন্সাৰ স্কুলৰ পদ উলিয়াই টকা পইচা লৈ দায়িত্ব শেষ কৰা নাছিলো। আমি কেৱল

ভেন্সাৰ স্কুলৰ পদ সৃষ্টি কৰিয়েই সেইবোৰ বিক্ৰী কৰাৰ কথা চিন্তা কৰিলে নহ'ব। আমাৰ উৎপাদন ক্ষমতা কেনেকৈ বৃদ্ধি-কৰিব পাৰি তাৰ কাৰণেহে চিন্তা কৰিব লাগিব। অসমখনক সমৃদ্ধিশালী কৰিবৰ কাৰণে আমাৰ পৰ্য্যাপ্ত পৰিমাণৰ সম্পদ আছে। কিন্তু এখন টেকনিকেল স্কুল বা কলেজ খোলাৰ কাৰণে আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা অনুমতি ল'ব লাগে। ১৯৭৪ চনৰ পৰা ১৯৯৫ চনলৈ আমাৰ ইঞ্জিনিয়াৰিং কলেজসমূহত নতুন বিষয় খোলা নহ'ল। এই ৰাজ্যখনত ইলেকট্ৰনিকচ্ বিষয়ত মানুহক শিক্ষা দিয়াৰ কাৰণে কোনো বিষয় খোলা নহ'ল। আজি আমি নিজকে যদি বিজ্ঞান প্ৰযুক্তিবিদ্যাৰে প্ৰস্তুত কৰি-তুলিব নোৱাৰো তেনেহলে আমি কি ৰূপে আগবাঢ়ি যাম সেইটো চিন্তা কৰিব লগা হৈছে। আমাৰ বহুতো মেকানিকেল ইঞ্জিনিয়াৰ আছে কিন্তু তেওঁলোকক সংস্থাপন কৰিব পৰা নহ'ল। আগৰ চৰকাৰে ভেন্সাৰ স্কুল কিছুমান প্ৰাদেশিকীকৰণ কৰি সেইবোৰ পদত কিছু টকা লোৱাৰ বাহিৰে অন্য ধৰণৰ উন্নতিমূলক কাম কৰিব নোৱাৰিলে। আজি আমাৰ কৃষিৰ ক্ষেত্ৰত সাধন কৰা নহ'ল। কৃষি উপযোগী বহুতো মাটি ব্ৰহ্মপুত্ৰৰ বুকুত লীন হৈ গ'ল। কিন্তু সেইবোৰ ৰক্ষণা-বেক্ষণ কৰি তাৰ লগত অসমৰ যিখিনি কৃষি উপযোগী মাটি আছে সেইখিনিত উন্নত পদ্ধতিৰ খেতি কৰি দুখীয়া ৰাজ্যখনক সমৃদ্ধিশালী কৰাৰ কাৰণে বিশেষ ব্যৱস্থা কৰা নহ'ল। ১৯৫০ চনৰ আগতে আমাৰ ৰাজ্যখনত খাদ্য সমস্যা নাছিল। আজি কিন্তু ৰাজ্যখনত ভোকাতুৰৰ সংখ্যা অধিক বৃদ্ধি পাইছে। সেই কাৰণে আমি ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণ কৰিব লাগিব। অসমৰ ৰাইজক ভোকাতুৰ অৱস্থাৰ পৰা পৰিত্ৰাণ পোৱাৰ পথ উলিয়াব লাগিব। আজি অসমৰ বানপানী সমস্যাৰ কাৰণে যি টকা দিয়া হৈছিল সেই টকাৰ পৰা যোৱাবাৰ ২৫ কোটি টকা ৰেভিনিউ ডিপজিত কৰি ৰাখিছে। এইটো কিয় হ'ব লগা হ'ল? অপৰিকল্পিতভাৱে কাম-কাজ কৰাৰ কাৰণেই এই অৱস্থা হৈছে। আজি যুৱকসকলৰ মাজত অসন্তুষ্টিয়ে দেখা দিছে। তাৰ কাৰণে দায়ী কোন? আমি এইবোৰ ক্ষেত্ৰত কেৱল পুলিচ মিলিটেৰী আদিৰ দ্বাৰাই সমস্যা সমাধান কৰিব নোৱাৰো। গতিকে আমাৰ চৰকাৰে ৰাজ্যপালৰ ভাষণৰ জৰিয়তে যি মূল্যবোধেৰে অসমৰ জ্বলন্ত সমস্যাবোৰ সমাধান কৰাৰ কাৰণে প্ৰতিশ্ৰুতি বদ্ধ হৈছে সেইবোৰ আমি কাৰ্য্যক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰাৰ কাৰণে চেষ্টা চলাব লাগিব। আমি অসমৰ মৌলিক সমস্যাসমূহ চিনাক্ত কৰিব লাগিব। আমি ৰোগ যদি নিৰ্ণয় কৰিব নোৱাৰো তেনেহলে সঠিক ঔষধ দিব পৰা নহ'ব। আজি আমাৰ যি সামাজিক মূল্যবোধ সৃষ্টি হৈছে সেইবিলাক আমি বাচি উলিয়াব লাগিব। আমি

কৃষি উপযোগী মাটিৰ যথোপযুক্ত ব্যৱহাৰ সাব্যস্ত কৰিব লাগিব। আজি অসমৰ মূল সমস্যাৰ কথা ক'বলৈ হ'লে অসমৰ কৃষকৰ সমস্যাৰ কথা ক'ব লাগিব। কৃষিৰ কাৰণে মাটি বঢ়া নাই, ইফালে বহুতো নদ-নদীয়ে খহাইহে নিছে। জনসংখ্যাও দিনকদিনে বাঢ়িহে আছে। গতিকে এই আটাইবোৰ কথাৰ প্ৰতি লক্ষ্য ৰাখি আমি ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

এচ, এন জেৰিয়ে ১৯৪৪ চনৰ পৰা ১৯৬৪ চনলৈকে উত্তৰ পূৰ্বাঞ্চল ভ্ৰমণ কৰি ডাৰেক্টৰি ইণ্ডিয়া বুলি এখন কিতাপ লিখিছিল আৰু সেই কিতাপত যিবিলাক প্ৰশ্ন উত্থাপন কৰিছিল আজি সেইবিলাক ঘটনাই ঘটি আছে। পূৰ্বৰ নেতৃত্বই সামাজিক ৰাজনৈতিক পৰিস্থিতিবিলাক নেতৃত্ব দিয়াৰ বাবে সঠিকভাৱে চিন্তা কৰিব পৰা নহ'ব। আজি আমি সকলোবিলাক সমস্যাই গভীৰভাৱে চাব লাগিব। আজি এই সমস্যাবিলাকৰ সৃষ্টি কেনেকৈ হ'ল আৰু কেনেকৈ নিৰ্মূল কৰিব পৰা হ'ব এই সম্পৰ্কে বিশ্লেষণ কৰি চাবৰ আজি সময় আহি পৰিছে। সেই কাৰণেই অসম চুক্তিৰ অপজ' কৰা হ'ল। ১৯৭০ চনতে সীমা বিবাদৰ যি চুক্তি মানি লোৱা হৈছিল সেই চুক্তি কাৰ্য্যকৰী কৰাৰ কাৰণে আমাৰ চৰকাৰ দায়বদ্ধ। গতিকে চৰকাৰে এটা খৰতকীয়া ব্যৱস্থা ল'ব লাগে। কংগ্ৰেছ আইও বিভিন্ন কাগজে-পত্ৰে বিভিন্ন ক্ষেত্ৰত মতৰ পৰিবৰ্তন কৰা দেখিবলৈ পাইছো। এইটো এটা শুভ লক্ষণ। বিভিন্ন ৰাজনৈতিক দলসমূহে বিভিন্ন ধৰ্ম বিভিন্ন গোষ্ঠীৰ মানুহৰ লগত মিলিজুলি থাকিব লাগে। আৰু অসম চুক্তি কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত সকলোৰে সহযোগিতা লাগে। মই ভাবো তেনেদৰে আগবাঢ়ি যাব পাৰিলেহে শান্তি প্ৰতিষ্ঠা হ'ব।

অধ্যক্ষ মহোদয়, আজি সীমা সমস্যাৰ বিষয়টো লৈ আমাৰ চৰকাৰৰ পক্ষৰ পৰা ৰাজ্যপালৰ ভাষণৰ যোগেদি যিখিনি কথা কোৱা হৈছে সেইটোৱেই সঠিক পদক্ষেপ হ'ব। আজি অৰুণাচলে আক্ৰমণ চলাইছে, অসমৰ বহু মাটি গ্ৰাস কৰিছে, বে-দখল হৈছে। ১৩ খন বনাঞ্চলত আজি গছ-গছনি একো নাই। অৰুনাচল চৰকাৰে অধিকাৰ কৰিছে সেইদৰে নাগালেণ্ডত দুটা মহকুমা কৰিছে। মই চৰকাৰক অনুৰোধ কৰিছো অসমৰ ভূমি এৰি দিব নালাগে। আৰু আমাৰ চৰকাৰ পিচ হুহুকি আহিব নালাগে। ১৯৮৫ চনত আমাৰ যি চুক্তি হৈছিল সেই চুক্তিৰ মতে আমি পদক্ষেপ ল'ব লাগে আৰু অসমৰ বাইজৰ স্বাৰ্থ যাতে বিপন্ন নহয়, ওচৰ-চুবুৰীয়া ৰাজ্যসমূহৰ লগত যাতে মিলা-প্ৰীতিৰে চলিব পাৰে বা কোনো ধৰণৰ বিভাজন

আহিব নোৱাৰে তাৰ কাৰণে চৰকাৰে খৰতকীয়া ব্যৱস্থা ল'ব লাগে।

অধ্যক্ষ মহোদয়, মই যোৱা ৫ বছৰৰ পৰা সকলো বিলাক চাই আছিলো। গতিকে এতিয়া মই ক'ব বিচাৰিছো। শিক্ষাৰ সম্পৰ্কে মই ক'ব বিচাৰো যে পূৰ্বৰ চৰকাৰে এই সম্পৰ্কত বহুতো ভুল কাম কৰা কথা অগ্ৰদূত কাগজতো ওলাইছে। কিন্তু তেওঁলোকে শিক্ষানীতিত সৰ্বনাশ কৰা বুলি অসম গণ পৰিষদকহে জগৰীয়া কৰিছে। আনকি এনেদৰেও কৈছে মোৰ পৰিয়ালতে মই বহুতক চাকৰি দিলো। কিন্তু অধ্যক্ষ মহোদয় মোৰ পৰিয়ালত মই এজনকো চাকৰি দিয়া নাই। আগৰ চৰকাৰে অকল শিক্ষা বিভাগতেই নিযুক্তি দিছিল। আন বিভাগত নিয়োগৰ ব্যৱস্থা সিমান কৰিব পৰা নাছিল। ২০০ জন মিউজিক শিক্ষক পদৰ লিষ্ট কৰি নিযুক্তি দিলে কিন্তু ১৪ জনৰ নিযুক্তি বেছিকৈ দিলে। নিযুক্তি কেনেকৈ হ'ল চেঞ্চন কোনে দিলে তাক মিলাব পৰা নাই। কোনোবাই ২ খনকৈ নিযুক্তি লেটাৰ পাইছে। ৯০ হেজাৰৰো অধিক শিক্ষক ভুৱা পদত নিযুক্তি দিয়া হৈছে। এইবিলাকেই বিত্তীয় অৱস্থাৰ অনাটনৰ কাৰণ হৈ পৰিছে। বিত্তীয় সংকটৰ বাবে শিক্ষা বিভাগৰ অপৰিকল্পিত আঁচনিয়েই মূল দায়ী। ৪০ হেজাৰৰ শিক্ষকৰ ঠাইত ৫৫ হেজাৰ শিক্ষকৰ নিযুক্তি হৈছে। এই পদ বিলাকৰ বাবে ধন কিমান লাগিব। মাহে ১২ কোটিকৈ হ'লেও বছৰত ১৪৪ কোটি টকা লাগিব। ৫ বছৰত কিমান লাগিব আৰু এই বাজেটত ইয়াৰ বাবে ৰেভিনিউ ক'ত? গতিকে বিত্তীয় সংকটৰ সৃষ্টি হৈছে। ধন কিমান আছে সেইটো চোৱা নাই। নিযুক্তি দি আছে। অথৰিটিয়ে এডভাৰটাইজমেণ্ট দিব লাগে দিয়া নাই কিন্তু পাবলিচিটিৰ সঞ্চালকে এডভাৰটাইজমেণ্ট দিছে। তাৰোপৰি পষ্টৰ চেঞ্চনৰ কাৰণে যিবিলাক ফৰমেলিটিজ কৰিব লাগিছিল সেইবিলাক আছেনে? মই আশা কৰিছো শিক্ষা বিভাগৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়া দৰকাৰ। অধ্যক্ষ মহোদয়, প্লেনিং আৰু মেনেইজমেণ্টৰ মাজত যি খেলি-মেলি হৈছে সেইটো আতৰ কৰাৰ বাবে পৰিকল্পনা আৰু পৰিচালনাৰ ওপৰত সৰ্বাধিক গুৰুত্ব দিব লাগে। ভকেচনেল এডোকেচনৰ ওপৰতো সৰ্বাধিক গুৰুত্ব দিব লাগে।

অধ্যক্ষ মহোদয়, মোৰ এটা আপত্তি আছে যে ৰাজ্যপালৰ ভাষণত আৰু এটা বিষয় সোমোৱাই লোৱা হ'লে ভাল আছিল। বিষয়টো হৈছে চাইন্স এণ্ড টেকনলজি এন এনভেৰিমেণ্টল। কিয়নো বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ বিষয়টোত যদি ব্যৱস্থা লোৱা নহয় তেনেহ'লে সুৰেণ স্বৰ্গিয়াৰীদেৱে কোৱা কথাটো মনলৈ

আছে। তেখেতে কৈছিল যে মোৰ সমষ্টিত পানী কল ইমান বেচি হ'ল যে শেষত মানুহে গৈ কয় যে ৰাতিপুৱাই এইবোৰ দেখিলে যাত্ৰা নাস্তি হয়। কাৰণ কল বিলাকত পানী নাই। এইদৰে চাইন্স এণ্ড টেকনলজি এন এনভেৰিমেণ্টল কাউন্সিল কৰা হ'ল যে এতিয়া এই বিষয়টোৰ ওপৰত দৃষ্টি দিয়াৰ প্ৰয়োজন হৈ পৰিছে। ২১শ বিংশ শতিকাত যাতে এইটো ভাল হয় তাৰ কাৰণে গুৰুত্ব দিব লাগে। তাৰ পিছত শিক্ষা বিভাগত যিটো শিশু সাহিত্য ন্যাস কৰিছে সেইটো ম'ৰাৰ অৱস্থাত আছে। আনকি গাড়ীখনো মন্ত্ৰীৰ ঘৰতে আছে। গতিকে মই অনুৰোধ কৰিছো এই ন্যাসটোৰ প্ৰতি চৰকাৰে বিশেষ মনোযোগ দিব। প্ৰকাশন পৰিষদ সম্পৰ্কত গণ পৰিষদ চৰকাৰকেই দোষাৰোপ কৰি আহিছে কিন্তু গণ পৰিষদ চৰকাৰৰ দিনত অলপ কাম হৈছিল। কপিলা বাটচায়নে যিখন চিঠি দিছিল সেইখন চিঠি পোৱাৰ পিছত মন্ত্ৰী আৰু চৰকাৰে ৰিজাইন দিব লাগিছিল। গতিকে প্ৰকাশন পৰিষদ উন্নত কৰিবলৈ হ'লে বিশেষভাৱে চালি-জাৰি চাব লাগিব। আমাৰ চৰকাৰৰ দিনত এন্টি কৰাপচনৰ কেত দিয়া হৈছিল সেইটো কি অৱস্থাত আছে চাব লাগে। আমি আহি ২ হেজাৰ টকা হাতত জমা পাইছিলো। কিন্তু আমি যাওতে ১.৯০ টকা এৰি গৈছিলো। চৰকাৰক পেচ দি ৫ লাখ টকা ল'লে আৰু কেন্দ্ৰৰ পৰা পালে ৫ লাখ টকা। এতিয়া বেংকত এই টকা লাখ লাখ হ'লগৈ।

অধ্যক্ষ মহোদয়, দুলাল বৰুৱাই সাম্প্ৰতিক সাময়িকীত অসম প্ৰকাশন পৰিষদৰ অকথিত কাহিনীত লিখিছে, অসম প্ৰকাশন পৰিষদ ৰাজহুৱা সম্পত্তি নে ব্যক্তিগত সম্পত্তি, অসম প্ৰকাশন পৰিষদ পকীঘৰ নে ময়দানৰ কাৰেং?

অধ্যক্ষ মহোদয়, এইখন ভৱন নিৰ্মাণ সমিতিনে ময়দানৰ সংঘ? ময়দানৰৰ কাৰেঙত লাখটকীয়া বিজুলী বাতি, সচিব গৰাকীৰ চেম্বাৰ নিৰ্মাণত মাত্ৰ আধা লাখ টকা, বিষ্ণু ৰাভাৰ গ্ৰন্থাৱলীৰ প্ৰতি অৱহেলা, হস্তিবিদ্যাৰ্ণৱ ঃ পৰিষদৰ বৃহত্তম বগা হাতী এই সম্পৰ্কত এই কিতাপখনত লিখিছে। তাৰোপৰি কমপ্ৰিহেনচিভ হিষ্টৰী অৱ আসাম নামৰ কিতাপখন কিমান প্ৰিন্ট কৰা হ'ল তাৰ হিচাপ নাই। বাতৰি কাকতত কিতাপে পোৱালী দিছে বুলি প্ৰকাশ হোৱা কথা প্ৰথম শুনিলো। মই চৰকাৰক অনুৰোধ কৰো যে, এই প্ৰকাশন পৰিষদটো অসমৰ শিল্পী, সাহিত্যিকৰ অনুষ্ঠান হিচাপে লৈ উন্নত কৰিব লাগে। এই অনুষ্ঠানটো এটা জাতীয় অনুষ্ঠানত পৰিণত কৰিব লাগে। অসমৰ বাৰেবৰণীয়া ভাষা, সংস্কৃতিৰ উন্নতি সাধন কৰি প্ৰকৃত বিকাশৰ ক্ষেত্ৰত চৰকাৰে মনোযোগ দিব লাগে।

অধ্যক্ষ মহোদয়, জনজাতীয় স্বায়ত্ত শাসনৰ ক্ষেত্ৰতো ৰাজ্যপালৰ ভাষণত কোৱা হৈছে। অজনজাতি ভূমি-পুত্ৰ সকলক আগুৱাই অনাৰ বাবে চৰকাৰে পদক্ষেপ ল'ব লাগে। অধ্যক্ষ মহোদয়, মই একেবাৰে শেষত এটা বিষয় উত্থাপন কৰিব বিচাৰিছো। বিৰোধী দলৰ মাননীয় সদস্য অৰ্দ্ধেন্দু কুমাৰ দেৱে মেলেৰীয়া বেমাৰ সম্পৰ্কত বহুতো আপত্তি আৰু কাগজ-পত্ৰ দেখুৱাইছে। এই মেলেৰীয়া বেমাৰ দক্ষিণ-পূৰ্ব এচিয়াৰ ফালৰ পৰা আগবাঢ়ি আহিছে। এইদৰে মেলেৰীয়া হৈ থাকিলে এটা সময়ত এই অঞ্চলবিলাক মানুহ নথকা মৰুভূমিৰ নিচিনা হ'ব। এই বিষয়টোৰ ওপৰত চৰকাৰে সঠিকভাৱে দৃঢ় পদক্ষেপ লোৱাটো প্ৰয়োজন হৈ পৰিছে। তেজপুৰতো মেলেৰীয়া বেছি ধৰণে হৈছে। আজিৰ বাতৰি কাকতত প্ৰকাশ হৈছে "মেলেৰীয়া নিৰ্মূলৰ অধিকাংশ ধন ব্যয় হ'ল স্বাস্থ্যমন্ত্ৰীৰ জিলাত। চলিত বছৰৰ প্ৰথম ভাগত অসমৰ কেইখনো জিলাত ব্যাপকভাৱে দেখা দিয়া মেলেৰিয়া ৰোগে প্ৰতিৰোধ তথা নিৰ্মূলৰ বাবে যোৱা মে' মাহত কেন্দ্ৰীয় চৰকাৰে ৰাজ্যখনলৈ দিয়া ১.৬৭ কোটি টকাৰ সিংহভাগ স্বাস্থ্যমন্ত্ৰীৰ নিজৰ নলবাৰী জিলাতে ব্যয় কৰা সমূদায় টকাৰ বহু পৰিমাণ অপব্যয় হোৱাৰ এক গুৰুতৰ অভিযোগ উঠিছে। উল্লেখযোগ্য যে সেই সময়ত মেলেৰীয়াত আক্ৰান্ত বিভিন্ন জিলাৰ মেলেৰীয়া বিভাগক ডেৰলাখৰ পৰা তিনিলাখৰ ভিতৰত টকা দিয়া হ'ল যদিও স্বাস্থ্যমন্ত্ৰীৰ নিজ জিলাত প্ৰায় ১৪ লাখ টকা ব্যয় কৰা হ'ল। অথচ নলবাৰী জিলাৰ দৰে ধেমাজী, শোণিতপুৰ, লক্ষীমপুৰ, তিনিচুকীয়া, গোৱালপাৰা, গোলাঘাট আদি জিলাতো বহুলোকৰ মেলেৰীয়াত আক্ৰান্ত হৈ মৃত্যু হৈছিল। কেন্দ্ৰৰ পৰা অহা ধন ৰাজ্যখনৰ বিভিন্ন জিলাত বিতৰণ কৰোতে মেলেৰীয়া ৰোগ প্ৰতিৰোধ সংক্ৰান্ততহে ব্যয় কৰাৰ নীতি নিৰ্দেশনা দিছিল যদিও বহু কেইখন জিলাৰ মেলেৰীয়া বিভাগে কেতবোৰ অনাৱশ্যক সা-সামগ্ৰী ক্ৰয় কৰি ধন অপব্যয় কৰাৰো অভিযোগ উঠিছে। অধ্যক্ষ মহোদয়, মই আপোনাৰ যোগেদি বিৰোধী দলৰ বন্ধুক কব বিচাৰিছো যে ঠিক সময়ত কাম নকৰি এতিয়া বৰষুণ যোৱাৰ পিছত চাটি বিচাৰি লাভ নাই। স্বাস্থ্যমন্ত্ৰী মহোদয়ে কৈছে, বৰষুণত ডিডিটি দিলেও কামত নাহে। তথাপি ডি ডি টি দি আছে।

অধ্যক্ষ মহোদয়, শেষত মই এটা কথা ক'বলৈ বিচাৰিছো সেইটো হৈছে ভৰলীৰ দলংখন এইথ্ প্লেনত সোমোৱাই লোৱাৰ কথা আছিল। আমাৰ দিনতে সকলো কাম কৰা হৈ গৈছিল কিন্তু নেচেনেল হাইওৱেটো এন ই চি য়ে নৰ্থ

লক্ষীমপুৰৰ পৰা ইটানগৰলৈকে কিছু কাম কৰিলে। কিন্তু মিছ্ন চাৰিআলিৰ পৰা যদি বালিপাৰা হৈ ৰাস্তাটো কৰা হয় তেনেহ'লে ৫০ কিলোমিটাৰ ৰাস্তাটো চৰ্ট হৈ যাব গতিকে মই চৰকাৰক এই সম্পৰ্কত পদক্ষেপ লোৱাৰ বাবে অনুৰোধ কৰিলো। অধ্যক্ষ মহোদয়, আজি বিভিন্ন কাগজে-পত্ৰই বনসংক্ষণৰ ওপৰত প্ৰাধান্য দিছে। ইয়াৰ বাবে আমি সকলোৰে চৰকাৰক সহযোগিতা কৰিব লাগিব। আমাৰ চৰকাৰে সেউজী অসম গঢ়াৰ বাবে নীতি ঘোষণা কৰিছে আৰু বনাঞ্চল নাইকিয়া হৈ জন অৰণ্য হৈছে। আজি জন্তু জানোৱাৰো থাকিব নোৱাৰা হৈছে। কাৰণ গছ-গছনি একো নাই। গতিকে চৰকাৰে প্ৰকৃতাৰ্থত বন সংৰক্ষণ কৰাৰ বাবে ব্যৱস্থা ল'ব লাগে। শেষত মই বিৰোধী পক্ষৰ মাননীয় সদস্যসকলক ধন্যবাদসূচক প্ৰস্তাৱৰ সপক্ষে ঠিয় দিবলৈ অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

মাননীয় অধ্যক্ষ ঃ মই বিৰোধী দলৰ মাননীয় সদস্য সকলকো অনুৰোধ জনাইছো। যিখিনি সময় ৰাহি হৈছে সেইখিনি সময় ক'বলৈ সুবিধা পাব। সময়ৰ প্ৰতি লক্ষ্য ৰাখি চমু কৰি এতিয়া মাননীয় সদস্য শ্ৰীমুনীন মহন্তই ক'ব।

* শ্ৰীমুনিন মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ সমৰ্থনত মই দুটামান বিষয় উত্থাপন কৰিব বিচাৰিছো। ৰাজ্যপালৰ ভাষণত ৰাজ্যখনৰ পৰিষ্কাৰ চিত্ৰ এখন চিত্ৰায়িত হৈছে। বিৰোধী পক্ষৰ মাননীয় সদস্য সকলে ৰাজ্যপালৰ ভাষণত একো নতুনত্ব নাই বুলি সমালোচনা কৰিছে যদিও এটা বিষয়ত আমি সন্তুষ্ট যে ৰাজ্যপালৰ ভাষণত নীতি-আৰু নিয়ম নতুন চৰকাৰখনে লোৱা সমূহ কথা পৰিষ্কাৰভাৱে ঘোষণা কৰা হৈছে। আমাৰ চৰকাৰখনে ৰাজ্যখনৰ শতকৰা চৌৰন্ন ভাগৰো অধিক ৰাইজৰ ব্যপক সমৰ্থন লৈ এই চৰকাৰ শাসনৰ গাদীত বহিছে। আৰু জনসাধাৰণৰ যি আশা-আকাংক্ষা নিৰ্বাচনৰ সময়ত যিটো প্ৰতিশ্ৰুতি দিয়া হৈছিল সেইবিলাক সমাধানৰ কাৰণে তাৰ বাস্তৱ চিত্ৰ মহামান্য ৰাজ্যপালৰ ভাষণৰ জৰিয়তে দাঙি ধৰিছে। চৰকাৰৰ আইন-শৃংখলা ৰক্ষাৰ ক্ষেত্ৰত ৰাজ্যখনৰ আইন শৃংখলা পৰিস্থিতিৰ অৱনতি ঘটিছে বুলি হত্যা, অপহৰণ, সংঘৰ্ষ আদি বঢ়িছিল বুলি সমালোচনা কৰিছে.কিন্তু মই কব বিচাৰিছো ৰাজ্যখনত হত্যা , লুট-পাত অপহৰণ আদি অকস্মাত বঢ়া নাছিল। আমাৰ চৰকাৰ ক্ষমতালৈ অহাৰ এক মাহৰ সময়ো হোৱা নাই। যিখিনি সময়ত আমাৰ চৰকাৰ ক্ষমতালৈ আহিছিল তাৰ আগতে তেখেতসকলৰ চৰকাৰ আছিল আৰু তেতিয়াই এজন কেবিনেট মন্ত্ৰীক হত্যা কৰা হৈছিল। ৰাজ্যখনত হত্যা, অপহৰণ কেইবাটাও সংঘটিত হৈ আছিল।

---

* Speech not corrected

ৰাজ্যখনৰ কাৰণে নতুন চৰকাৰে দায়িত্ব ভাৰ লোৱাৰ মুহূৰ্ততে চাৰিজনকৈ শীৰ্ষস্থানীয় বিষয়াই অসম বিৰোধী অসমীয়া ষড়যন্ত্ৰত লিপ্ত থকা কাৰণেই নতুন চৰকাৰ অহাৰ লগে লগেই ৰাজ্যখনৰ পৰা লজ্জাজনকভাৱে পলাই গুছি গৈছে। এই গেং অৱ ফোৰ অসমৰ ইতিহাসত এটা কলংক হৈ ৰ'ল। এটা সলনিৰ সময়তে সুবিধা লৈ এই ষড়যন্ত্ৰকাৰী কেইজন ইয়াৰ পৰা গুছি গ'ল। গোসাইগাঁও, কোকৰাঝাৰ, গোষ্ঠী সংঘৰ্ষ, হত্যা আৰু অপহৰণৰ আঁৰত নিশ্চয় এইবিলাক কথাৰ যোগাযোগ আছে। এশৰো ওপৰত নিহত আৰু বহু হাজাৰ গৃহহীন হোৱা সেই সংঘৰ্ষৰ বীজ কেনেভাৱে কোন বিলাক শক্তিয়ে সিঞ্চিত কৰিছিল সেইবিলাক চিহ্নিত কৰিব লাগিব। আজি ৰাজ্যপালৰ ভাষণত এই কথা আহিছে যে নতুনত্ব হেনো একো নাই। কিন্তু আমাৰ চৰকাৰে দায়িত্বভাৰ লোৱাৰ সময়ত পাচ হাজাৰ ন শ দহ কোটি টকা ধাৰৰ বোজা আৰু এশ পচাশী কোটি টকাৰ অভাৰড্ৰাফ্‌ট মুৰ পাতি ল'বলগীয়া হৈছে। এই এটা অৱস্থাত চৰকাৰে ৰাজ্যখনৰ শাসনলৈ আহিছে অথচ শাসনলৈ আহিয়ে চৰকাৰে অৱস্থা চমজি লৈছে। এই পৰিস্থিতি উন্নত কৰিবলৈ চেষ্টা কৰিছে আৰু জলন্ত সমস্যাসমূহ সমাধানৰ বাবে আগবাঢ়ি আহিছে। অথচ আগৰ চৰকাৰ সামান্য আইন-শৃংখলাৰ নামতে পঞ্জাৱ কমাণ্ডো নমাই নিৰীহ জনসাধাৰণৰ ওপৰত অত্যাচাৰ কৰিছে। টায়াৰত কেৰাচিন ঢালি আমাৰ যুৱকক পুৰি মাৰিছে। অথচ আমাৰ চৰকাৰে শাসনত অধিষ্ঠিত হৈয়েই সকলো পৰিস্থিতি আলাপ আলোচনাৰ মাধ্যমত সমাধান কৰিবলৈ আহ্বান জনাইছে। আলফা আৰু অন্যান্য উগ্ৰপন্থী সমস্যাৰ সমাধানৰ কাৰণে নতুন চৰকাৰৰ ফালৰ পৰা আহ্বান জনোৱা হৈছে। ইয়াৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে আগভাগ ল'বলৈও আমাৰ তৰফৰ পৰা প্ৰস্তাৱ পঠোৱা হৈছে। ইয়াৰ লগতে আমাৰ ৰাজ্যখনৰ কেইখনমান জিলাত প্ৰশাসনৰ লগত সহযোগিতা নকৰাকৈ সৈন্য বাহিনী নিয়োজিত হৈছে আৰ্মড্ ফোৰ্চ এক্ট মতে। প্ৰশাসনৰ সহযোগিতা নোলোৱাকৈ সৈন্য-বাহিনীয়ে যাতে নিৰীহ জনসাধাৰণৰ ওপৰত একচেচ কৰিব নোৱাৰে তাৰ ব্যৱস্থা নোলোৱাকৈ আগৰ চৰকাৰৰ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দি পৰিস্থিতি সাধাৰণ আৰু স্বাভাৱিক কৰাৰ নামত সৈন্য বাহিনী এৰি দিছিল। এতিয়া ঘোষণা কৰা হৈছে আৰু সিদ্ধান্ত কৰা হৈছে যে পোন্ধৰ দিনৰ ভিতৰত অনুজ্ঞা পত্ৰহীন সকলো অস্ত্ৰ-শস্ত্ৰ জমা দিব লাগে। আশা কৰো ইয়াত সকলোৱে সঁহাৰি দিব আৰু লগে লগে শান্তিপূৰ্ণ অৱস্থা ঘুৰাই অনাত সহযোগ কৰা হ'ব। তেতিয়া ৰাজ্যখনৰ পৰা সৈন্য বাহিনী ঘুৰাই পঠাব পৰা হ'ব। তাৰ কাৰণে

পৰিৱেশ ৰচনা কৰাত ইয়েই সহায়ক হৈ উঠিব। অধ্যক্ষ মহোদয়, এই অৱস্থাত আমাৰ আগৰ বক্তাসকলে কৈছে যে পৰাগ কুমাৰ দাস হত্যা সংক্ৰান্তত কোন শক্তি জড়িত আছে সেইটো কিয় গ্ৰেপ্তাৰ কৰিব পৰা নাই। সেইবিলাক তথ্য পোহৰলৈ আহিলেহে ৰাইজে গম পাব। অবিলম্বে পৰাগ কুমাৰ দাসক হত্যা কৰা সকলক গ্ৰেপ্তাৰ কৰিবৰ কাৰণে ব্যৱস্থা কৰা হ'ব। অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত ৰাজ্যসমূহক অধিক ক্ষমতা প্ৰদান কৰাৰ কাৰণে আৰু চৰকাৰৰ হাতত অধিক ক্ষমতা দিয়াৰ আৰু ৰাজ্য পুনৰগঠন কৰাৰ কথা মহামান্য ৰাজ্যপালৰ ভাষণত লিখিছে। আমাৰ দৃষ্টিভঙ্গী ইয়াত পৰিষ্কাৰ আৰু ফেডাৰেল ষ্ট্ৰাকচাৰ লৈ সংশোধন কৰাৰ লগতে সংবিধান কৰাৰ লগতে সংবিধানো তেনেদ্ৰপে সংশোধন কৰিবলৈ যোগাযোগ কৰাৰ প্ৰয়োজনীয়তা আহি পৰিব। এই সম্পৰ্কত কেন্দ্ৰত অধিষ্ঠিত সংযুক্ত দলৰ চৰকাৰৰ কাৰ্যসূচীত এই কথা সন্নিবিষ্ট কৰিছে।

মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যখনৰ জনজাতীয় লোকসকলক মেক্সিমাম অটনমাচৰ জৰিয়তে তেওঁলোকৰ আশা-আকাংক্ষা সমৰ্থন জনাই আহিছে। কিন্তু যোৱা সময়ছোৱাত চৰকাৰে জনজাতীয় স্বায়ত্ব শাসনৰ প্ৰশাসনক ৰাজনৈতিক স্বাৰ্থত ব্যৱহাৰ কৰি আহিছে। তাৰ জৰিয়তে আন্দোলনত বিভাজন আনি ভ্ৰাতৃঘাটি সংঘৰ্ষৰ সৃষ্টি কৰিছে। কোকৰাঝাৰত স্বায়ত্ব শাসনত বিভাজন, মৰিগাঁৱত টিৱা আন্দোলনত বিভাজিত কৰি ৰাজনৈতিক স্বাৰ্থত ব্যৱহাৰ কৰি সমস্যাসমূহ সমাধানত জটিলতা বঢ়াইছে। অসমৰ জনসাধাৰণে এতিয়া বুজিব ধৰিছে। মৰিগাঁও জিলাতো টিৱা, মিচিং সকলৰ মাজতো একেদৰে অসন্তোষৰ সৃষ্টি কৰিছে। বিভিন্ন জাতিয়ে অনুসূচীতকৰণৰ কাৰণে দাবী জনাই আহিছে। আমি ভাবো অসমৰ সকলো জনগোষ্ঠী ৰক্ষা কৰাৰ স্বাৰ্থত ত্ৰিভুবন প্ৰসাদ টেৱাৰী কমিচনে যি যি ৰিকোমেণ্ডেচন দিছে তাৰ ভিত্তিত ৩৭১ ধাৰা মতে অসমকো বিশেষ কেটাগৰীৰ ৰাজ্য হিচাপে ঘোষণা কৰক। সমস্যাসমূহ সমাধান কৰাৰ বাহিৰে অন্য কোনো ব্যৱস্থা থাকিব নোৱাৰে। সেই কাৰণে মই বিচাৰিছো টিৱাৰী কমিচনৰ ভিত্তিত ৰাজ্যখনক জনজাতীয় ৰাজ্য হিচাপে ঘোষণা কৰিব লাগে। অসম চুক্তিত বিদেশী বহিষ্কাৰৰ কথাও আছে। ১৯৭১ চনৰ পিছত অহা মানুহক ৰাজ্যখনৰ পৰা বহিষ্কাৰ কৰি অসম চুক্তি অনুসৰি শুদ্ধ ভোটাৰ তালিকা এখন তৈয়াৰ কৰাৰ ব্যৱস্থা ৰাজ্যপালৰ ভাষণত আহিছে। দুৰ্নীতিৰ কথাও ক'বলৈ অৱস্থা পাইছিলগৈ। এতিয়া এল অ চি সম্পৰ্কত বিধানসভাত উত্থাপিত হৈছে আমাৰ ভেটেৰিনাৰী এল, ও,

চি স্কেণ্ডেল ,সম্পৰ্কতো আলোচনা হৈছিল যোৱা সময়ছোৱাত। আমি বিৰোধী পক্ষত থকা সময়ছোৱাত সদন কমিটী গঠন কৰাৰ কাৰণে দাবী জনাইছিলো। সেইটো প্ৰত্যাখ্যান কৰা হৈছিল। অহা সময়ছোৱাত অসমৰ জনসাধাৰণে সেইটো বহন কৰিবৰ কাৰণে সদন কমিটী গঠন কৰাৰ পৰিবৰ্তে ব্যৱস্থা কৰিছিল। আমি আলোচনাৰ মাজত উত্থাপন কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, আমি পঞ্চায়ত আৰু সমবায় সমিতিবিলাক এডহক কৰাৰ পৰিবৰ্তে নিৰ্দিষ্ট সময়ত নিৰ্বাচন কৰি কৰাৰ ব্যৱস্থা কৰিছো। স্কুলৰ মেনেজিং কমিটীবিলাক ভঙ্গ কৰি নতুনকৈ কৰা কামত আগবাঢ়িছে। গণতান্ত্ৰিক প্ৰক্ৰিয়াক আওকাণ কৰি শিক্ষক নিযুক্তি সম্পৰ্কত যোৱা সময়ছোৱাত যি দুৰ্নীতি হৈছে সেই সম্পৰ্কত ব্যাখ্যাৰ প্ৰয়োজন নাই। অনিয়মমতে যি শিক্ষক নিয়োগ কৰা হ'ল সেই ক্ষেত্ৰত আপোচ কৰা নহ'ব বুলি যি ঘোষণা ৰাজ্যপালৰ ভাষণত কৈছে সেইমতে সকলোবিলাক অন্যায় নিযুক্তি খাৰিজ কৰাৰ ব্যৱস্থা কৰিব লাগে। এই ক্ষেত্ৰত মাদ্ৰাছা বোৰ্ডৰ শিক্ষক কৰ্মচাৰী সকলে মন্ত্ৰীক লগ ধৰি কৈছে যে দুৰ্নীতি পৰায়ণ ডেপুটি ডাইৰেক্টৰজনক ঘূৰাই অনাৰ প্ৰচেষ্টা যাতে বন্ধ ৰাখে তাৰ কাৰণে শিক্ষা মন্ত্ৰীক অনুৰোধ কৰিছে। ৰাজ্যপালৰ ভাষণৰ ধন্যবাদ সূচক প্ৰস্তাৱৰ সমৰ্থন জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Speaker : Now I request Hon'ble Member Smti Pramila Rani Brahma.

* শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আজি মাননীয় ৰাজ্যপালৰ ভাষণৰ ওপৰত কিছু বক্তব্য ৰাখিব বিচাৰিছো। মই ৰাজ্যপালৰ ভাষণৰ বিৰোধিতা কৰিব বিচৰা নাই আৰু সপক্ষেও কব বিচৰা নাই। কেৱল আমাৰ স্বাৰ্থৰ লগত নিহিত হৈ থকা কিছু কথা ক'ব খুজিছো। মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত দেখিছো যে ইয়াত অসম চুক্তিৰ কথা আছে। কিন্তু বড়োলেণ্ড অট'নমাচ কাউন্সিলৰ কথা ৰাজ্যপালৰ ভাষণত ঠাই নাপালে। সেই কাৰণে আমি দুখ পাইছো। অথচ যিটো বড়ো একৰ্ড লৈ যোৱা চৰকাৰৰ দিনত বহুতো কথা উত্থাপন কৰিছিল। আমাৰ নেতা সকলৰ বিভিন্ন ধৰণৰ বিশ্বাস আৰু ৰাইজৰ মাজত আস্থা হেৰাই গৈছিল। সেই বড়ো একৰ্ডৰ কথা ৰাজ্যপালৰ ভাষণত নাই। মই আপোনাৰ জৰিয়তে এই চৰকাৰক এই কথাটো অৱগত কৰিব বিচাৰিছো। অধ্যক্ষ মহোদয় বি এ চি একৰ্ডৰ মুখ্য দাবী হ'ল এই একৰ্ড সোনকালে কাৰ্যকৰী কৰা। তাৰ পিছত বি এ চিত অন্তৰ্ভুক্ত কৰিব লাগে অসমৰ উত্তৰত থকা ১০

* Speech not corrected

কিলোমিটাৰ অঞ্চল অন্তৰ্ভুক্ত হোৱাৰ কাৰণে বৰ্তমানৰ মুখ্যমন্ত্ৰী তেতিয়াৰ বিৰোধী দলপতি বিগত চৰকাৰক সমালোচনা কৰি ডিমাণ্ড দিছিল। কিন্তু ৰাজ্যপালৰ ভাষণত সেইটোৱে ঠাই নাপালে। সেই কাৰণে মই আপোনাৰ জৰিয়তে অনুৰোধ জনাইছো যে বি এ চি একৰ্ডৰ দাবীবিলাক কাৰ্যকৰী কৰাত সহায় কৰে আৰু ১০ কিলোমিটাৰ বাউণ্ডাৰী যাতে অতি শীঘ্ৰে বি এ চি এলেকাৰ অন্তৰ্ভুক্ত কৰে তাৰ কাৰণে অনুৰোধ জনাইছো।

মাননীয় অধ্যক্ষ মহোদয়, আমি বাতৰি কাকতৰ যোগেদি গম পাইছো যে নতুনকৈ গঠিত হোৱা পি ডি এফ এ বৰ্তমান চৰকাৰক হেঁচা দিছে যে বৰ্তমানৰ বি এ চি কাউন্সিল ভাঙি দি নতুন কাউন্সিল গঠন কৰিব লাগে। কিন্তু বি এ চি একৰ্ড মতে দেখা যায় যে বড়ো একৰ্ড চুক্তি কৰা নেতা সকলে বি এ চি কাউন্সিলখন চলাই যাব লাগে। চাৰিসীমাটো ঠিক নোহোৱা পৰ্যন্ত আৰু নিৰ্বাচন নোহোৱালৈকে বৰ্তমানে থকা কাউন্সিলখনে পৰিচালনা কৰিব লাগে। অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে মই এই চৰকাৰক অনুৰোধ জনাইছো পি ডি এফে অনুৰোধ কৰাৰ বাবে যাতে বৰ্তমান কাউন্সিলখন ভঙ্গ কৰি নিদিয়ে। নতুনকৈ কাউন্সিল গঠন কৰি দিলে বি এ চি চুক্তিৰ বিৰুদ্ধে যোৱা হ'ব আৰু চুক্তিখন ভায়লেট কৰা হ'ব। সেই কাৰণে বৰ্তমানৰ চৰকাৰক অৱগত কৰাব বিচাৰিছো পি ডি এফে কোৱাৰ দৰে কাউন্সিলখন যদি গঠন কৰা হয় তেতিয়াহ'লে বি এ চি এলেকাত শান্তি নোহোৱা হ'ব। সেই কাৰণে আপোনালোকে কথাটো বিবেচনা কৰক। মই আকৌ অৱগত কৰিবলৈ বিচাৰিছো যে বি এ চি এলেকাত কেৱল বড়োসকল সদস্য সেইটো নহয়। বড়োসকলৰ উপৰিও বি এচ এম চি, পি ডি এফত অ-বড়ো সদস্যও আছে, বড়ো-অবড়ো সদস্য লৈ এইবিলাক গঠন হৈছে। সেই কাৰণে কোনো সংগঠনে ক'ব নোৱাৰে যে বি এ চিত কেৱল বড়োসকল আছে। অনাবড়োসকল তাত নাই, এই কথাটো ইয়াত আহিব নোৱাৰে। গতিকে মাননীয় অধ্যক্ষ মহোদয়, কাউন্সিলখন গঠন কৰি দিয়াৰ আগতে কিছুমান কথা চিন্তা যাতে এই চৰকাৰে কৰে তাৰ বাবে অনুৰোধ জনালো। ৰাজ্যপালৰ ভাষণৰ যোৱা ১৫ তাৰিখৰ পৰা আৰম্ভ হোৱা গোসাইগাঁও, কোকৰাঝাৰ জিলাৰ গোষ্ঠীগত সংঘৰ্ষৰ কথাই ঠাই পাইছে। এতিয়া জিলা প্ৰশাসনে ক'ব বিচাৰিছে যে সংঘৰ্ষপিড়িত অঞ্চলসমূহ এতিয়া আয়ত্তলৈ আহিছে। কিন্তু মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে সকলো সদস্যকে অৱগত কৰাব বিচাৰিছো যে যদিও জিলা

প্ৰশাসনে আমাৰ আদিবাসী ভাইসকলে যিসকলে এতিয়াও শিবিৰত আশ্ৰয় লৈ আছে তেখেতসকলৰ পৰিস্থিতি নিয়ন্ত্ৰন হৈছে বুলি দাবী কৰিব বুলি জোৰকৈ ভাৰে তেতিয়াহ'লে সংঘৰ্ষ দমন নহ'ব বৰং বেছি হ'ব। বাতৰি কাকতৰ জৰিয়তে আপুনি অৱগত হৈছে যে আমি জিলা প্ৰশাসনক জনাইছিলো যি সকল আদিবাসী শিবিৰত আশ্ৰয় লৈ আছে তেওঁলোকৰ হাতৰ পৰা ধনুকাড় চিজ কৰিব লাগে। কিন্তু জিলা প্ৰশাসনে এই কাম কৰা নাই। আদিবাসী সকলক ধনুকাড় ল'বলৈ দি কন্সপিৰেচি' কৰি আছে। সেই কাৰণে শিবিৰত থকা আদিবসী ভাইসকলৰ পৰা ধনুকাড় লোৱাৰ কাৰণে অনুৰোধ জনালো। আমাৰ বড়ো জনগোষ্ঠী আৰু আদিবাসী ভাইসকলৰ মাজত কোনো শত্ৰুতা নাছিল। কিন্তু তিনি গৰাকী গাভৰু ছোৱালী মৃত অৱস্থাত পোৱাৰ পিছত গোসাঁইগাৱত গোষ্ঠী সংঘৰ্ষ হয়। তাৰ পিছত কিছুমান ৰাজনৈতিক দলে নিজৰ লাভালাভৰ কাৰণে উচতনী দিছে যাৰ ফলত সংঘৰ্ষ আন আন ঠাইলৈ বিয়পিছে। গুৱাহাটী চহৰত তেখেতসকলে হাতত ধনুকাড় লৈ প্ৰচেশ্যন কৰাটো অসমৰ ৰাইজে দেখা পাইছে। কিছুমান বাতৰিত বড়ো সকলক বদনাম দেখা পাইছো। বি এ চি এলেকাৰপৰা অবড়ো লোক সকলক খেদাই পঠাইছে। মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে জনাব বিচাৰিছো যে বি এ চি এলেকাৰ পৰা কোনো দিনে অবড়ো লোক সকলক খেদাৰ কাৰণে ব্যৱস্থা হাতত লোৱা নাই। অলপ আগতে কৈছো যে বি এ চি সংগঠন যিটো সংগঠন বি এ চি পৰিচালনা কৰি লৈ যোৱাৰ কাৰণে গঠন কৰা হৈছে। অকল বড়ো সদস্যই নহয় বি এ চি এলেকাত থকা সকলো জনগোষ্ঠী ফালৰ সদস্য হিচাপে আছে। এই কথা মই জনাব বিচাৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত বহু কথাই ঠাই পাইছে আমাৰ চহৰ অঞ্চলত খোৱাপানীৰ ব্যৱস্থা আছে, কোকৰাঝাৰ হ'ল বড়ো সকলৰ একমাত্ৰ চহৰ। ইয়াত খোৱাপানীৰ যোগান ধৰা হোৱা নাই। এই কথাটো মই বৰ্তমান চৰকাৰক অনুৰোধ জনাব বিচাৰিছো কোকৰাঝাৰ চহৰত বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা যাতে কৰে। অসমৰ গোটেই চহৰত খোৱাপানী যোগান ধৰা হৈছে।

মোৰ বোধেৰে আমাৰ বড়ো অধ্যুষিত অঞ্চলবিলাকৰ ভিতৰত অসমৰ উত্তৰাঞ্চলৰ ভিতৰত ভুটান পাহাৰৰ পৰা নামনিলৈ বৈ অহা নদীবিলাক খৰস্ৰোতা নদী আৰু সেই কাৰণেই অলপ বৰষুণ হ'লেই এই নদীবিলাক ফেনেফুটুকাৰে

আহি বিস্তীর্ণ এলেকাক প্লাৱিত কৰি তোলে আৰু গাঁও-ভূই খহাই লৈ যায়। উদাহৰণস্বৰূপে খড়ভঙা, সংকোচ নদী আৰু বেকী নদী খৰস্রোতা নদী। এই নদীবিলাক সৰুসুৰা বৰষুণতে পাহাৰৰ পৰা বৈ আহি বিভিন্ন জনগোষ্ঠীৰ গাঁও উচন কৰি পেলাইছে। যোৱা বছৰত অলপ বৰষুণ দিওঁতেই এই নদীবিলাকে গতি সলনি কৰিলে ফলত সহস্র বড়ো গাঁও উচন হৈ গ'ল। এই ক্ষেত্রত ফ্লাড কন্ট্রোল মিনিষ্টাৰ আৰু উপায়ুক্তক অনুৰোধ কৰিছিলো যাতে এই নদীবিলাকৰ উপদ্রবৰ পৰা প্রটেকশ্বন বা নিয়ন্ত্রণৰ ব্যৱস্থা কৰা হয় কিন্তু এতিয়ালৈকে কোনো ধৰণৰ ব্যৱস্থা কৰা নহ'ল। ইয়াৰ লগতে ৰাস্তা-ঘাট দলং ইত্যাদি নির্মাণৰ ক্ষেত্রত পূর্বাক্তাসকলে কৈ গৈছে, এই সম্পর্কত বিগত চৰকাৰৰ দিনত বহুবাৰ অনুৰোধ কৰিলো কিন্তু কোনো ব্যৱস্থা নহ'ল; গতিকে মাননীয় অধ্যক্ষ, আপোনাৰ জৰিয়তে সদনক অৱগত কৰিব বিচাৰিছো যে কোকৰাঝাৰ আৰু ধুবুৰী আগতে এখন জিলা আছিল এতিয়া দুখন জিলা হোৱাৰ পাছত ধুবুৰীৰ পৰা কোকৰাঝাৰলৈ অহা-যোৱা কৰিব পৰা চমু ৰাস্তাটোৰ ওপৰত এখন দলং আছে আৰু এই ৰাস্তাৰে অজস্র মানুহে অহা-যোৱা কৰে, এই দলংখন নির্মাণ কৰিবলৈ বহু দিনৰেপৰা অনুৰোধ জনাই আহিছো। এই নদীখনেও গতি সলনি কৰিছে। কিন্তু আজিলৈকে কোনো ব্যৱস্থা নহ'ল। এতিয়া নতুন চৰকাৰ গঠন হৈছে। অৱশ্যে নতুন চৰকাৰ গঠন হোৱা আজি এমাহো হোৱা নাই তথাপিও এই নতুন চৰকাৰকেই মই অনুৰোধ কৰিলো যাতে এই পথটোত থকা দলংখন নির্মাণ কৰাৰ দায়িত্ব হাতত লয় আৰু জনসাধাৰণৰ আস্থা চৰকাৰৰ ওপৰত থাকে আৰু এইখিনিকে অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো। ধন্যবাদ।

মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্য গৱাকীয়ে ইণ্ডিপেনডেন্ট হিছাপে আলোচনাত বহুসময় ল'লে। এতিয়া মাননীয় সদস্য মহেন্দ্র মোহন ৰায়চৌধুৰী দেৱে ক'ব।

*শ্রীমহেন্দ্র মোহন ৰায়চৌধুৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি মাননীয় সদস্য হিতেন্দ্র গোস্বামী ডাঙৰীয়াই ৰাজ্যপালৰ ভাষণৰ ওপৰত যিটো ধন্যবাদসূচক প্রস্তাৱ আনিছে সেই প্রস্তাৱ মই পূর্ণ সমর্থন জনাইছো। বর্তমান অগপ চৰকাৰ গঠন হ'ল যি পৰিস্থিতিত অসমৰ জনসাধাৰণে পূর্বৰ চৰকাৰক উৎখাত কৰি অগপ চৰকাৰ গঠন কৰিলে সেইটো ইতিহাসে ক'ব। বিগত কংগ্রেছ চৰকাৰৰ কুশাসনৰ ফলস্বৰূপে অসমৰ ৰাইজে এটা পৰিবর্তন বিচাৰিছিল আৰু সেয়েহে অসমৰ ৰাইজে আগৰ চৰকাৰৰ ওপৰত আস্থা হেৰুৱাই অগপ চৰকাৰ গঠন কৰিলে কিন্তু

* Speech not corrected

চৰকাৰ গঠন হোৱাৰ পিছতেই ৰাজ্যখনত যিটো পৰিস্থিতিৰ উদ্ভৱ হ'ল সেই পৰিস্থিতিৰ মোকাবিলা কৰি পৰিস্থিতি নিয়ন্ত্ৰণ কৰিছে তাৰ বাবে বৰ্তমান চৰকাৰক ধন্যবাদ নিদি নোৱাৰিলো। বিগত চৰকাৰৰ দিনত এনে ধৰণৰ শাসন চলিছিল বিশেষকৈ ৰাজ্যখনত আইন-শৃংখলাৰ নামত ৰাজ্যখনৰ ডেকা-গাভৰুৰ ওপৰত আইন-শৃংখলাৰ নামত সামৰিক, অৰ্দ্ধ সামৰিক বাহিনী মেলি দিছিল আৰু সেই সময়ত আন্দোলনকাৰীক টায়াৰ, কেৰাচিন তেল দি জ্বলাই পুৰি মাৰিছিল। এনকাউণ্টাৰ কৰা বুলি নিৰ্দোষী যুৱকক ধৰি নি জ্বলা চিগাৰেট গাত লগাই জ্বলাই দিছিল। আইন-শৃংখলা ৰক্ষা কৰাৰ নামত সেই সময়ত ৰাজ্যখনত এক ৰাজনৈতিক কালিমা খান্দি দিছিল। আজি আমাৰ ৰাজ্যখনত আমাৰ জনসাধাৰণে আত্মনিয়ন্ত্ৰণৰ কথা ভাবিবলৈ বাধ্য হৈছে কিয়নো বিগত ৫০ বছৰ কাল আমাৰ এই উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনক কেন্দ্ৰীয় চৰকাৰে মাহী আইৰ চকুৰে চাই আহিছে। কেন্দ্ৰীয় চৰকাৰে আমাৰ ৰাজ্যখনৰ জনসাধাৰণক প্ৰকৃত প্ৰাপ্যৰ পৰা বঞ্চিত কৰি আহিছে। বিগত কংগ্ৰেছৰ সুদীৰ্ঘ কাল শাসনৰ পাছতো তেওঁলোকে ৰাজ্যখনৰ জনসাধাৰণৰ অন্তৰত লুকাই থকা বেদনাৰ কথা নুবুজাৰ কাৰণে আজি এনে এটা অৱস্থাৰ সৃষ্টি হৈছে, নহ'লে কিহৰ যাতনাত এই সংযুক্ত মুক্তি বাহিনীকে ধৰি বি, এচ, এফ ইত্যাদি সংগঠনৰ ল'ৰা-ছোৱালীবিলাকে নিজৰ ঘৰবাৰী এৰি জংগলে জংগলে ঘুৰি ফুৰিব লগীয়া হৈছে। বিগত কংগ্ৰেছ চৰকাৰে আচল সমস্যাটোৰ ভিতৰলৈ নগৈ ছালফাৰ সৃষ্টি কৰি আলফা-ছালফাৰ মাজত ভাতৃঘাতী সংঘৰ্ষৰ সৃষ্টি কৰিছে। কি কাৰণত সেই ল'ৰা-ছোৱালীবিলাকে আন্দোলন কৰিছে সেই বিষয়টো ভাল ধৰণে পৰ্য্যালোচনা কৰি ইয়াৰ প্ৰকৃত কাৰণ বিচাৰি ইয়াৰ এক বিস্তৃত ব্যাখ্যা দাঙি ধৰিব লাগে। প্ৰকৃত সমস্যাটোৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰি কেনেদৰে আন্দোলনকাৰী সকলক ঘুৰাই আনিব পাৰি সেইটোহে আচল কাম হ'ব। ৰাজনৈতিক আলাপ-আলোচনাৰ মাজেদি এই সমস্যাবিলাকৰ সমাধান বিচাৰি উলিয়াবলৈ যত্নপৰ হ'ব লাগে। বিগত কংগ্ৰেছ চৰকাৰৰ দিনত সমস্যাটো সমাধানৰ কথা নাভাবি কেৱল ভাতৃঘাতী সংঘৰ্ষৰ সৃষ্টি কৰা হ'ল।

আজি বি, এচ, এফৰ লগত আলোচনা কৰা নাই, জনজাতি ভাইসকলক মৃত্যুৰ মুখত ঠেলি দিয়া হৈছে। কেন্দ্ৰীয় চৰকাৰৰ পৰা শোষিত হৈছে, ফলস্বৰূপে তেওঁলোকে আজি বনে জংঘলে হাবিয়ে বননিয়ে থাকিব লগা হৈছে। তেওঁলোকৰ সমস্যা সমাধান কৰিব লাগিব, কথাবিলাক বাস্তৱত ৰূপায়িত কৰিব লাগিব।

অধ্যক্ষ মহোদয়, এল পি, স্কুলৰ চাকৰিৰ কাৰণে ৪০ হাজাৰ টকাৰ দৰ্কাৰ, থাৰ্ড গ্ৰেডৰ চাকৰিৰ কাৰণে ৬০ হাজাৰ দিব লাগে আৰু অফিচাৰৰ কাৰণে দুই লাখ পৰ্য্যন্ত টকা লাগে। সেই কাৰণে আজি চৰকাৰে নিয়োগৰ ক্ষেত্ৰত নিয়োগ নীতি ৰচনা কৰিব লাগিব। কেনেকৈ নিযুক্তি দিব, আচলতে শুদ্ধ প্ৰমাণ হয় নে নহয় অনুসন্ধান কৰি চাব লাগে। যিবিলাক শিক্ষক নিযুক্তি দিছে তেওঁলোকে ন্যায়ালয়ৰ ওচৰ চাপিব, তেওঁলোকৰ যোগ্যতা আছে নে নাই যি বিভাগতে নিযুক্তি নকৰক কিয় উপযুক্ত হয় নে নহয় সেইটো ওলাই পৰিব। কোঁচ ৰাজবংশীসকলক যি উদগনি দিয়া হৈছে তাৰ বাবে ধন্যবাদ দিছো। তেনেকৈ একে জনগোষ্ঠী শৰণীয়া কোঁচ এবাৰ জনজাতি কৰি আকৌ দোধৰমোধৰত ৰাখিছে। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে যাতে ভূমিকা লয় তাৰ কাৰণে অনুৰোধ কৰিছো। ৰাজ্যপাল মহোদয়ৰ ভাষণত যি কোৱা হৈছে তাৰ বাবে সুখী হৈছো। ৰাজ্যলৈ অধিক ক্ষমতা দিবৰ কাৰণে যাতে ফেডাৰেল গাঁঠনি হয়। চৰ উন্নয়নৰ ক্ষেত্ৰত এটা বাস্তৱ ভূমিকা ল'ব লাগে। আগতে যি লোৱা হৈছিল সেইবিলাক কাৰ্য্যকৰী হোৱা নাই। মাটিৰ ক্ষেত্ৰত পট্টা দিয়াৰ যাতে ব্যৱস্থা হয় তাৰ কাৰণে মই ৰাজ্য চৰকাৰক অনুৰোধ জনাইছো। অসম চুক্তি হয় নে নহয় তাৰ কাৰণে জনসাধাৰণে ভাবি আছে। আমিও যেতিয়া বিৰোধী পক্ষত আছিলো তেতিয়া ভাবিছিলো। এই ক্ষেত্ৰত আমাৰ চৰকাৰে যি প্ৰতিশ্ৰুতি দিছে প্ৰকৃতাৰ্থত যাতে কাৰ্য্যকৰী হয় অসম চুক্তি যাতে ৰূপায়ন হয় তাৰ প্ৰতি লক্ষ্য ৰাখিবলৈ অনুৰোধ কৰিলো। দুৰ্নীতি নিবাৰণৰ ক্ষেত্ৰত যি ব্যৱস্থা লোৱা হৈছে, গ্ৰাম্য উন্নয়ন যদি কৰিব নোৱাৰে তেতিয়া হ'লে ৰাজ্য শাসন কৰি লাভ নহ'ব। আজি ৰাস্তাঘাট নাই, দলং নাই, গাঁৱত কেৰাচিন নাই, নিৰ্ব্বাচনৰ সময়ত কোনো যোগাযোগ কৰিব পৰা নাই। কৃষিৰ ক্ষেত্ৰত বিভিন্ন স্কীমত কোটি কোটি টকা আহে, সেই টকা প্ৰকৃতাৰ্থত কৃষক ৰাইজে পাইছে নে নাই। মোৰ সমষ্টিত এনেকুৱা কৃষক আছে যে আলু গছৰ পৰা বীজ উলিয়াইছে, কিন্তু তেওঁৰ নাম কৃষি বিভাগৰ লিষ্টত নাই। তেওঁলোকে উৎপাদন কৰা বস্তু দেশৰ বাহিৰলৈ গৈ আছে। কৃষি ভিত্তিক যি মহকুমা দিয়া হয় সেইবিলাক যাতে জনসাধাৰণৰ বাবে ব্যৱহাৰ হয়, ৰাজনৈতিক স্বাৰ্থত যাতে ব্যৱহাৰ নহয় তাৰ কাৰণে অনুৰোধ ৰাখি ৰাজ্যপাল মহোদয়ৰ ভাষণক ধন্যবাদ জনাই মোৰ বক্তব্য সামৰিছোঁ।

Mr. Speaker : Now I request Hon'ble Member Shri Bharat Chandra Narah.

* শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণখন মই কালি গোটেই ৰাতি পঢ়িছো। ইয়াত নতুন বাক্য, নতুন শব্দ আছে নেকি? এটাও নতুন শব্দ নাই, মই অসম বিধান সভাৰ ৯১ খন ৰাজ্যপালৰ ভাষণ পঢ়িছো, প্ৰতিটো ভাষণতে পৰম্পৰাগত শব্দ, বাক্য পাইছো। একেটা কথা প্ৰচেষ্টা চলোৱা হ'ব, আলোচনা কৰা হ'ব, আনুষ্ঠানিক ভিত্তিত জনোৱা হ'ব, তাৰ বাদে একো নাই। অসম গণ পৰিষদ চৰকাৰ গঠনত মই আচৰিত নহলোহেঁতেন, মই আশা কৰিছিলো কিবা এটা নতুন পাম। পাঁচ দলীয় চৰকাৰে আমাৰ অভিজ্ঞ জ্যেষ্ঠ শ্ৰীপ্ৰমোদ গগৈ মন্ত্ৰী, আমাতকৈ অভিজ্ঞ। ইউ, পি, পি, এ শ্ৰীআব্দুল মুহিব মজুমদাৰ মন্ত্ৰী হৈছে, চি, পি, এমৰ অভিজ্ঞ শ্ৰীহেমেন দাস এই চৰকাৰৰ পৰামৰ্শদাতা। ইয়াৰ লগত বিশিষ্ট ৰাজনৈতিক নেতা শ্ৰীহলিৰাম টেৰাং মন্ত্ৰণাদাতা। ইমানবিলাক অভিজ্ঞ ব্যক্তি থকা সত্বেও ৰাজ্যপাল মহোদয়ৰ ভাষণত একো নতুনত্ব নাই, নতুনত্ব নথকাটো স্বাভাৱিক। কাৰণ চি, পি, আই, চি পি, এম, এ, এচ, ডি চি, এ, জি, পি, চৰকাৰৰ ৰাজনীতি হৈছে অসমৰ পৰা কংগ্ৰেছক আঁতৰাব লাগে। নিৰ্ব্বাচনৰ এই হিচাপ বাস্তৱ ৰূপ লৈছে, কংগ্ৰেছক সেইমতে আঁতৰ কৰা হ'ল। আজি নেতৃত্বত পাঁচ দলীয় চৰকাৰ হ'ল। এতিয়া কোনো নতুন কাৰ্য্যসূচী নাই, কোনো উদ্দেশ্য নাই, কাৰ্য্যসূচী থকা হ'লে এই ভাষণখনত নতুন নতুন শব্দ থাকিলহেঁতেন। এই কাৰণে কৈছো যে আজি পাঁচ দলীয় মৰ্চা চৰকাৰে ৰাইজৰ যে কিবা কৰিব পাৰিব মোৰ সন্দেহ আছে। সেই কাৰণে মই কৈছো যে আজি এই পাঁচ দলীয় মৰ্চা চৰকাৰে (সমৰ্থিত হওক বা জড়িতই হওক) জনসাধাৰণৰ কাৰণে কিবা এটা কৰিব পাৰিব বুলি মোৰ সন্দেহ আছে। এইটো এটা পাঁচ দলীয় মৰ্চা চৰকাৰ নহয় এইটো এটা আধুনিক ৰবটহে। পাঁচটা দল লগ লাগি এটা কৃত্ৰিম মানৱ দেহ গঠন কৰা হৈছে। এই দেহৰ মূৰটো হৈছে চি, পি, এম, চকু দুটা হৈছে চি, পি, আই, ভৰি দুখন হৈছে এ, এচ, ডি, চি, হাত দুখন হৈছে ই, পি, পি আৰু শৰীৰটো হৈছে এ, জি, পি। মই ভাবো অতি সোনকালে এই দেহৰ পৰা এটা এটাকৈ অংগ নাইকীয়া হ'ব। প্ৰথমতে ইয়াৰ চকু দুটা ওলাই যাব। কিন্তু যিহেতু পাখীৰ বস্তু গতিকে ওলাই যোৱাৰ পিচতো একো নহ'ব যেন লাগে। মোৰ বিশ্বাস এই চৰকাৰে ৰাইজৰ কাৰণে একো কৰিব নোৱাৰে। আঞ্চলিক দলৰ চৰকাৰ হৈ তেওঁলোকে কৰা কামবোৰ হ'ব প্ৰথমতে তেওঁলোকে কংগ্ৰেছক গালি পাৰি থাকিব আৰু তাৰ পিচত তেওঁলোকে কেন্দ্ৰীয় চৰকাৰক গালি পাৰিব। তাৰ পিচতেই নিৰ্বাচন আহি আছে। আঢ়ৈ বছৰে তেওঁলোকে কংগ্ৰেছক গালি পাৰি

* Speech not corrected

থাকিব আৰু আঢ়ৈ বছৰ পিচৰ তেওঁলোকে তেওঁলোকৰ ব্যৰ্থতা ঢাকি ৰাখিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰক গালি পাৰি থাকিব। মই ভাবিছিলো দুইমাহমান পিচত এই প্ৰক্ৰিয়াটো আৰম্ভ হ'ব। তেওঁলোকে আৰক্ষী অধীক্ষক হত্যা, মেৰাপানীৰ সংঘৰ্ষ, কোকৰাঝাৰ-গোসাঁইগাঁৱৰ সংঘৰ্ষ, হত্যাকাণ্ড আদিৰ ঘটনা কংগ্ৰেছৰেই ষড়যন্ত্ৰ বুলি ক'ব খোজে। নিজৰ ল'ৰা-ছোৱালীক কোনোবাই ভুল দেখুওৱাৰ পিচত সেই ভুল সংশোধন কৰাৰ পৰিবৰ্তে যদি উচটনিহে দিয়ে তেতিয়াহ'লে সেই ল'ৰা-ছোৱালী অধঃপতনে যায়। চি, পি, এম আৰু এ, এচ, ডি, চিয়ে এ, জি পিক সমালোচনা কৰিবলৈ ভয় খাইছে। কিন্তু তাৰ ফলাফল কি হ'ব? মাননীয় অধ্যক্ষ মহোদয়, কংগ্ৰেছে এই ষড়যন্ত্ৰবিলাক কেনেকৈ কৰিব পাৰিলে? মুখ্য সচিব পলাল, আৰক্ষী সঞ্চালক প্ৰধান পলাল আৰু তেওঁলোক পলোৱাৰ কাৰণেই এচ, পিক হত্যা কৰা হ'ল নেকি? পৰাগ দাসক হত্যা কৰা হ'ল নেকি? কিন্তু তেওঁলোক থাকোতেওতো মিনু চেতিয়া আৰু নগেন নেওগক হত্যা কৰা হৈছিল। এজন মুখ্য সচিব পলাই গ'লেই কোকৰাঝাৰত হত্যাকাণ্ড বা গোষ্ঠী সংঘৰ্ষ হৈছে সেইটো যুক্তিৰ কথা নহয়। কাৰণ পলাই যোৱাৰ পিচতো নিশ্চয় তেওঁলোকৰ চাৰ্জত কোনোবা আছিল। কংগ্ৰেছ চৰকাৰ থকা সময়তো অসম-নগালেণ্ড সীমান্তত সংঘৰ্ষ হৈছিল। কংগ্ৰেছ চৰকাৰ থকাৰ কাৰণে কোকৰাঝাৰ গোসাঁইগাঁৱত সংঘৰ্ষ, হত্যা আদি যে হৈছে সেইটো আমি মানিব নোৱাৰো। ১৯৯২ চনত যেতিয়া কংগ্ৰেছ আছিল মেৰাপানীত তেতিয়াও সংঘৰ্ষ হৈছিল। কংগ্ৰেছ চৰকাৰ থাকোতেও বৰপেটাত সংঘৰ্ষ, হত্যা আদি হৈছিল। তেতিয়া কোনে ষড়যন্ত্ৰ কৰিছিল। মুঠতে আচল যিটো সমস্যা আৰু ব্যৰ্থতা সেইটো ঢাকি ৰাখিবৰ কাৰণেই তেওঁলোকে চেষ্টা কৰিছে যাতে এই আঢ়ৈ বছৰ কাল তেওঁলোকে কেনেকৈ পাৰ কৰিব পাৰে। মুখ্য সচিব পলাই গ'ল বুলিয়েই তেওঁলোকে এনেয়েই বহি থাকিব নেকি? ১০ মে' তাৰিখে সম্পূৰ্ণ ফলাফল ওলাল যে এ, জি, পি আৰু তেওঁলোকৰ মিত্ৰ গোষ্ঠীয়ে সংখ্যাগৰিষ্ঠতা পাইছে। ১১ তাৰিখে তেওঁলোকে যিহেতু পলাই গৈছে তেতিয়া লগে লগে আপোনালোকে কিবা এটা কৰিব পাৰিলেহেঁতেন। স্থায়িনাত বংশীলাল ডাওবীয়াই ১১ মে' তাৰিখেই শপত গ্ৰহণ কৰিলে। সংখ্যাগৰিষ্ঠতা পোৱাৰ লগে লগে মহন্ত ডাওৰীয়াই চৰকাৰ গঠন কৰিব পাৰিলেহেঁতেন কিন্তু নকৰিলে, কাৰণ কিছুমান ক্ষেত্ৰত দায়ী হ'ব পাৰে। আপোনালোকে ১১ তাৰিখৰ পৰা প্ৰায় ৫ দিন মান সময় পাইছিল। এই ৫ দিনৰ ভিতৰত এখন বিশ্ব যুদ্ধও হ'ব পাৰে আৰু শান্তিৰ প্ৰতিক্ৰিয়াৰ অৱস্থাও দুৰি

আহিব পাৰে। প্ৰশাসনৰ কাৰণে ৫ দিন সময় যথেষ্ট সময়। আপোনালোকে শপত গ্ৰহণ কৰোতে যথেষ্ট পলম কৰিলে। মুখ্য সচিব, ডি, জি, পি আদিয়ে বেমাৰ হোৱা বুলি ছুটী লৈ গ'ল। মুখ্য সচিব হিচাপে কামিল্লা আৰু ডি জি পি হিচাপে হৃষিকেশনক কিয় নিযুক্তি দিব নোৱাৰিলে? আপোনালোকে কেবিনেট মিটিঙো কৰিছিল। পৰাগ দাসক হত্যা কৰাৰ পিচত আৰু মেডিকেলত পোষ্টমৰ্টাম কৰাৰ পিচতহে খৰখেদাকৈ দুয়োজন বিষয়াক নিযুক্তি দিয়া হ'ল। আপোনালোকে ১৫ মে' তাৰিখে শপত গ্ৰহণ কৰিলে আৰু ৬ জুন তাৰিখেহে মুখ্য সচিব নিযুক্তি দিব পাৰিলে। এডাল গছৰ পৰা ভাল ফল আমি লগে লগেই পোৱাৰ কাৰণে আশা কৰিব নোৱাৰো। কিন্তু সেই গছডালৰ পৰা পাব পৰা ফল ভাল হ'বনে বেয়া হ'ব সেইটো ক'ব পাৰি। উদাহৰণস্বৰূপে ক'ব পাৰি যে যি মূলা বাঢ়ে তাৰ দুপাততে চিন। সেয়ে আপোনালোকে যি কাম কৰিব তাৰ পৰা আমি ভাল কাম আশা কৰিব নোৱাৰো। আপোনালোকে ৰাজ্যখনৰ শাসনভাৰ লোৱাৰ ২৪ ঘণ্টাৰ পিচতেই আমি লক্ষ্য কৰিছো যে বতৰ ফৰকাল নহয়। বৰঞ্চ ডাৱৰীয়াহে হ'ব। সাংবাদিকসকলৰ লগতে অসমৰ ৰাইজেও পাঁচ দলীয় মিত্ৰ চৰকাৰ গঠন কৰাৰ ক্ষেত্ৰত যথেষ্ট অৰিহণা যোগাইছিল। কিন্তু সাংবাদিকসকলৰ লগতে এতিয়া বহুতেই ছাতি আৰু জাপি কিনাৰ কাৰণে চিন্তা কৰিছে বতৰ ডাৱৰীয়া হ'ব বুলি। ১৫ দিনৰ পিচতেই তেওঁলোকৰ মনত এই চিন্তা হৈছে। তেওঁলোকে চিন্তা কৰিছে আঢ়ৈ বছৰমান এই বতৰ ডাৱৰীয়া হৈ থাকিব পাৰে।

মাননীয় অধ্যক্ষ মহোদয়, মই ব্যক্ত কৰা কথাবিলাকৰ কাৰণে আপোনালোক আবেগিক নহ'ব আৰু ভুলবিলাক স্বীকাৰ কৰিবলৈ লাজ নকৰিব। অসম গণ পৰিষদ চৰকাৰ একেবাৰে নতুন নহয়। ৫ বছৰৰ আগতেও আপোনালোক শাসনত আছিল। গতিকে এজন চীফ্ চেক্ৰেটাৰীয়ে কি কৰিব পাৰে, এজন ভণ্ড ডি জি পিয়ে কি কৰিব পাৰে আমাৰ মাননীয় সদস্য বৃন্দাবন গোস্বামী আৰু হিতেন্দ্ৰনাথ গোস্বামীয়ে উল্লেখ কৰিছে। অসমৰ প্ৰয়াত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াদেৱৰ শাসন কালত অসম চুক্তিৰ বিষয়ে ৰাজ্যপালৰ ভাষণত ২০ শাৰীমান লিখিছিল। কিন্তু অসম গণ পৰিষদ চৰকাৰে সেই অসম চুক্তিৰ বিষয়ে মাত্ৰ ৮ শাৰীহে লিখিছে। অসম চুক্তিৰ এতিয়াও অসম্পূৰ্ণ হৈ থকা দফাসমূহ সম্পূৰ্ণকৈ ৰূপায়ণ কৰাৰ ক্ষেত্ৰত জৰুৰী ব্যৱস্থা গ্ৰহণেৰে কামত আগবাঢ়িবলৈ মোৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। বিদেশী নাগৰিকৰ অনুপ্ৰৱেশৰ

সমস্যাটো সমাধান কৰিবলৈ অসম চুক্তিৰ আধাৰত ব্যৱস্থা গ্ৰহণ কৰা হ'ব। অসম চুক্তিৰ কেইটামান দফাৰ ৰূপায়ণৰ ক্ষেত্ৰত থকা বৈধানিক আৰু কাৰিকৰী অসুবিধাসমূহ সংশ্লিষ্ট সকলো শ্ৰেণীৰ লোকৰ পাৰস্পৰিক সদ্ভাৱ আৰু বুজাবুজিৰ জৰিয়তে দূৰ কৰিবৰ বাবে ঐকান্তিক প্ৰচেষ্টা চলোৱা হ'ব।

এই ২৪ টা দিনত অসম চুক্তিৰ বিষয়ে মাত্ৰ কেইকেইটা লাইনহে লিখিব পাৰিলে। কংগ্ৰেছ চৰকাৰৰ দিনত এল অ' চি কেলেংকাৰীৰ কাৰণে হাউচ কমিটী লাগে বুলি কৈছিল। কিন্তু আজি ক্ষমতা পালে যেতিয়া এল অ' চি, হাউচ কমিটী কৰিবলৈ ১০ মিনিট সময় লাগে। নে তাৰ কাৰণে পইচা লাগে।

(ভইচ— আপোনালোকে ইমানদিনে কি কৰিলে)? কংগ্ৰেছে চি বি আইক দিছে। মাননীয় মন্ত্ৰী শ্ৰীপ্ৰমোদ গগৈদেৱে যোৱা ৫ টা বছৰে আগতে এনেকুৱা এটা দাবী উত্থাপন কৰিছিল যে আৰ্মি আৰু ব্লেককেট উইদ্ৰ কৰিব লাগে। আজি তেখেত মন্ত্ৰী, তেখেতে কি কয়? মানে কংগ্ৰেছে অনা আৰ্মি বেয়া। অসম গণ পৰিষদে অনা আৰ্মি ভাল। তেখেত সকলৰ চকু মুদ খাইছে। যেতিয়া চকু মুদ খাব তেতিয়া দেখিব মন্ত্ৰীৰ গাদীখন নাই। মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ মাননীয় কংগ্ৰেছ কৰ্মী সকলক হাৰাশাস্তি কৰাইছে। ৰূপহী, নগাঁও আদি অন্যান্য অঞ্চলৰ কংগ্ৰেছ কৰ্মী সকলক হাৰাশাস্তি কৰিছে। প্ৰাক্তন বিধায়ক, প্ৰাক্তন সংসদ্য সদস্য কংগ্ৰেছ কৰ্মী সকলক হাৰাশাস্তি কৰিছে। আমি মাননীয় মুখ্যমন্ত্ৰী শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তৰ বাসভৱনলৈ গৈ এখন স্মাৰকপত্ৰ দাখিল কৰিছিলো। তেখেতে ব্যৱস্থা লম বুলি কৈছিল। এই বিষয়ে এচ, পি, অ, চিক ক'লে তেওঁলোকে কয় এতিয়া আপোনালোকৰ চৰকাৰ নহয়। মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই কৈছে নগেন নেওঁগ আৰু বীনু চেতিয়াক হত্যা কৰিব পাৰে কিন্তু তেওঁলোকৰ আদৰ্শক কোনেও হত্যা কৰিব নোৱাৰে। প্ৰথমতে কংগ্ৰেছে ২৮% পাইছে। তাৰ মানে ৬৫ খন আসন পাইছে। বাতৰি কাকতত কিয় নোলাব? বিনু চেতিয়া আৰু নগেন নেওঁগক হত্যা কৰা সত্বেও ২৮% পৰা ৬% বাঢ়ি গৈ ৩৪% হ'ল। সেই কাৰণে কংগ্ৰেছ শেষ হ'ল বুলি ভাবিলে ভুল কৰা হ'ব। বৰ্তমান চৰকাৰখনে কৈছে যে জনগোষ্ঠীসকলক প্ৰকৃত স্বায়ত্ত শাসন দিয়া হ'ব। এচ, চি, এচ, টি সকলৰ ভাল হ'ব। বেক লগ আছে। স্পীচিয়েল ড্ৰাইভ কৰি ফিল আপ কৰা হ'ব নে নাই? এই কথাখিনি চাৰিসীমাৰ ভিতৰত থাকিব নে নাথাকে।

মাননীয় অধ্যক্ষ মহোদয়, আত্মনিয়ন্ত্ৰণ আৰু অধিকাৰ আপোনালোকৰ

নিৰ্দেশৰ কাৰণে আমাৰ এনেকুৱা হৈছে। আত্মগোপন ৬০ দশকত আকালি দলে কৰিছে। ৪ টা চাবজেক্ট বাদ দি কৰিছে। ১৯৫২-৫৩ নে ৫০ দশকত আদি আম্মাদ মই যিমান দূৰ জানো চি পি এমৰ চাব লাগে। সেই কাৰণে আত্মনিয়ন্ত্ৰণ, অধিকাৰ দাবীটো নতুন নহয়। এই দাবীবিলাক প্ৰথমে কোনে উলিয়াইছিল। ১৯৮৫-৯০ চনলৈকে উল্লেখিত দাবীবোৰ নতুন নহয়। আমেৰিকাৰ ৰাষ্ট্ৰপতি উইদ্ৰ উইলচনৰ ১৪ টা দফা আছিল। ১৯১৪ চনত আত্মনিয়ন্ত্ৰণ নীতিৰ ওপৰত এই দফা কৰিছিল। আত্মনিয়ন্ত্ৰণৰ কাৰণে ইউৰোপত কি হ'ল? ছোভিয়েট ৰাছিয়াই কি আছিলে? কিন্তু গৰ্ভাচভে ছোভিয়েট ৰাছিয়াক স্বাধীনতা দিয়াত কি লাভ হ'ল? বেলেগে বেলেগে প্ৰদেশ হ'ল। আমেৰিকা যুক্তৰাজ্য গঠন কৰা ৪ টা চুক্তি ৰাষ্ট্ৰই লিখিব। বাকীবিলাক অন্যান্য ৰাজ্যক দিব। কানাডাক কিয় নিদিয়ে? মই ভাবো অসমত আত্মনিয়ন্ত্ৰণ আৰু কৰ্মসংস্কৃতিৰ প্ৰয়োজন। কৰ্মসংস্কৃতি যদি নাথাকে তেতিয়াহ'লে আত্মনিয়ন্ত্ৰণৰ অধিকাৰে অসমক একো দিব নোৱাৰে। বেলেগে বেলেগে ৰাজ্যত এইবিলাক বিষয় পৰীক্ষা-নিৰীক্ষা কৰা হৈ গৈছে। অধ্যক্ষ মহোদয়, আলফাক আলোচনালৈ নিমন্ত্ৰণ কৰিছে আমাৰ গণ পৰিষদ তথা ৫ দলীয় মৰ্চা চৰকাৰে, আমি ইয়াৰ সমৰ্থন জনাইছো। আমাৰ কংগ্ৰেছ চৰকাৰে সমৰ্থন জনাইছে। কিন্তু আলফা বি এচ এফৰ লগত আলোচনাৰ প্ৰক্ৰিয়া প্ৰথমে অগপ চৰকাৰে আৰম্ভ কৰা নাই। আমাৰ প্ৰয়াত মুখ্যমন্ত্ৰীয়ে এই সংগঠনৰ ডাঙৰ ডাঙৰ নেতাসকলক লৈ গৈছিল প্ৰধানমন্ত্ৰী নৰসিংহ ৰাওৰ লগত আলোচনাৰ বাবে। কিন্তু আলফাৰ মাজত আলোচনা কৰা নকৰা লৈ মতানৈক্য হৈ আলোচনাৰ ইতি পৰিল। আজি কিছুমান সদস্যই কংগ্ৰেছক গালি পাৰিছে, ডিজিপিক গালি পাৰিছে, চি, এচক গালি পাৰিলে সন্ত্ৰাসবাদী কাৰ্য্যকলাপৰ বাবে। কিন্তু এনেদৰে গালি পাৰি লাভ নাই। আমি থানা খুলিছো পুলিচ আউট পোষ্ট খুলিছো, এইবিলাক আমি চোৰ-ডকাইত ধৰিবৰ বাবেহে খুলিছো আৰু সেইমতে তাৰ পুলিচসকলক ট্ৰেইনিং দিয়া হৈছে। কিন্তু তেওঁলোকে তেওঁলোকতকৈ ওপৰত প্ৰশিক্ষণপ্ৰাপ্ত সন্ত্ৰাসবাদীসকলক ধৰে কেনেকৈ। গতিকে আপোনালোকে কংগ্ৰেছক গালি পাৰি থাকিলেই নহ'ব। আপোনালোকক কংগ্ৰেছক গালি পাৰিবলৈ জনসাধাৰণে ভোট দি পঠোৱা নাই। কংগ্ৰেছ চৰকাৰে কি কৰিলে ৰাইজে সেইটো বিচৰা নাই, ৰাইজে বিচাৰিছে আপোনালোকে কি কি কৰিব। নিৰ্বাচনী ইস্তাহাৰত আমাৰ মহন্ত ডাঙৰীয়াই কৈছিল আত্মনিয়ন্ত্ৰণৰ বাবে গণ পৰিষদে অবিৰত সংগ্ৰাম চলাই যাব। ইয়াত কৈছে আত্মনিয়ন্ত্ৰণৰ আনুষ্ঠানিক স্মাৰকপত্ৰ কেন্দ্ৰৰ ওচৰত দাখিল কৰা হ'ব। মাত্ৰ ২৪

দিনৰ ভিতৰতে ৰাইজক প্ৰতাৰণা কৰিলে। উপাধ্যক্ষ মহোদয়, আজি তেওঁলোকে মেৰাপানীৰ সংঘৰ্ষ কোনে লগালে কোকৰাঝাৰ আৰু গোসাঁইগাঁৱৰ সংঘৰ্ষ কোনে লগালে এইটো বিচাৰ কৰাৰ পৰিবৰ্তে তেওঁলোকে এই সংঘৰ্ষত কিমান মানুহ মৰিল, আশ্ৰয় শিবিৰত কিমান মানুহ আছে, আশ্ৰয় শিবিৰৰ কিমান মানুহ অনাহাৰত মৰিল সেই বিলাক তথ্যহে এই সদনত দাখিল কৰিব লাগিছিল। মই আশা কৰিছো এই কথাখিনি আপোনালোকে চিন্তা কৰিব। নহ'লে আঢ়ৈ বছৰ কংগ্ৰেছ চৰকাৰক আৰু আঢ়ৈ বছৰ কেন্দ্ৰীয় চৰকাৰক গালি পাৰোতেই যাব।

মাননীয় অধ্যক্ষ ঃ এতিয়া মাননীয় সদস্য হেমন্ত কলিতাই ক'ব।

* শ্ৰীহেমন্ত কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপালৰ ভাষণৰ প্ৰতি সমৰ্থন জনাই মই দুআষাৰ মান ক'ব খুজিছো। মোৰ পূৰ্বৰ বক্তা শ্ৰীভৰত নৰহ ডাঙৰীয়াই তেখেতৰ বক্তৃতাত কিছুমান কথা উল্লেখ কৰিছে। মই তেখেতক সুধিব বিচাৰিছো এই পৰিস্থিতি কিয় হ'বগৈ পালে। চাৰিজনকৈ জ্যেষ্ঠ বিষয়া অসম ত্যাগ কৰি অসমত যিটো পয়ালগা প্ৰাশাসন এৰি থৈ গৈছে সেই পয়ালগা প্ৰশাসনেৰে আমাৰ চৰকাৰে কাম আৰম্ভ কৰিবলগীয়া হৈছে। আমাৰ তিতাবৰ সমষ্টিৰ মেৰাপানীত যি সংঘৰ্ষ হৈছে তাত কংগ্ৰেছৰ যে হাত আছে তাৰ প্ৰমাণ মোৰ হাতত আছে। এই প্ৰমাণৰ তথ্য দৰকাৰ হ'লে মই সদনত দাখিল কৰিব পাৰিম। উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত কিছুমান নতুন কথা সন্নিবিষ্ট হৈছে। চাৰিটাকৈ চেন্ট্ৰেল চাবজেক্ট, ষ্টেট চাবজেক্ট কৰাৰ কথা কোৱা হৈছে। এইটো জানো ৰাজ্যপালৰ ভাষণত নতুন বিষয় নহয়। ইয়াৰ পৰা অসমৰ জনসাধাৰণ বহুত উপকৃত হ'ব। অ, এন, জি, চি, অইল ইণ্ডিয়া, ক'ল ইণ্ডিয়া, আদি চেন্ট্ৰেল চাবজেক্টত থকা বিষয়বিলাক ষ্টেট চাবজেক্ট হ'লে অসমৰ জনসাধাৰণৰ ভালেখিনি উন্নতি হ'ব। কাৰণ অ, এন, জি, চি, অইল ইণ্ডিয়া, ক'ল ইণ্ডিয়া চেন্ট্ৰেল চাবজেক্টত থকাৰ কাৰণে তাৰ পৰা অসম চৰকাৰে বিশেষ সুবিধা ল'ব নোৱাৰে। কিন্তু এইবিলাক ষ্টেট চাবজেক্টৰ অন্তৰ্ভুক্ত হ'লে তেওঁলোকক অসমৰ উন্নয়নৰ বাবে আৰ্থসামাজিক কামত ব্যৱহাৰ কৰিব পৰা হ'ব।

নিয়োগৰ ক্ষেত্ৰত কৃষিভিত্তিক উদ্যোগৰ কথাত আমি ভাবিব লাগিব নহ'লে আমি সমস্যা সমাধান কৰিব নোৱাৰো। এই ক্ষেত্ৰত আনুষংগিক দিশ কিছুমানো আছে। ১৯৮৫ চনৰ পৰা ১৯৯০ চনলৈ যেতিয়া গণ পৰিষদ চৰকাৰ আছিল সেই সময়ত চেৰিকালচাৰ কলেজ এখন খোলাৰ ব্যৱস্থা কৰিছিল আৰু

* Speech not corrected

আই, চিয আৰৰ পৰা ৫০ লাখ টকা দিছিল। কিন্তু সেই টকাটো এই শিতানত ব্যৱহাৰ নহ'ল। বিশেষকৈ যোৱা ৫ বছৰত এই ক্ষেত্ৰত বিশেষ একো আগ নাবাঢ়িল। যোৱা ৫ বছৰত তেওঁলোকে নিবনুৱা সমস্যা কিভাৱে সমাধান কৰিব বিচাৰিছিল সেইটো এটা অন্য অধ্যায়। আমি আজি ৰাজ্যপালৰ ভাষণত সমৰ্থন জনাইছো, যিহেতুকে এই ৰাজ্যপালৰ ভাষণৰ জৰিয়তে অসমৰ নতুন কৰ্ম সংস্কৃতি বুনিয়াদ গঢ়ি তোলাৰ আভাষ আমি ৰাজ্যপালৰ ভাষণতেই পাইছো। আমি কেৱল কথাৰে নহয়, ভাষাৰে নহয় কৰ্মেৰে আমি পৰিচয় দিম। দেশৰ কাম কৰিবলৈ আহিছো দেশৰ হকে কাম কৰি যাম। অসম চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত আমি সকলোৱে একমুখে এক ভাষাৰে কাম কৰি যাব লাগিব। তেতিয়া যদি অসম চুক্তি ৰূপায়ণ কৰিব পৰা হ'ব। চাহ জনগোষ্ঠীৰ কল্যাণৰ হকে গণ পৰিষদ চৰকাৰে ৫০ পইচাকৈ লৈ কাম কৰিবলৈ আগ বাঢ়িছিল। কিন্তু চৰকাৰ পৰিৱৰ্তন হোৱাৰ লগে লগে কংগ্ৰেছ চৰকাৰে ১৮ পইচাকৈ কমাই দিলে কিয়? চাহ মালিকৰ লগত মিলিত হৈ চাহ মালিকৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে কৰিলে নেকি? যেতিয়া কেন্দ্ৰীয় চৰকাৰ মন্ত্ৰী সভাৰ পৰা তৰুণ গগৈ ঘূৰি আহিল, তেতিয়া সকলোৰে মুখত একেষাৰ কথাই আহিল পৱন সিং ঘটোৱাৰ মন্ত্ৰী সভাত থাকিল অসমৰ পৰা এজন হ'লেও মন্ত্ৰী আছে। এই বুনিয়াদ মাত্ৰ অসম আন্দোলনৰ ফলাফল। অসম আন্দোলনৰ ভিত্তিতেই চাহ জনগোষ্ঠীৰ এনে ধৰণৰ বুনিয়াদ তৈয়াৰ হৈছিল। কিন্তু কংগ্ৰেছ চৰকাৰে কি কৰিলে? তেওঁলোকৰ অৰ্থনৈতিক দিশটো কোনো দিনেই দেখা নাপালে। মাননীয় সদস্য অৰ্ধেন্দু দে ডাঙৰীয়াই কৈছে যে ১৯৮৫/৯০ চনত চৰ অঞ্চলৰ বাবে আমাৰ চৰকাৰে কোনো কাম নকৰিলে। আৰু তেওঁলোকৰ বিষয়ে কোনো চিন্তাই নকৰিলে। সেই হেতুকে নিৰ্বাচনৰ সময়ত তেওঁলোকে ২৮ শতাংশ ভোট আশা কৰিছিল যদিও ৩৪ শতাংশ ভোট পাইছে। কিন্তু এই ভোট কি বুনিয়াদ পাইছে সেইটোহে আচল কথা। মই ভাবো ৰেগিঙৰ বুনিয়াদতহে পোৱা যেন লাগে। আপোনালোকে ৰাজ্যপালৰ ভাষণত সমৰ্থন জনাওক ভালদৰে কাম কৰক অহাবাৰ চিটৰ সংখ্যাও বাঢ়িব। আপোনালোকে আগৰ ব্যৱস্থা ক'ত ইমান সোনকালে এৰিব পাৰিব আপোনালোকৰ মতেই কাম কৰি যাওক কিন্তু মোৰ অনুৰোধ ভাতৃ সংঘৰ্ষ, সীমা বিবাদ আদিৰ বাবে উচটাই নিদিব। আপোনালোকে আগৰ দুৰ্নীতি এৰি দিব নোৱাৰে সঁচা। কিন্তু ভাতৃঘাতী সমস্যাৰ উদ্ভাৱন কৰি নৰহত্যা কৰি লাভবান হ'বলৈ যোৱাতো আমাৰ বাবে বিচাৰ্য্যৰ বিষয় হ'ব। সেয়ে এনে কিছুমান সমস্যাৰ উচটনি দি উদ্ভাৱন নকৰিবলৈ

আপোনালোকলৈ অনুৰোধ থাকিল। ইতিমধ্যে নাগালেণ্ড সীমামূৰীয়া অঞ্চলত এনে ধৰণৰ আভাষ আমি পাইছো। গাঁও পঞ্চায়তৰ সভাপতিয়ে বিশেষ ধৰণে এই বিষয়ে ডি, চি আৰু এচ, পিৰ লগত আলোচনা কৰিছে। এনে ধৰণৰ উদাহৰণ আমি দিব পাৰো। সেয়ে মই আপোনালোকক বিশেষভাবে অনুৰোধ কৰো যাতে এনে ধৰণৰ উদগনি আপোনালোকৰ ফালৰ পৰা নাই। আপোনালোকে জনমুৰি আইন সামগ্ৰিকভাৱে কাম কৰক সংখ্যাটো ৯০ লৈ নামিব পাৰে। আজি আমি বাস্তৱতাক স্বীকাৰ কৰি এই সদনলৈ আহিছো। অসমৰ ৰাইজে ইতিবাচক হিচাপে লৈছে। পৰিবৰ্তন বিচাৰিছে। গণ পৰিষদ চৰকাৰৰ ওপৰত গুৰুদায়িত্ব দিছে। আমাৰ চৰকাৰও সেই ক্ষেত্ৰত প্ৰগতিৰ পথত আগবাঢ়ি যাব বুলি মোৰ দৃঢ় বিশ্বাস। ইতিমধ্যে বাতৰি কাকতৰ জৰিয়তে অসমৰণ ৰাইজে আকৃষ্ট আদৰ্শৰ চিনাকী দিছে বুলি গণ পৰিষদ চৰকাৰক স্মাৰকপত্ৰ দিছে। কিন্তু আমি চিনাকি দিম আত্মনিৰ্ভৰশীলতাৰ স্মাৰকপত্ৰৰ নহয়। স্মাৰকপত্ৰ দিয়া হ'ব কিন্তু সময় দিয়া হ'ব। সত্যাগ্ৰহ হ'ব। কাৰণ পোনতেই আমৰন অনশন ল'ব নোৱাৰি। অসমৰ ৰাইজে যি দায়িত্ব গণ পৰিষদ চৰকাৰৰ ওপৰত দিছে সেই দায়িত্ব সম্পাদন নকৰাকৈ পলায়নবাদী মনোভাৱৰ আমাৰ নজীৰ নাই। ১০০ বছৰীয়া কংগ্ৰেছ দলৰ যি আদৰ্শ সেই আদৰ্শ কিমান দূৰ আমি গ্ৰহণ কৰিব পাৰো দেখা যাওঁক। মই আশা ৰাখিছো যে ৰাজ্যপালৰ ভাষণত নতুন যি জাতীয় বুনিয়াদৰ বাস্তৱ ছবি দাঙি ধৰিছে সেইটো সকলো মাননীয় সদস্যই কৰে যেন।

এই ক্ষেত্ৰত মই অসমৰ সম্পদৰাজীৰ জৰিয়তে অসমৰ অৰ্থনৈতিক উন্নয়নৰ বুনিয়াদ গঢ়িব পাৰো তাৰ কাৰণে চিন্তা কৰিব লাগে আৰু আমি সকলোৱে দল নিৰ্বিশেষে ৰাজ্যখনৰ সৰ্বাংগীন উন্নতিৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আমাৰ অসমত ব্ৰহ্মপুত্ৰ যাতে অভিশাপ স্বৰূপ নহৈ আশীৰ্বাদ স্বৰূপ হয় তাৰ কাৰণে আমি সকলোৱে নজিৰ দেখুওৱা উচিত। গতিকে মই আশা ৰাখিছো আমাৰ চাহ জনগোষ্ঠী লোকসকলৰ বিভিন্ন দাবীৰ কথা আজি এই সদনত যি ধৰণে উত্থাপিত হৈছে, শ্ৰমিক মজদুৰসকলৰ উন্নয়নৰ কাৰণে আমি সকলোৱে কাৰ্য্যপন্থা হাতত ল'ব লাগিব আৰু তাৰ কাৰণে মই সকলো মাননীয় সদস্যকে আহ্বান জনাইছো আৰু লগতে আমি চাকৰি দিয়াৰ বাবে দালালৰ যিটো পৰিৱেশ সৃষ্টি হৈছিল সেইটো যাতে নাইকিয়া হয় তাৰ কাৰণে মই সকলোকে পুনৰ অনুৰোধ জনায় ৰাজ্যপালৰ ভাষণৰ ওপৰত হোৱা ধন্যবাদসূচক প্ৰস্তাৱৰ প্ৰতি পূৰ্ণ সমৰ্থন জনায় মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

(মাননীয় উপাধ্যক্ষই আসন গ্ৰহণ কৰে)

মাননীয় উপাধ্যক্ষ ঃ মাননীয় সদস্য শ্ৰীদেৱকান্ত ৰামচিয়াৰী।

* ডঃ দেৱকান্ত ৰামচিয়াৰী ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আমি যেতিয়া নিৰ্বাচন প্ৰচাৰ চলাবলৈ গৈছিলো তেতিয়া আমি বহুতো ভিতৰুৱা অঞ্চললৈ গৈছিলো। সেই সময়ত আমি ৰাইজক কিছুমান প্ৰতিশ্ৰুতি দিছিলো যে আজি যুগ যুগ ধৰি আপোনালোকৰ যিবিলাক সমস্যা সমাধান হোৱা নাই সেই সমস্যাবিলাকৰ আটাইবিলাক সমাধান কৰিব নোৱাৰিলেও কিছু পৰিমানে সমাধান কৰিবলৈ চেষ্টা কৰিম আৰু এই কথাবোৰ আমি যথাস্থানত উত্থাপন কৰিম যাতে এই সমস্যাবোৰ সমাধান কৰিবলৈ বিহিত ব্যৱস্থা লোৱা হয়। আমাৰ ৰাজ্যপালৰ ভাষণত দেখিবলৈ পাইছো যে আমাৰ সমস্যাসমূহৰ কিছুমান কথা উল্লেখ কৰা হৈছে যদিও কিছুমান কথা উল্লেখ কৰা হোৱা নাই। এতিয়া কথা হৈছে যিবিলাক কথা ৰাজ্যপালৰ ভাষণত সন্নিবিষ্ট হোৱা নাই সেইবিলাক কথাৰ প্ৰতিও আমি দৃষ্টি দিব লাগিব আৰু সেই সমস্যাবোৰৰ কেনেকৈ সমাধান কৰিব লাগিব তাৰ বাবে আমি চিন্তা চৰ্চা কৰিব লাগিব। আমি কেৱল নিজৰ পাৰ্টিৰ ভাৱ মূৰ্তি উজ্জ্বল কৰাৰ কাৰণেই যে কিছুমান কথা উল্লেখ কৰিম তেনে নহয়। আমি এটা পৰিবৰ্তন বিচাৰি তাৰ বুনিয়াদ সৃষ্টি কৰিবলৈ ওলাই আহিছো। তাকে কৰিব পাৰিলেহে আমি ৰাইজৰ কাৰণে কিবা অলপ কৰিব পাৰিম বুলি ভাবিছো। গতিকে মই সকলো মাননীয় সদস্যকে অনুৰোধ কৰিম যে ৰাজ্যপালৰ ভাষণত যিবিলাক কথা সন্নিবিষ্ট হৈছে সেইবোৰ আখৰে আখৰে ৰূপায়ণ কৰাৰ কাৰণে যত্নপৰ হোৱা উচিত। আমি নিজৰ স্বাৰ্থপূৰণৰ কাৰণে এই পবিত্ৰ সদনৰ মজিয়াত কিছুমান বাহুল্য কথা কোৱাটো উচিত হয়। আজি আমাৰ ৰাজ্যখনত যিবিলাক সমস্যাই মূৰ দাঙি উঠিছে সেইবিলাক আমি গুৰুত্ব সহকাৰে ল'ব লাগিব। আমি যুগ যুগ ধৰি যিবিলাক মানুহ বঞ্চিত হৈ আহিছে সেইবিলাকেই আজি আমাৰ আগত কিছুমান জটিল সমস্যা ৰূপে মূৰ দাঙি উঠিছে। তেওঁলোকে এটা কথা ভাবিছে যে আমি গণতন্ত্ৰৰ একোৱেই পোৱা নাই। তেওঁলোকক প্ৰৱঞ্চনা কৰা হৈছে। আজি আলফা, বি এচ এফ আদি নতুন নতুন সংগঠনৰ জন্ম হৈছে। আমি তেওঁলোকক এনেকৈয়ে যদি মূলসূতিৰ পৰা ওলাই যাবলৈ সুৰুঙা উলিয়াই দিও তেনেহ'লে আৰু নতুন সংগঠনৰ জন্ম হৈ থাকিব। এইখিনিতে মই মোৰ নিজা সমষ্টি ওদালগুৰিৰ দুটা মান কথা উল্লেখ নকৰি নোৱাৰিলো। মোৰ সমষ্টিৰ অৰুণাচল

* Speech not corrected

প্ৰদেশৰ গাত লাগি থকা ফুটহিল এৰিয়া সমূহত অহা যোৱা কৰা কাৰণে ৰাস্তা ঘাটৰ কোনো ব্যৱস্থা নাই। তাত মানুহে নলাৰ পানী খাব লগা অৱস্থা এতিয়াও হৈ আছে। নিৰ্বাচনৰ সময়ত আমি সেইবোৰ ঠাইলৈ কেইবা ঘণ্টাও খোজকাঢ়ি যাব লগা হৈছিল। এখন নিৰ্বাচনী সভাত আমাক সেই ঠাইৰ ৰাইজে ভাত খাবলৈ দিছিল। কিন্তু ভাত খোৱাৰ পিছত তেওঁলোকে আমাক পানী খাবলৈ দিব পৰা নাছিল। তেওঁলোকে আমাক এই কথাটোৰ প্ৰতি বাৰে অনুৰোধ কৰিছিল যে আপোনালোকে এইবাৰ নিৰ্বাচিত হৈ যোৱাৰ পাছত আমাৰ এই অঞ্চলৰ ৰাইজৰ খোৱা পানীৰ ব্যৱস্থা এটা কৰে যেন। আকৌ এদিন এঠাইত আমাক ভাত খাবলৈ দিয়া হ'ল সেয়া নলাৰ পানীহে দিয়া হৈছে। আপোনালোকক কথাষাৰ নকলেও আমাৰ পাপ লাগিব ইফালে ভাত খোৱাৰ পিছত পানী নিদিলেও আমি পাপত ভূগিব লাগিব। তেনে এটা অৱস্থা আজিও অসমৰ মাজত আছে। সেইটো কাৰণে আমি তেওঁলোকক কৈছিলো যে আমি এইবাৰ নিৰ্বাচিত হৈ গ'লে এই সমস্যাবোৰ যথা স্থানত উত্থাপন কৰি সমাধান কৰাৰ কাৰণে আশ্বাস দিছো। আন এটা কথা হৈছে মোৰ সমষ্টি ওদালগুৰিৰ অন্তৰ্গত ভৈৰৱকুণ্ডত ধনশিৰিৰ ওপৰত যিটো পানী যোগান আঁচনি হাতত লৈছিল সেইটো আজি বহু বছৰ ধৰি পৰি আছে। তাত ইমান দিনে কোটি কোটি টকা খৰচ হৈছে যদিও খেতিয়ক ৰাইজক পানী যোগান দিব পৰা হোৱা নাই। এই আঁচনিটোৰ কাৰণে বহুতো খেতিয়কৰ মাটি অধিগ্ৰহণ কৰা হ'ল কিন্তু সেই মাটিবোৰ আজিও এনেয়ে পৰি আছে। এতিয়া তাৰ ৰাইজে এটা কথা কৈছে যে এই আঁচনিৰ জৰিয়তে আমি যিহেতু পানী পোৱা নাই গতিকে আমি সেইবোৰ মাটি বেদখল কৰিম আৰু ধনশিৰি প্ৰকল্পটোৰ কাৰণে তাত যিবোৰ ঘৰ-দুৱাৰ কৰা হৈছে সেইবোৰো ভাঙি চিঙি তাত থকা বিষয়া কৰ্মচাৰীসকলক তাৰ পৰা উচ্ছেদ কৰিম। তেতিয়া কোন চৰকাৰে আহি আমাক দমন কৰে সেইটো আমি চাম। আজি ৰাজ্যপালৰ ভাষণত দুহেজাৰ চনত সকলোৰে বাবে স্বাস্থ্যৰ কথা উল্লেখ কৰা হৈছে। কিন্তু এই ক্ষেত্ৰত আমাৰ চিকিৎসকসকলে কি কৰিছে সেইটো চোৱা প্ৰয়োজন হৈ পৰিছে।

স্বাস্থ্য বিভাগত চিকিৎসাৰ নামত বহুতো টকা খৰচ কৰা হৈছে। কিন্তু কামত একো অহা নাই। কৰবাত চিকিৎসক আছে, ঔষধ নাই, য'ত ঔষধ আছে তাত চিকিৎসক নাই। তাৰোপৰি য'ত ডাক্তৰ আছে তেওঁলোকে বেমাৰীৰ পৰা কেনেকৈ দুটকা সৰকাব পাৰে তাৰ চেষ্টা কৰি থাকে। চেলাইনৰ পৰাও বেমাৰীৰ

পৰা টকা লয়। আনকি গৰ্ভৱতী তিৰোতাইও ডিচপেনচেৰীলৈ আহিলে প্ৰথমতে টকা আছেনে নাই সুধি মেলিহে চিকিৎসা কৰিবলৈ বিচাৰে। যদি টকা দিব নোৱাৰে তেতিয়াহলে তেওঁলোকে বেমাৰীক অন্য হস্পিতেললৈ নিবলৈ পৰামৰ্শ দিয়ে। এয়ে হৈছে আজি স্বাস্থ্য বিভাগৰ কাণ্ড। এই কথাটো আজিলৈকে কোনেও কিয় বাধা দিব পৰা নাই। আজি আপোনালোকে কংগ্ৰেছক দোষ দিছে, অঃ গঃ প'ক দোষ দিছে, চি, পি, এম'ক দোষ দিছে কিন্তু আজি ৫০ বছৰ কোনে ভাৰতবৰ্ষ শাসনত বেচি ভাগ আছিল। কংগ্ৰেছেই শাসনত বেচিভাগ আছিল গতিকে কংগ্ৰেছ চৰকাৰেই ইয়াৰ বাবে দোষী। অন্যহাতে ইয়াৰ বাবে আজি কংগ্ৰেছ চৰকাৰকেই দোষ দি থাকিলে নহ'ব, আমি সকলো মাননীয় সদস্যই ৰাজ্যখনত আজি যি পৰিস্থিতিৰ উদ্ভৱ হৈছে তাৰ নিৰ্মূল কৰিবৰ কাৰণে চেষ্টা কৰিব লাগিব। ৰাজনৈতিকভাৱে হাই-কাজিয়া কৰি থাকিলে আমাৰ সমস্যা সমাধান নহ'ব।

মাননীয় উপাধ্যক্ষ মহোদয়, কোকৰাঝাৰ, মেৰাপানীত সংঘৰ্ষ হৈছে। তাত আৰ্মি দিছে, চি, আৰ, পি, এফ দিছে। দিলে কি হ'ব। গোষ্ঠী সংঘৰ্ষৰ সময়ত দিন দুপৰতে দুষ্কৃতিকাৰীয়ে ঘৰত জুই জ্বলাই দি সময়ত চি, আৰ পি, এফয়ে চাই আছে। আদিবাসীবিলাকে হাতত ধনুকাড় লৈ চাই আছিল। সেই সময়ত আমি ৰাস্তালৈ ওলাই আহিছিলো। ইতিমধ্যে কেইখনমান গাড়ীত 'আৰ্মি' আহিছিল আৰু তাৰ বিগ্ৰেদিয়াৰ মিঃ খাৰে আমাৰ হাতত ধৰি পি, ডি, এফ'ৰ এম, এল, এ কোন বুলি সুধিছিল। আজি কাগজে-পত্ৰে ক'ত কিমান মানুহ মৰিছে সেইবিলাক কথা ওলাইছে কিন্তু গোটেই কথাবিলাক সঁচা নহয়। (সময়ৰ সংকেত) মোৰ বহুতো কথা ক'বলৈ আছে কিন্তু সময় নাটনিৰ কাৰণে পিছত বক্তব্য ৰাখিম। শেষত কথা কৈ মই বহিব বিচাৰিছো যে আমি সকলোৱে একগোট হৈ, এক মত হৈ বিধানসভাৰ মজিয়াত প্ৰতিবাদ নকৰি ৰাইজৰ কাৰণে যে ভাল কাম কৰিব পাৰো তাৰ কাৰণে চেষ্টা কৰিব লাগে। ভাল চিন্তা-চৰ্চা কৰিলেহে দেশৰ মানুহৰ মংগল হ'ব। ইয়াকে কৈ মোৰ বক্তব্য সামৰণি মাৰিলো।

মাননীয় উপাধ্যক্ষ ঃ শ্ৰীপ্ৰফুল্ল গোস্বামী।

* শ্ৰীপ্ৰফুল্ল গোস্বামী ঃ মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত আমাৰ মুখ্য সচেতক ডাওৰীয়াই যি ধন্যবাদসূচক প্ৰস্তাৱ আগবঢ়াইছে তাৰ সমৰ্থনত দুআষাৰ ক'ব বিচাৰিছো। ইয়াৰ উপৰিও ভালেমান মাননীয় সদস্যই ইয়াৰ ওপৰত বিতৰ্ক

* Speech not corrected

চলাইছে। ৰাজ্যপালে তেখেতৰ ভাষণত মূল সমস্যা কিছু থাকি গ'ল বুলি বিভিন্ন ধৰণৰ আপত্তি বিশেষকৈ বিৰোধী দলৰ সদস্য সকলে কৰিছে। এটা কথা ক'ব বিচাৰিছো যে ইয়াৰ আগতে পি, ডি, এফৰ এজন মাননীয় সদস্যই কৈছে যে ভাষণত কেনে ধৰণৰ কথা কৈছে কি সমস্যাৱলীৰ কথা কৈছে সেইটো মূল কথা নহয়, মূল কথা কি ধৰণে কি ভাৱে নতুন নতুন আঁচনি প্ৰস্তুত কৰি দেশৰ হকে, ৰাজ্যখনৰ কল্যাণৰ হকে ৰাইজক আমি আগুৱাই লৈ যাব পাৰো সেইটোহে আলোচনা কৰা উচিত। আজি ইমান বছৰেদেশৰ শাসনভাৰ এটা দলৰ ওপৰতেই ৰাজ্যখন বা ভাৰতবৰ্ষ অৰ্পণ কৰিছিল। সেই কংগ্ৰেছ দলৰ কুশাসনৰ বাবেই ৰাজ্যখনৰ লগতে দেশবাসীয়ে এইবাৰ কংগ্ৰেছ দলক প্ৰত্যাখ্যান কৰিলে। Benevolent despotism is better than democracy.। আজি ৰাজনৈতিক মুনাফা আদায়ৰ কাৰণে বিভিন্ন ধৰণৰ গোষ্ঠী সংঘৰ্ষ, ভাতৃঘাতী সংঘৰ্ষ চলিছে, বিভিন্ন ধৰণৰ ষড়যন্ত্ৰ চলিছে। আজি আমাৰ মাননীয় সদস্য হেমেন দাস ডাঙৰীয়াই পুলিচ প্ৰশাসনৰ ওপৰত, বৃন্দাবন গোস্বামী ডাঙৰীয়াই শিক্ষাৰ ওপৰত কৈছে। আজি প্ৰত্যোক বিভাগতে দুৰ্নীতি ইমান শিপাইছেগৈ যে শতকৰা ৯০| পাৰচেণ্ট পাইছেগৈ। ভাল সদইচ্ছা, আন্তৰিকতা মানুহৰ মাজৰ পৰা আঁতৰি গৈছে। গতিকে আমি ভাল চিন্তা ধাৰাৰে, নতুন আঁচনি সৃষ্টি কৰি ৰাজ্যখনক আগুৱাই লৈ যাব লাগিব। সফল, সুস্থিৰ চিন্তাধাৰাৰ অবিহনে কোনো ৰাজ্যই উন্নতি কৰিব নোৱাৰে। আজি আলফা, বি, এচ, এফৰ কথা কোৱা হৈছে, এইবিলাক কথা আমাৰ বুকুত পুঁহি ৰখা ক্ষোভ। আমাৰ আগৰ জন মাননীয় সদস্য অমীয় কুমাৰ দাস আৰু কুলধৰ চলিহাদেৱে কৈছিল যে সংবিধান প্ৰক্ৰিয়াটো, সংবিধান ধৰণ জাতি গোষ্ঠীৰ কাৰণে নহয়। আজি ভাৰতবৰ্ষৰ সাংস্কৃতিক, সাংবিধানিক সকলোবিলাক শেষ হোৱাৰ উপক্ৰম হৈছে। যাৰ বাবে জাতীয় চিন্তা-ধাৰা, জাতি গোষ্ঠী বিভিন্ন ধৰণৰ কামত আগবাঢ়ি যাবলৈ প্ৰয়াস পাইছে, পৰিবেশ পাইছে। আজি ইয়াত বহুতে বহু ধৰণৰ কথা কৈছে। ত্ৰিপুৰাত এচামে যুদ্ধ কৰিছে। অসমৰ অৱস্থা এতিয়া বৰ দুখ লগা।

উপাধ্যক্ষ মহোদয়, আজি অসমৰ অৱস্থা অতি দুখলগা হৈছে। অসমৰ সম্পদেৰে ভৰপুৰ এখন ৰাজ্য যিখন ৰাজ্য ভাৰতবৰ্ষৰ ভিতৰতে আটাইতকৈ চহকী। কৃষিৰ ওপৰতে অসমৰ ৰাইজে নিৰ্ভৰ কৰিব লাগে। কিন্তু কৃষিৰ ওপৰত নিৰ্ভৰ কৰা খেতিয়কসকলৰ আজিৰ অৱস্থা কি? পৰহি এগৰাকী মন্ত্ৰীৰ ওচৰলৈ

গৈছিলো স্মল ইৰিগেচনৰ আঁচনি সম্পৰ্কত তেখেতে কলে যে, আগতেই ১০০ কোটি টকা দিছে। প্ৰত্যেক বছৰে ২৫ শতাংশ বঢ়াই দিব লাগে সেই অনুপাতে যোৱা ৫ বছৰে ১৪৫ কোটি টকা হ'বগে লাগে। এতিয়া মাত্ৰ ৪৫ কোটি টকাহে আছে যিটো টকাৰে দৰমহা দিওতহে শেষ হ'ব। নতুন আঁচনি লোৱাৰ কথা মই নকও। এখন কৃষিৰ ওপৰত নিৰ্ভৰশীল ৰাজ্যৰ অৱস্থা এনে হৈছে। তেনেহলে মই ভবো আমাৰ গাঁও অঞ্চলত বাস কৰা কৃষিজীৱী ৰাইজৰ উন্নতিৰ কথা আমি চিঞৰি থাকিলে একো নহ'ব। মই গগৈ মহোদয়ৰ ওচৰলৈও গৈছিলো তেজপুৰৰ পৰ্বতীয়া, বিহগুৰি শিঙৰি অঞ্চলটো পানীয়ে খহাইছে। খহনীয়া ৰোধ কৰিব নোৱাৰিলে হাজাৰ হাজাৰ বিঘা খেতি মাটি ব্ৰহ্মপুত্ৰৰ কবলত পৰিব। উপাধ্যক্ষ মহোদয়, মই এটা কথা ক'ব বিচাৰিছো যে অসমৰ উন্নতি কামনা কৰিবলৈ হ'লে যিবিলাক আঁচনি লোৱা হ'ব সেইবিলাক আন্তৰিকতাৰে কৰিব লাগিব। কেন্দ্ৰটো একেই কথা। আজি বিজেপিৰ ১০০ জন সদস্যই ৰিজাইন দিয়া হ'লে চৰকাৰ থাকিলহেঁতেননে? গোটেই কেন্দ্ৰীয় চৰকাৰটো বিজেপিয়ে দিজল্‌ভ কৰি দিব পাৰিলেহেঁতেন। কিন্তু নিবিচাৰে। কোনেও নিস্বাৰ্থভাবে ৰাইজৰ কাম কৰিবলৈ বিচৰা নাই। আমিও কিছু স্বাৰ্থৰ লগত জৰিত হৈ আছো। অসমত বিশেষকৈ ইমান সম্পদ থকাৰ পিচতো গাঁৱৰ ৰাইজৰ বাবে এখন ভাল চিকিৎসালয় নাই, ভাল ৰাস্তাঘাট নাই। খোৱাৰ বাবে বিশুদ্ধ খোৱা পানী নাই আৰু খেতিৰ বাবে যিখিনি ব্যৱস্থা চৰকাৰে দিব পাৰে সেই সাধাৰণ ব্যৱস্থাখিনিও ৰাইজক দিব পৰা নাই। গাঁও অঞ্চলবিলাকত যদিও হস্পিতাল দিছে তাত ডাক্তৰ নাই। ডাক্তৰ নিযুক্তি দিছে যদিও এটাচ কৰিছে তেজপুৰত গতিকে এনে অৱস্থা চলি আছে। আমাৰ বহুতো ডাক্তৰখানা আছে, চাবচেণ্টাৰ আছে কিন্তু ঔষধৰ কথা বাদ দিয়ক বা প্ৰেচক্ৰিচন দিয়াৰ বাবেও ডাক্তৰ নাই। অলপ আগতে এজন বন্ধুৱে কৈছে চেৰিকালচাৰৰ শিতানত বহু কোটি টকা কেন্দ্ৰৰ পৰা আহিছে। সেয়ে মই চেৰিকালচাৰ মন্ত্ৰীৰ ওচৰত গৈ কৈছো যে মোৰ সমষ্টিত ৪২৪ বিঘা মাটিৰ এখন এন্দি আৰু মূগাৰ ফাৰ্ম আছে যদিও একো কাম হোৱা নাই। তাত ২ জন চকিদাৰ আৰু ২ জন অফিচাৰে খাই লৈ বহি আছে। ৰাজ্যপালৰ ভাষণত সমস্যাবিলাক প্ৰতিফলিত হৈছে মূল সমস্যা বিলাকৰ ২/১ টা সোমাইছে আৰু ২/১ টা বাদ পৰি গৈছে। এই মূল সমস্যাবিলাকৰ লগতে সকলোবিলাক সমস্যা জৰিত হৈ আছে। আজি কংগ্ৰেছ দলৰ শাসনৰ অন্তত গণ পৰিষদ দল আহিছে আৰু ৰাইজে অনুভৱ কৰিছে যে, এইবাৰ চৰকাৰে ৰাইজৰ বাবে কাম কৰিব। যোৱা ৫ টা বছৰত মোৰ

সমষ্টিত ১ ইঞ্চি ৰাস্তাও ব্লেক টপিং হোৱা নাই। আগৰ এ, জি, পি চৰকাৰৰ দিনতে ২৫ কিলোমিটাৰ ৰাস্তা ব্লেক টপিং কৰিছিল আৰু বৰচলা আৰু বিহগুৰিত ২ টা ব্লক হৈছিল। আগৰ ৪০ বছৰত হোৱা নাছিল। ১৯৮৬ চনতে চৰকাৰে ৰাইজৰ বাবে যথেষ্ট কাম কৰিছিল। মোৰ সমষ্টিত ১৩০ খন স্কুল দিছিলো, ৪ টা হস্পিতাল দিছিলো আৰু খোৱাপানীৰ বাবে ১৪ টা আঁচনি দিয়া হৈছিল। মোৰ সমষ্টিত ট্ৰাইবেল ভাইসকল আছে। তেওঁলোকৰ বাবে স্পেচিয়েল আঁচনি আছে। কিন্তু যোৱা ৫ বছৰত কংগ্ৰেছ শাসনৰ দিনত মোৰ সমষ্টিত একো কাম হোৱা নাই। মাত্ৰ এটা কামেই হ'ল কিছুমান ৯০০ টকীয়া স্কুলৰ চাকৰি হ'ল। আৰু আজি সেই শিক্ষকসকলে দৰমহা পোৱা নাই। আজি আমাৰ গণ পৰিষদ চৰকাৰ হৈছে। মই আশা কৰিছো ঢেকিয়াজুলি এটা চাবডিভিজন হ'ব লাগে। ৰাজ্যপালৰ ভাষণৰ ওপৰত বক্তব্য ৰাখি মই সংশ্লিষ্ট মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে, ঢেকিয়াজুলিক কচ্‌মপলিটান টাউন্ বুলি ক'ব পাৰি। মোৰ সমষ্টিত এখনো থানা নাই। মোৰ সমষ্টিত ডকাইতৰ বাহিৰে একো নাপায়। গতিকে অতি সোনকালে এখন থানা দিয়াৰ বাবে অনুৰোধ কৰিলো। ইয়াকে কৈ মোৰ বক্তব্য ইমানতে সামৰিলো।

মাননীয় উপাধ্যক্ষ ঃ এতিয়া মাননীয় সদস্য শ্বেখ আব্দুল হামিদ।

* শ্বেখ আব্দুল হমীদ ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপাল ডাঙৰীয়াই যোৱা ১৩ তাৰিখে যি ভাষণ দাঙি ধৰিছে আৰু তাৰ ওপৰত অগপ দলৰ মুখ্য সচেতক মাননীয় সদস্য শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামীয়ে যিটো ধন্যবাদসূচক প্ৰস্তাৱ দাঙি ধৰিছে তাৰ প্ৰতি মই সমৰ্থন জনাইছো।

* শ্ৰীপ্ৰফুল্ল গোস্বামী ঃ মোৰ সমষ্টিৰ সকলো ডকাইত নহয়। মোৰ সমষ্টিত যোৱা পাঁচ বছৰত ডকাইত বৃদ্ধি হৈছে। গতিকে এইটোৰ ওপৰত ব্যৱস্থা ল'ব লাগে।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (কৃষিমন্ত্ৰী) ঃ উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীগোস্বামী ডাঙৰীয়াই ঠিক কথাই কৈছে। যোৱা পাঁচ বছৰত সমষ্টিত আন কোনো আঁচনিৰ কাম-কাজ হোৱা নাই কিন্তু গণ পৰিষদৰ কাৰ্য্যকালত ব্লেক টপিং ১২০ খন এল-পি স্কুল, দুটা ব্লক ইত্যাদি হৈছিল। কিন্তু যোৱা পাঁচ বছৰত অন্য বিধায়ক আছিল আৰু সেই বিধায়ক গণ পৰিষদৰ নহয়, গণ পৰিষদৰ বিধায়ক থকাত আঁচনিৰ কাম হৈছিল কিন্তু যোৱা পাঁচ বছৰত কেৱল ডকাইটি হৈছে অন্য একো হোৱা নাই। এইটোহে আচল কথা।

* Speech not corrected

*শ্ৰেখ আব্দুল হামীদ ঃ উপাধ্যক্ষ মহোদয়, সংখ্যালঘু মৰ্চাৰ পৰা ৰাজ্যপালৰ ভাষণৰ ওপৰত অনা ধন্যবাদসূচক প্ৰস্তাৱ সমৰ্থন দিয়াৰ কাৰণ হ'ল আমাৰ ফালৰ পৰা এই চৰকাৰক সমৰ্থন দিবলৈ আগবাঢ়িছো। ৰাজ্যপালৰ ভাষণত সঁচাকৈয়ে মহামান্য ৰাজ্যপাল লোকনাথ মিশ্ৰ ডাঙৰীয়াই ভাষণৰ মাধ্যমত অগপ দলৰ আৰু আমাৰ জনগণৰ স্বাৰ্থ সমৰ্থন কৰা কাৰণে আমিও চৰকাৰৰ মাধ্যমত অসমৰ জনগণৰ স্বাৰ্থ সমৰ্থন কৰিব পাৰিম বুলি ধাৰণা হৈছে। উপাধ্যক্ষ মহোদয়, আপুনি যেতিয়া ছাত্ৰ সন্থাৰ উপ-সভাপতি হৈ আছিল তেতিয়া ১৯৭৯ চনত আন্দোলন আৰম্ভ হৈছিল আমি ছাত্ৰসন্থা কৰা নাছিলো। আমি আমচু কৰিছিলো। অসমৰ সংখ্যালঘু জনসাধাৰণৰ কথা বিদেশী সমস্যা সমাধানৰ আধাৰত আমি বাস্তৱভাবে উপলব্ধী কৰিব পৰা নাছিলো তাৰ কাৰণে ছয় বছৰ আন্দোলন হৈছিল। আমাৰ ফালৰপৰা ১৯৭১ চনৰ ২৫ মাৰ্চ ভিত্তি বছৰ হিচাপে বিচাৰিছিলো। আমি ভাবো ১৯৮৫ চনত অগপ দলৰ যিটো দৃষ্টিভঙ্গী আছিল সেইটোৰ এতিয়া পৰিবৰ্তন হৈছে আৰু বাস্তৱসন্মতভাবে বিদেশী সমস্যা সমাধান কৰিবলৈ আগবাঢ়ি আহিছে। আৰু তেনে বিশেষ পদক্ষেপ ল'ব বুলি আশা আৰু ইংগিত ৰাজ্যপাল মহোদয়ৰ ভাষণত দেখিবলৈ পাইছো। তেখেতে উত্থাপন কৰিছে "The Government will strive to wipe out any feeling of inseourity and apprehension from the minds, of minority community who had migrated the Assam before March 25, 1971." (ভাষণৰ পৰা পঢ়ি দিয়ে)। এই ক্ষেত্ৰত আমিও অগপ দলৰ লগত একমত পোষণ কৰিছো। বাস্তৱসন্মতভাবে ১৯৭১ চনৰ পঁচিশ মাৰ্চলৈ সমাধান কৰিবপৰা হ'ব। এই কাৰণে সংখ্যালঘুসকলৰ সমস্যাৰ পথ দেখা পোৱাত আমি সংখ্যালঘু জনগণেও সমৰ্থন জনাবলৈ ভাল পাইছো।

উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে চৰকাৰলৈ আবেদন জনাইছো যোৱা ২৩ জুলাই তাৰিখে মানস এম-ই স্কুলত ত্ৰিশজন মানুহৰ মৃত্যু হৈছিল। তেতিয়া বৰপেটা চাৰ্কিউট হাউচত তেতিয়াৰ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া উপস্থিত আছিল। পানবাৰী শিবিৰত আঠ হেজাৰ মানুহ আছিল। ৰাতি এক বজাত এশ ত্ৰিশজন লোকক বন্দুকেৰে হত্যা কৰিছিল। এই ঘটনা অগপ দলৰ ঘটা ঘটনা নহয়। মই ভাবো অন্যান্য সকলোৰে লগত অসমৰ সংখ্যালঘু সম্প্ৰদায়ৰ নিৰাপত্তা দিব পাৰিব। মই ভাবো অসমৰ সংখ্যালঘু সম্প্ৰদায়ৰ কাম হ'ব।

(সময়ৰ সংকেত)

* Speech not corrected

উপাধ্যক্ষ মহোদয়, অসমৰ শিক্ষাৰ ক্ষেত্ৰত এম ই স্কুল বা প্ৰাইমাৰী স্কুল ক'ত কি হৈছে আৰু হায়াৰ চেকেণ্ডাৰী ষ্টেজত কি হৈছে। মই নিজে কলেজৰ শিক্ষক আছিলোঁ। নমিনেচন দিয়াৰ সময়ত শিক্ষক সকলে কৈছিল কিবা হ'ব বুলি বিধান সভাত কথা ক'ব পাৰিব বুলি। এতিয়া হৈছে কি চিলেকচন গ্ৰেডৰ কাৰণে কংগ্ৰেছ চৰকাৰে কমিটী কৰি দিছে য'ত ছাত্ৰও মেম্বাৰ। অৰ্থাৎ ছাত্ৰই ইণ্টাৰভিউ লৈ শিক্ষকক চিলেকচন গ্ৰেড দিব। শিক্ষকসকলে সেই কাৰণে আপত্তি কৰিছে।

(সময়ৰ সংকেত)

উপাধ্যক্ষ মহোদয়, এইবিলাক সমস্যাৰ প্ৰতি চৰকাৰে দৃষ্টিপাত কৰিব। এইটো আশা ৰাখি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Deputy Speaker : Shri Debanand Konwar.

* Shri Debanand Konwar : Hon'ble Mr. Deputy Speaker Sir, I take my stand to speak a few words on the motion of Hon'ble Governo's address. I have carefully gone through the address of the Hon'ble Governor but clould not bring myself consoled on the address made by the Hon'ble Governor to this August House.Because I find that the address is nothing but a stream of promises of galand of fresh flowers and of fresh promises. At the very outset I congrasulate the Government which has taken office with the Hon'ble Chief Minister Shri P.K. Mahanta and forming the government, but I spoke nothing behind that I could not congrasulate the present government on its performance during the last one month if I am correct. They are completely one month on this day itself. I am fully of the view that within a short period of one month we do not expect a miracle. In the governor's address the Hon'ble Governor himself has stated that the government is facing annoying situation so I am not going to criticise it because it is too early to do that. I find that the address will be subject to criticism for including many things and have excluded many others. The conventional belief that the legacy of lawlessness of inherirance of A State's financial bankruptcy

* Speech not corrected

from the previouds Government it is available to the present Government, but it will not be available in the near future of that legacy that inherited is supposed to be in inheritance of the previous Government which is the part of the overall Governmental heirdoom. In 1991, the Congress formed the Government in the State with a popular mandate. The situation was nothing other and nothing better. The Government inherited the legacy handed down in the same manner so I hope the government will not be able to fall back the same plea and execuses of convenience of legacy to be handed down or inheritance being received from the previous Government despite of the crutial situation. I am happy to see that the Government has taken measures to call off the ethanic violence that has erupted in the districts of Kokrajhar and bongaigaon. I am happy to know that the Government has ordered for a judicial Enquiry into the incidents of violence and we will know the actual causes from the Enquiry Commission and we would like to apprise that we would expect the real causes of such ethnic violence. We have visited extensively the violent prone areas and think .that good sense will prevail and back passing of responsibilities of one group to another group will and we will know the real situation. I would like to request the Hon'ble chief Minister of the present Government that the report of the Enquiry Commission will be allowed to see the light of the day in the public interest so that the people of Assam come to know the real causes of such crimes. Where more than two lacs people involved and the whole fabric are torned. People of santhalis and bodos are living in hermony and amity for ages together. We may admit that there is no cause of such crimes, but modem day crimes are so planned and masteredly executed in respect of timing of the incident and it becomes something where this act of crime was an act of philantrophy. So I hope

that the Enquiry Commission will go into the depth and find the causes of the incidents and let the people of Assam know the matter. Now as I have been listening to the August House, I find perceptable change is assured. Although one group accuses the other and one political party accuses and not another political party but I find that there is a change in the psyche of the different groups and there has been a lot of mud slinging from one political party at the door of the other political party. One of the members of the ruling party admitted that the government has not chalked out the various schemes of the government as the same has not been reflected into the Governor's address. So we feel that these are all fresh promises, these are all embodied in the address of the Hon'ble Governor's. But these are only the wishes embodied in the address of the Hon. Governor. There are wishes of the new Government. But wishes are not always horse to ride. We do not know how these wishes will be converted into action. There is no action, no schemes indicated in the whole address. I would like now to take up a few things about the Education policy. Now this address states many things, many irregularities about constituting enquiry bodies with a view to punish the guilty officials or guilty persons. But no new Education policy is indicated in the address. I would very humbly and respectfully suggest to the government is in office today that I will be the happiest person, if the new Government announces a new elementary Education Policy for the State. I am at variance with the present Education policy already in our state or even all over the country. I dare say that there is no definite education policy in our country. Many of the ills are because of the fact I honestly believe, if the government which is being supported by five political parties will be able to bring about

or announce new Education policy for the state. If this government can announce new Education policy which is of rationality and merit for fulfilment of the constitutional obligations of providing free and compulsory primary education to all children if the constitutional obligation of the State Government is to provide free and compulsory primary education, but let us for a moment post and ponder how the constitutional obligations has been discharged by any Government in our state. I am not talking about other states of the country. How that constitutional obligation being fulfilled and discharged. If I may say so, to my mind by the present Elementary Education Policy which has been followed in our State i.e. from very inception, I feel we are doing only legitimizing demerits, legitimization of demerits has been all along been the Governmental policy on Elementary Education policy in our State. I wish there should be an end to it. I will be extremely happy if the new Govt. can announce the new elementary Education policy based on rationality and merit. I find this address of the Governor is silent on this point. It has laid down certain blames and certain irregularities at the door of the previous Government. That will not solve the problem. Such types of Education policy remains defective at the higher secondary level, college level or at the University level. To save the situation we will have to find a dependable and viable solution to the problem. It is the primary education where solid foundation will have to be laid. Hon'ble member Shri Kalita mentioned a few things. I am at one with him. He said a few resolutions should be brought before the House. I will be happy if such resolutions are brought, particularly the resolutions on the utilization of the State resources by the State. We have established democracy in this country immediately after our independence. A lot of water has

passed through Ganges and Brahmaputra since then. It is high time, we must make modification and departure from the obsolute policies. Hon. Member Mr. Kalita mentioned about bringing resolution by this House for utilization of State resources or the way they are being utilised. At the moment we may make some modifications or changes so that the resources are improved. Several members mentioned that Assam is a plentyful state as far as per capita income is concerned. As far as total quantity of State fund is concerned, I am reminded of the German scientist who visited Digboi about 50 years back. The scientist produced petroleum product from coal. He visited coal India, it was no coal India then, it was ART company. He showed the simplest way of coal production in Ledo mines and he said this coal is not really hard coal. It produces neither hard coal nor petroleum crude. It is based on raw material for producing chemicals, pharmaceutical chemicals. We also know that the Assam as per as natural resources are concerned is as rich as the district of France. We have not been able to do it for very many reasons. Now we would definitely support if some reasonable and vital resolutions are taken up by this Government and this resolution is brought before the House on the utilization of the State resources by the State Government making necessary changes in the corresponding relevant laws in the country. Similarly, I also request Hon. Minister, because the economy of the people of Assam is being linked up with it. It cannot be segrigated with the controlling of the river system of Assam, the Brahmaputra and Barak and along with their northern and southern tributaries, a Board has been constituted namely Brahmaputra Board.

I think only flood control Minister can take a close look into the whole matter and the Acts and provisions that

governs functioning of the Brahmaputra Board and in consultation with other requiring the changes to be made in the Brahmaputra Board Act. So that the Government of Assam has a definite say in the functioning of the Board and expediting the matter for which the Board was a constituted years back. The Board is not functioning and contributing to the real problem, taming and controlling the water resources of the Brahmaputra for the benefit of the people of the State. I request Hon'ble Flood control Minister, Shri Gogoi also to bring about resolution which can be passed by this Assembly, if considered appropriate and inevitable for the prosperity of the State and indicate steps, so that there is an atmospheric change in the State. The people of the State particularly the younger generation who comes from background of history and science and technology expecting development in quickest and shortest span of time. We must get it done. We should fulfil the hopes and aspirations of the people. Therefore, I in our functioning, whether Governmental functioning or the functioning of this August House also we will have to make changes. Now I do not think we will be able to contribute anything for the welfare of our people who have elected us as their representatives. I am really touched, while my friend Shri Ramchiary, when he made very fervent appeal which has touched the hearts. He said, congress ruled the country for half a century, we are independent, most of time of this 50 years, the Congress was in power in Assam as well as at the centre. Admittedly, he held congress government responsible for the very many ills which he has graphically painted out for the benefit of the House. I am at one with him. But who are the Congress many what constituted the congress party? They are our people, they are

the people of the state. They are the people of this country. They are nobody else the history of the congress is for the last 110 years is almost the history of India. I am reminded that history of the world is the history, biography of great people Gandhi, Moulana Abul Kalam Azad, Rabindra Nath Tagore, Netaji Subash Ch. Bose, Sittaramia, Raja Gopalachari, these are big names. They were all Indian. If there was failure on part of the Congress Govt., it was failure of the Indian human resources. As I mentioned earlier, we have, over the years in our state or at the national level, we have emphasised plannings of the material resources of the country. We think we have failed to do so. Is the material resources are being utilised by the human resource? To my mind human resources planning the material resources planning at all levels in the planning Commission whether at the State level or national level, was not done earlier. It was not realised earlier though there was failure in implementating policies, 100 crores is allotted per year for Irrigation. Now he has mentioned about Dhansiri Irrigation Project. When we were in Govt., when we are not in Govt., the responsibility lies with the Govt. It is again the human failure, the people entrusted to implement all these schemes. So, it is the failure of human resources. Unless, the work culture is developed and for any matter can be brought about we will be failing in respect of such planning. I would like to take up few things. I have to refer on what session Hon'ble Member Shri Hemen Das has said. During the course of his speech he mentioned that we are not the angels but at the same time we are not criminals. He said during congress rule, previous to this Govt. there was murders and murders, they were not arrested, the cases were not enquired into because those murderers found shelter in the Head office of the Congress, Viz. Rajib Bhawan. I am sorry

to say that such comments have been made by a senior Member of National political party viz CPI(M). I ask Mr. Das to prove it. This is totally false and I again condemn it we have been sitting in the Rajib Bhawan including members from BJP and other parties also. So, the comment that congress party office at Rajib Bhawan is a den of criminals and muderers is absolutely untrue and I condemn it in the strongest words and I protest seriously against it.

* Shri Hemen Das : Mr. Deputy Speaker, I can prove that there are criminals in his party, even today one of his former colleagues escaping arrest because there is criminal case against him.

* শ্ৰীভৰত নৰহ ঃ যদি হত্যাকাৰী আছে পুলিচ কিয় নেযায়, ৰাজীৱ ভৱনত এৰেষ্ট কৰক।

মাননীয় উপাধ্যক্ষ ঃ আপোনালোকে বহক, মাননীয় সদস্যৰ বক্তব্য কনটিনিউ কৰক।

* Dr. Ardhendu Kr. Dey : Mr. Deputy Speaker Sir, he is to withdraw this.

* Shri Chandra Mohan Patowary : Sir, point of order কোনোবা এজন মাননীয় সদস্যই বক্তব্য ৰাখে তাৰ মাজতে পেনডিং ব্যাখ্যা কৰে কেনেকৈ হ'ব, সদনৰ কাৰ্যপন্থা চলিব লাগিব।

* Dr. Ardhendu Kr. Dey : Sir, point of order under what rule. We are taking it very seriously. He is to point out what is the rule.

* শ্ৰীচিলভিউছ কন্দপান ঃ মাননীয় উপাধ্যক্ষ মহোদয়, প্ৰমাণ নোহোৱাকৈ এজন মাননীয় সদস্যই ক্ৰিমিনেল আছে বুলি কেনেকৈ ক'ব পাৰে।

(গন্দোগোল)

মাননীয় উপাধ্যক্ষ ঃ আপোনালোক বহক, মাননীয় সদস্যক কনটিনিউ কৰিব দিয়ক।

* শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ উপাধ্যক্ষ মহোদয়, কোনো ৰাজনৈতিক দলৰ কাৰ্যালয়ত হত্যাকাৰীক আশ্ৰয় নিদিয়ে, এই কথা-কাৰ্য্য বিবৰণীৰ পৰা এক্সপান্স কৰিব লাগে। উইড্ৰ কৰিব লাগে।

* Speech not corrected

Shri Silvius Condpan : Sir very unparliamentary words he is using. We must get protection. We have not said like this. If we do not get protection Sir, we will walk out.

(Then all Congress Members walked out of the House)

Mr. Deputy Speaker : Now, I am going to request Shri Aminul Islam to speak.

* শ্ৰীআমিনুল ইছলাম ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মহামান্য ৰাজ্যপাল মহোদয়ৰ ওপৰত শাসকীয় দলৰ মুখ্য সচেতক শ্ৰীগোস্বামী ডাঙৰীয়াই অনা ধন্যবাদসূচক প্ৰস্তাৱৰ প্ৰতি সমৰ্থন জনাই মই দু-আষাৰ ক'বলৈ বিচাৰিছোঁ।

উক্ত ভাষণৰ ওপৰত ইতিমধ্যে যথেষ্ট আলোচনা হৈ গৈছে। এই ভাষণত যিবিলাক কথাৰ উল্লেখ আছে সেইবিলাকে স্পষ্টভাবে প্ৰমাণ কৰিছে যে, বৰ্তমান চৰকাৰখনে উত্তৰাধিকাৰ সূত্ৰে পোৱা যি অৰ্থনৈতিক আৰু সামাজিক পৰিস্থিতিৰ লগত মোকাবিলা কৰিব লগা হৈছে তাৰ কাৰণে আগৰ চৰকাৰ সম্পূৰ্ণৰূপে দায়ী। কংগ্ৰেছ (আই) পৰিচালিত চৰকাৰ সম্পূৰ্ণৰূপে দায়ী। কংগ্ৰেছ (আই) পৰিচালিত চৰকাৰে সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষেত্ৰত যথেষ্ট ক্ষতি কৰিছে। সেইটো আজি ভয়ানক ৰূপ লৈছে আৰু এইখন চৰকাৰে তাৰ মোকাবিলা কৰিব লগা হৈছে।

উপাধ্যক্ষ মহোদয়, বিভিন্ন সমস্যাৰ বিষয়ে ইতিমধ্যে বহুতো আলোচনা বিলোচনা কৰা হৈছে যেতিয়া, মই মাথোঁ দুই-এটা কথা কম। যদিও বহুতো সমস্যাৰ বিষয়ে কোৱা হৈছে কিন্তু আজি শতাব্দী চলি অহা সমস্যাসমূহ সম্বন্ধে বিতং আলোচনা হোৱা নাই। বৰ্ত্তমান ঠায়ে ঠায়ে উদ্ভৱ হোৱা সাম্প্ৰদায়িক পৰিস্থিতিৰ কাৰণ হৈছে আগৰ চৰকাৰে অপৰিকল্পিতভাৱে গ্ৰহণ কৰা নীতিসমূহ। আগৰ কংগ্ৰেছ আইৰ দ্বাৰা পৰিচালিত চৰকাৰে সুদীৰ্ঘ দিন ধৰি আমাৰ জনজীৱনত অচল অৱস্থাৰ সৃষ্টি কৰিছে, আজি তাৰ মোকাবিলা কৰিব লগা হৈছে।

উপাধ্যক্ষ মহোদয়, অনুন্নত সম্প্ৰদায় সম্পৰ্কে, জনজাতি, চাহ জনজাতি, বড়ো, ডিমাছা, কাৰ্বি, মৰাণ, মটক, টাই সকলোৰে সম্পৰ্কিত বিভিন্ন সমস্যাৰ আলোচনা কৰা হৈছে। কিন্তু এটা কথা আলোচনা হোৱা নাই। সেইসকল মানুহৰ

* Speech not corrected

কথা যি সকল ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে বসবাস কৰি আছে, যি সকলৰ পৰিচয় আমি অতি সহজে পাওঁ। যি সকল মানুহ ফটা লুঙি পৰিধান কৰি, ফটা গামোছা মূৰত মেৰিয়াই হাতত ভঙা দা এখন লৈ চহৰমুখী হৈ উপাৰ্জনৰ কাৰণে ঘূৰি ফুৰিব লগা হৈছে।

এইসকল মানুহ স্বাধীনতাৰ আগৰ পৰাই ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে বসবাস কৰি আছিল স্থায়ী ভাবে। সেই মানুহবিলাকৰ শস্য, গছ-গছনিৰ বাৰী আদি উৎপাদনৰ মূল আছিল। কিন্তু তেওঁলোকৰ ঘৰ-দুৱাৰ ব্ৰহ্মপুত্ৰই ভাঙি চুৰমাৰ কৰি গৈছে, লাহে লাহে তেওঁলোক ছেদেলি-ভেদেলি হৈ পৰিছে। আজি স্বাধীন দেশৰ নাগৰিক হিচাপে তেওঁলোকৰ মানুহ হিচাপে জীয়াই থকাৰ অধিকাৰ সাব্যস্ত কৰাৰ বাবে কোনে চিন্তা কৰিছে? মই ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়াত ক্ষতিগ্ৰস্ত মুছলমানৰ কথা কোৱা নাই, সকলো জাতিৰ মানুহৰ কথা কৈছো, যিসকল ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে বসবাস কৰিছিল। আজি ভাৰতৰ নাগৰিক হিচাপে তেওঁলোকে জীয়াই থকাৰ অধিকাৰ সাব্যস্ত কৰিব পৰা নাই।

মাননীয় উপাধ্যক্ষ মহোদয়, মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত শাসকীয় দলৰ মুখ্য সচেতক ডাঙৰীয়াই অনা ধন্যবাদসূচক প্ৰস্তাৱৰ প্ৰতি সমৰ্থন জনাই মই দু-আষাৰ ক'বলৈ বিচাৰিছো। এই ভাষণৰ ওপৰত ইতিমধ্যে যথেষ্ট আলোচনা হৈ গৈছে। এই ভাষণত যিবিলাক কথা আছে সেইবিলাকে স্পষ্টভাবে প্ৰমাণ কৰিছে যে বৰ্তমান চৰকাৰে উত্তৰাধিকাৰ সূত্ৰে যি অৰ্থনৈতিক আৰু সামাজিক পৰিস্থিতিৰ লগত মোকাবিলা কৰিব লগা হৈছে তাৰ কাৰণে আগৰ চৰকাৰ সম্পূৰ্ণ দায়ী। কংগ্ৰেছ আই পৰিচালিত চৰকাৰে সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষেত্ৰত যথেষ্ট ক্ষতি কৰিছিল। সেইটো আজি ভয়ানক ৰূপ লৈছে, আৰু এই চৰকাৰে তাৰ মোকাবিলা কৰিব লগা হৈছে।

উপাধ্যক্ষ মহোদয়, বিভিন্ন সমস্যাৰ বিষয়ে আলোচনা-বিলোচনা কৰা হৈছে যেতিয়া মই দুই এটা কথা কম। যদিও বহুত সমস্যাৰ বিষয়ে কোৱা হৈছে কিন্তু আজি শতাব্দী ধৰি চলি অহা সমস্যাসমূহ আৰু সাম্প্ৰদায়িক পৰিস্থিতিৰ সৃষ্টি হৈছে আগৰ চৰকাৰে অপৰিকল্পিতভাবে গ্ৰহণ কৰা নীতিসমূহৰ বাবে। আগৰ কংগ্ৰেছ আইৰ দ্বাৰা পৰিচালিত চৰকাৰে সুদীৰ্ঘ দিন ধৰি আমাৰ জনজীৱনৰ অচল অৱস্থাৰ সৃষ্টি কৰিছে, আজিৰ তাৰ মোকাবিলা কৰিব লগা হৈছে।

উপাধ্যক্ষ মহোদয়, অনুন্নত সম্প্ৰদায় সম্পৰ্কে, জনজাতি, চাহ জনজাতি, বড়ো, ডিমাছা, কাৰ্বি, টাইসকলৰ সম্পৰ্কে বিভিন্ন সমস্যাৰ আলোচনা হৈছে। কিন্তু এটা আলোচনা হোৱা নাই সেইসকলৰ কথা যিসকল ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে বসবাস কৰি আছে, যিসকলৰ পৰিচয় আমি অতি সহজে পাওঁ। যিসকল মানুহ আজি চহৰ অভিমুখে আহি ৰাস্তাই-ঘাটে হাতত দা এখন লৈ উপাৰ্জ্জনৰ কাৰণে ঘূৰি ফুৰিব লগা হৈছে। এইসকল মানুহ স্বাধীনতাৰ আগৰ পৰাই ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে বসবাস কৰি আছিল। সেই মানুহবিলাকৰ শস্য, গছ-গছনিৰ বাৰী আদি উৎপাদনৰ স্থল আছিল। কিন্তু তেওঁলোকৰ ঘৰ-দুৱাৰ ব্ৰহ্মপুত্ৰই ভাঙি চুৰমাৰ কৰি গৈছে, লাহে লহে তেওঁলোক ছেঁদেলি-ভেদেলি হৈ পৰিছে। আজি স্বাধীন দেশৰ নাগৰিক হিচাবে তেওঁলোকৰ অধিকাৰ সাব্যস্ত কৰিবৰ বাবে চিন্তা কৰিছে। মই মুছলমানৰ কথা মাথোঁ কোৱা নাই, সকলো জাতিৰ মানুহৰে কথা কৈছো যি সকল ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে বসবাস কৰিছিল। আজি ভাৰতীয় নাগৰিক হিচাপে তেওঁলোকে অধিকাৰ সাব্যস্ত কৰিব বিচাৰিছে।

আজি স্বাধীন ভাৰতৰ নাগৰিক হিচাপে প্ৰত্যেকটো জাতি উপজাতি লোকৰ যিখিনি ন্যুনতম সা-সুবিধাৰ প্ৰয়োজন সেইখিনি দিয়াৰ কাৰণে আগৰ চৰকাৰৰ দিনত চিন্তা-চৰ্চা কৰা হোৱা নাছিল। আজি মই ভাৰতীয় নাগৰিক হিচাপে অকল মুছলমানৰ বা হিন্দুৰ কথাকেই ক'ব খোজা নাই ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে লাখ লাখ বিভিন্ন জনগোষ্ঠীৰ মানুহ বাস কৰি আছে, তেওঁলোকৰ কথাহে ক'ব খুজিছো। আজি স্বাধীন ভাৰতৰ নাগৰিক বা অসম ৰাজ্যৰ নাগৰিক হিচাবে তেওঁলোকে যিখিনি ন্যায় বিচাৰ পাব লাগিছিল সেইখিনি ন্যায় বিচাৰ পোৱা নাই। সেই কাৰণে উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই এই ক্ষেত্ৰত আমাৰ চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। ব্ৰহ্মপুত্ৰ নদীৰ গড়াখহনীয়া যদি ৰোধ কৰিব পৰা নাযায় আৰু তাৰ কাৰণে যদি যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা নাযায় তেতিয়াহলে অসমত এটা ভয়ংকৰ পৰিস্থিতিৰ সৃষ্টি হ'ব। ব্ৰহ্মপুত্ৰ নদীৰ দুয়োপাৰৰ বিভিন্ন ঠাই গড়াখহনীয়াত জাহ গৈছে আৰু বহুতো গছ-গছনি ঘৰ-দুৱাৰ, খেতি পথাৰ, সা-সম্পত্তি নষ্ট হৈছে। যদি এইদৰে গড়াখহনীয়া হৈ থাকে তেতিয়াহ'লে ব্ৰহ্মপুত্ৰ নদীৰ দুয়োপাৰে যিবিলাক ঠাই আছ সেইবিলাক ঠাই ভাঙি-চিঙি চুৰমাৰ হৈ যাব আৰু তেওঁলোকে ঘৰবাৰী বনোৱাৰ কাৰণে অন্যত্ত জেগা বিচাৰি মাটি নাপাব। চৰ অঞ্চলত যোগাযোগৰ ব্যৱস্থা নাই। স্বাধীন দেশৰ

নাগৰিক হিচাপে তেওঁলোকে ভাল বাট-পথ দেখা নাই। তাত কোনো চিকিৎসালয় নাই। বিভিন্ন এলেকাত শিক্ষাৰ ব্যৱস্থাও নাই যদিও দুই এখন ঠাইত এই ব্যৱস্থা আছে। কৃষিৰ ক্ষেত্ৰতও ভাল ব্যৱস্থা নাই। বিশেষকৈ বালি চাপৰিৰ ক্ষেত্ৰত কৃষিৰ তেনে কোনো ব্যৱস্থা নাই। জলসিঞ্চনৰ ব্যৱস্থাও তাত নাই। যদিও দুই এখন ঠাইত জলসিঞ্চনৰ ব্যৱস্থা আছে তথাপি তাতো ৰাজনৈতিকভাবে চক্ৰান্ত চলি আছে। কৃষিৰ ক্ষেত্ৰত জলসিঞ্চনৰ জৰিয়তে যদি পানী যোগান ধৰা নহয় তেতিয়াহলে কৃষিৰ উন্নতি সাধন কৰাটো সম্ভৱ নহয়। জিলা গ্ৰাম্য উন্নয়ন এজেন্সিৰ জৰিয়তে গ্ৰামাঞ্চলত যিখিনি কাম হ'ব লাগিছিল সেইখিনি হোৱা নাই। সেই এজেন্সিৰ জৰিয়তে যিখিনি টকা আহিছিল সেই টকাৰে বহুতো ভাল কাম কৰিব পৰা গ'লহেঁতেন। ইয়াৰ উপৰিও আমাৰ আন্তঃৰাজ্যিক সীমা সমস্যাৰ কথা আছে। সেই সম্পৰ্কে যথেষ্ট আলোচনা কৰা হোৱা নাই। ভাৰত বাংলাদেশৰ সীমান্ত অঞ্চল সম্পৰ্কে আলোচনা হোৱা উচিত। সেইবোৰ অঞ্চলত মানুহে কেনেকৈ বসবাস কৰে সেইটোও চাব লাগে। এইখিনিতে মই আমাৰ দঃ শালমাৰা-মানকাছাৰ মহকুমাৰ কথা ক'ব বিচাৰিছো। স্বাধীনতাৰ ৫০ বছৰ পিচতো এই মহকুমাৰ অন্তৰ্গত বিভিন্ন অঞ্চল সকলো ক্ষেত্ৰতেই পিচ পৰি আছে। ইয়াত ৰাষ্টা নাই বুলি ক'লেও হয়। চিকিৎসালয় ক'ৰবাত ক'ৰাবাত আছে যদিও ডাক্তৰ নাই। ডাক্তৰবিলাকে গুৱাহাটীত কাম কৰি আছে। চিকিৎসা ব্যৱস্থা য'ত নাই, যোগাযোগৰ ব্যৱস্থা য'ত নাই, শিক্ষাৰ ব্যৱস্থা য'ত নাই সেই ঠাইৰ উন্নতি হ'ব কেনেকৈ? ইয়াৰ উপৰিও আন্তঃৰাষ্ট্ৰীয় সীমান্ত অঞ্চল হিচাপে আমাৰ যিবিলাক বিভিন্ন ধৰণৰ সমস্যা আছে সেই সমস্যাবিলাক সমাধান কৰাৰ কাৰণে আগৰ চৰকাৰে কোনো ধৰণৰ দৃষ্টি নিক্ষেপ নকৰিলে। বৰ্তমান আমাৰ চৰকাৰৰ ওপৰত অত্যন্ত আস্থা আছে। কংগ্ৰেছ চৰকাৰে যিহেতু এই ঠাইবিলাকৰ উন্নতিৰ কাৰণে কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে সেয়েহে আমাৰ চৰকাৰে এই ঠাইবিলাকৰ উন্নতি সাধন কৰাৰ কাৰণে ব্যৱস্থা হাতত ল'ব লাগে। চৰ অঞ্চলৰ মানুহে যাতে ভাল ধৰণে জীৱিকা নিৰ্ব্বাহ কৰিব পাৰে তাৰ কাৰণেও ব্যৱস্থা কৰা উচিত। কংগ্ৰেছৰ শাসনকালত আমি যিখিনি প্ৰাপ্য পাব লাগিছিল সেইখিনি পোৱা নাই। অথচ অসমৰ কিছুমান ঠায়ে যিখিনি পাব লাগে তাতকৈ বেচি সুবিধা পাইছে। কিন্তু আমাৰ এই অঞ্চলবিলাকত কংগ্ৰেছৰ শাসনকালত কোনো উন্নয়নমূলক কাম কৰাৰ ব্যৱস্থা কৰা নহ'ল। গতিকে আমাৰ চৰকাৰে সেই অঞ্চলবিলাকৰ উন্নতি সাধন

কৰাৰ কাৰণে যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। মাননীয় উপাধ্যক্ষ মহোদয়, গড়াখহনীয়া আৰু অন্যান্য সম্পৰ্কে আলোচনা যথেষ্ট কৰা হৈছে আৰু কৰিও থাকিম। কিন্তু বাস্তৱ দৃষ্টিভংগীৰে আমি এই কামবিলাক কৰিবলৈ আগুৱাই আহিব লাগিব। আমি প্ৰত্যেকটো পৰিকল্পনাতেই যদি এই কামবিলাক কিছু ধৰণে ৰূপায়িত কৰিব পাৰো তাৰ চিন্তা-চৰ্চা কৰা দৰকাৰ। যদি কেৱল আলোচনা হৈয়েই থাকে আৰু এই কামবিলাক ৰূপায়িত কৰাৰ কাৰণে বাস্তৱ ব্যৱস্থা গ্ৰহণ কৰাৰ কাৰণে চেষ্টা নকৰো তেতিয়াহলে কংগ্ৰেছী আমোলত যেনেকুৱা ধৰণে চলিছিল ঠিক তেনেকৈয়ে চলি থাকিব। সেই কাৰণে আমাৰ যিবিলাক সমস্যা, কৃষি সমস্যাই হওক বা জলসিঞ্চন সমস্যাই হওক বা অন্যান্য সমস্যাই হওক সেই সমস্যাবিলাকৰ বাস্তৱ পৰিকল্পনা গ্ৰহণ কৰি সেইবিলাক বাস্তৱত ৰূপায়ণ কৰাৰ প্ৰয়োজন হৈ পৰিছে। আজি প্ৰায় ১ মাহ পাৰ হৈয়ে যাব। এনেকৈয়ে আমাৰো ৫ বছৰ পাৰ হৈ যাব। অসমৰ ৰাইজৰ যি আশা-আকাংক্ষা সেই আশা-আকাংক্ষা বাস্তৱত ৰূপায়িত নহ'ব। সেই কাৰণে যোৱা পাঁচ বছৰ যিহেতু ন্যায় বিচাৰ নাপালে এই বছৰ যাতে ন্যায় বিচাৰ পায় সেইটোকে আশা কৰি ৰাজ্যপালৰ ভাষণৰ ওপৰত যিটো ধন্যবাদসূচক প্ৰস্তাৱ দাঙি ধৰিছে তাৰ প্ৰতি সমৰ্থন জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীমোহন দাস ঃ মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত আমাৰ মুখ্য সচেতক হিতেন্দ্ৰনাথ গোস্বামী ডাঙৰীয়াই যি ধন্যবাদসূচক প্ৰস্তাৱ আনিছে সেই প্ৰস্তাৱৰ সমৰ্থনত মই চমুকৈ কিছু কথা ক'ব বিচাৰিছো ৰাজ্যপালৰ ভাষণৰ যোগেদি আমাৰ চৰকাৰৰ আগন্তুক দিনৰ যি কাৰ্য্যসূচী আৰু আঁচনি তথা দৃষ্টিভংগী প্ৰকাশ কৰা হৈছে সেই ক্ষেত্ৰত মই সন্তুষ্টি প্ৰকাশ কৰিছো। মই ভাবো অসমৰ জনসাধাৰণে আমাৰ চৰকাৰৰ পৰা যিখিনি বিচাৰিছে সেইখিনি যথাযথভাৱে প্ৰতিফলিত হৈছে। আমাৰ অসমত আজি যিখিনি সমস্যাৰ সৃষ্টি হৈছে আৰু যিখিনি সমস্যাই দেখা দিছে আমি জনসাধাৰণৰ ওচৰলৈ আমাৰ সমৰ্থনত ভোট বিচাৰি যাওতে সেইখিনি সমস্যাৰ কথাই আমাৰ আগত দাঙি সেই সকলোবিলাক সমস্যা ৰাজ্যপালৰ ভাষণৰ যোগেদি আমাৰ নতুন চৰকাৰৰ যিটো দৃষ্টিভংগী সেইটো প্ৰতিফলিত হোৱা দেখা গৈছে।

মাননীয় উপাধ্যক্ষ মহোদয়, এই আটাইবিলাক দিশৰ কথা ইতিমধ্যে বিভিন্ন ব্যক্তিয়ে বিশদভাৱে আলোচনা কৰিছে। মইও কেইটামান দিশ গুৰুত্ব

* Speech not corrected

আৰোপ কৰিব বিচাৰিছো। অসমত শান্তিৰ পৰিৱেশ ঘূৰাই আনিবলৈ বিচৰা হৈছে যদিও অসমত হত্যা, লুণ্ঠন, অপহৰণ আদি এনেকুৱা ঘটনা ঘটিয়ে আছে। শান্তিৰ পৰিৱেশ ঘূৰাই আনিবৰ কাৰণে ৰাজ্যপালৰ ভাষণত স্পষ্টভাৱে উল্লেখ কৰা হৈছে। কিন্তু অসমৰ যিবিলাক উগ্ৰপন্থী বা হত্যাকাৰী আছে তেওঁলোকক সৎ পথলৈ আনিব লাগে। অসমত মিত্ৰ চৰকাৰ গঠন হৈছে মাননীয় সদস্য সকল ইয়াত উপস্থিত আছে। সকলো সদস্যই কৈছে যে অসমত শাসন উন্নত হ'ব লাগে। অসমৰ ৰাইজ মুকলি হ'ব লাগে। আলোচনা-বিলোচনাৰ মাজেদি শান্তিৰ পৰিবেশ ঘূৰাই আনিব লাগে। যদি সেইখিনি কৰিব নোৱাৰে তেতিয়াহলে আমি কোনো ভাল চিন্তাই কৰিব নোৱাৰো। অসমৰ ৰাইজক বহুতো সা-সুবিধা দিয়া হৈছে। সেইখিনি আমি নিজেই কাৰ্যকৰী ব্যৱস্থা হাতত ল'ব লাগিব। ইয়াতে কিছুমানে সমালোচনা কৰিছে যদিও বিশদ বিৱৰণ দিয়া নাই। ৰাজ্যপালৰ ভাষণত এইবিলাক প্ৰয়োজন হ'ব বুলি মই নাভাবো। বিগত ৫ টা বছৰত চলা শিক্ষাৰ কথা কোৱা হৈছে, দুৰ্নীতিৰ কথা কোৱা হৈছে। এইবোৰ কিন্তু ৰাইজৰ ফালৰ পৰা বাৰে বাৰে কৈছে কিন্তু সমস্যা সমাধানৰ কথা চিন্তা কৰা নাই। আপোনালোকৰ পৰা আমি দুৰ্নীতি মুক্ত এখন চৰকাৰ বিচাৰো। আপোনালোক যাতে দুৰ্নীতিৰ পৰা আঁতৰত থাকে সেইটোকে আমি বিচাৰো। শতকৰা ১০০ ভাগৰ পৰা ১ ভাগ আমি ৰেহাই দিছো বাকী ৯৯ ভাগ দুৰ্নীতিমুক্ত হ'ব লাগে। মোৰ সমষ্টি পাটাছাৰকুছি শিক্ষাৰ ক্ষেত্ৰত পিচপৰা। ৰাস্তাঘাটৰ অৱস্থা দেখিলে দুখ লগা। ঠিকাদাৰসকলক কাম কৰিবলৈ দিলে তেওঁলোক আগবাঢ়ি নাহে। পাঠশালা টাউনত এখন ডাক্তৰখানা আছে। সেই ডাক্তৰখানাখন থকা ৰান্ধনি ঘৰৰ চালখন আজি কিছুদিনৰ আগতে বতাহে উৰুৱাই লৈ গ'ল। সেইবিলাক মেৰামতি কৰিবৰ কাৰণে পি, এইচ, ই, ৰ ওচৰলৈ যাওঁতে তেওঁলোকে কৈছে আমাৰ কোনো উপায় নাই কাৰণ আমাৰ হাতত ফাণ্ড নাই। বৰ্তমান চৰকাৰে এইখিনি গুৰুত্ব দিব বুলি আশা ৰাখিছো। তাৰ ৰাইজে কয় ৰাতিটো আহিলে ভয় লাগে বেমাৰী চিৰিয়াচ হ'লে মৃত্যু নিশ্চিত। কাৰণ ডাক্তৰ নাই। গাড়ী নিবৰ কাৰণে ৰাস্তা-ঘাট বেয়া। গাড়ী নাযায়। বিভাগবিলাকৰ মাজত সমিলমিলৰ অভাৱ দেখা যায়। উল্টাখন্দা নদীত এটা বান্ধ দিয়া হৈছিল ৭ লাখ টকা ব্যয় কৰি। কিন্তু ৬ মাহ নৌহওঁতেই ভাগি গ'ল। এইটো খৰচ এতিয়া ইৰিগেশ্বন বিভাগে কৰিব নে ই এণ্ড ডি বিভাগে কৰিব? গ্ৰামাঞ্চলৰ উন্নয়নৰ কাৰণে ডি আৰ ডি এৰ পৰা কিছু কাম

কৰা হয়। যিখিনি কাম কৰা হয় সেইখিনি অতি নিম্নমানৰ। কিন্তু তাত ব্লক পৰ্য্যায়ৰ এজন জুনিয়ৰ ইঞ্জিনিয়াৰৰ দায়িত্ব থাকে আৰু একজিকিউটিভ ইঞ্জিনিয়াৰজন জনবিত্ত বিভাগৰ দায়িত্বত থাকে। তেখেতৰ ক্ষমতা সীমিত। ১ লাখ কি ২ লাখৰ ভিতৰত আছে। জুনিয়ৰ ইঞ্জিনিয়াৰজনে আঁচনিখন বনোৱাৰ পিছত জিলাৰ এচিচটেণ্ট ইঞ্জিনিয়াৰ পিচত একজিকিউটিভ ইঞ্জিনিয়াৰজনে এপ্ৰোভ কৰি দিয়ে। আচলতে সেইখন আঁচনিহে যথোপযুক্ত হয়। বহুত সময়ত সেইবিলাক বিফল হৈ যায়। আমাৰ চৰকাৰে গ্ৰাম্য অঞ্চলৰ উন্নয়ন আৰু কৃষি উন্নয়নৰ কথা কৈছে। নিশ্চয় সেইটো এটা সঠিক দিশত গুৰুত্ব আৰোপ কৰিছে। আগৰ চৰকাৰৰ দৰে কেৱল কাগজ-কলমতে সীমাবদ্ধ নাৰাখি এইখিনি সফল ৰূপায়ণ কৰিবৰ কাৰণে মই অনুৰোধ জনাইছো।

মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য এজনে উল্লেখ কৰিছে যে ৰাজ্যপালৰ ভাষণত অসম চুক্তিৰ বিষয়ে ৫ টা নে ৬ টা লাইন লিখা বুলি কৈছে। কংগ্ৰেছ চৰকাৰৰ দিনত ১৫ টা নে ৩০ টা লাইন লিখা হৈছে বুলি উল্লেখ কৰিছে। আচলতে যি কেইটা লাইনেই উল্লেখ নকৰক সফল ৰূপায়ণ কৰিব পৰাটোহে আচল কথা।

গতিকে আমাৰ যিবিলাক আঁচনিৰ কথা কোৱা হৈছে। এইখিনি কথা ভাল পাইছো যিহেতু ইয়াত কোনো অবাস্তৱ প্ৰতিশ্ৰুতি হোৱা নাই। আমাৰ মূল সমস্যাসমূহ আৰু তাৰ প্ৰতি চৰকাৰৰ দৃষ্টিভংগী বাস্তৱসন্মতভাৱে ইয়াত প্ৰতিফলিত কৰিছে। গতিকে মই আমাৰ সকলো মাননীয় সদস্যকে ৰাজ্যপালৰ ভাষণৰ ওপৰত উত্থাপন কৰা ধন্যবাদসূচক প্ৰস্তাৱটোৰ প্ৰতি সমৰ্থন জনাবলৈ অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Deputy Speaker : Now, Hon'ble Member, Shri Chandra Kanta Terang to deliver his speach.

* শ্ৰীচন্দ্ৰকান্ত টেৰাং ঃ মাননীয় উপাধ্যক্ষ মহোদয়, ইতিমধ্যে ৰাজ্যপালৰ ভাষণৰ ওপৰত বিভিন্ন বক্তাই কৈ গৈছে আৰু আমাৰ এ, এচ, ডি, চিৰ ফালৰ পৰাও আমাৰ হলিৰাম টেৰাং ডাঙৰীয়াই কৈ গৈছে। গতিকে মোৰ বিশেষ ক'বলগীয়া নাই। তথাপি জনগোষ্ঠীসমূহক স্বায়ত্ত শাসন প্ৰদান কৰাৰ ক্ষেত্ৰত অসম গণ পৰিষদ তথা মৰ্চা চৰকাৰে যি পদক্ষেপ লৈছে তাৰ বাবে মই স্বাগতম জনাইছো। এই

* Speech not corrected

স্বায়ত্ত শাসন তথা আত্মনিয়ন্ত্ৰণৰ সমস্যাৰ বাবে আমি কাৰ্বি আংলং তথা উত্তৰ কাছাৰ জিলাত ১০ বছৰে আমি আন্দোলন কৰি আছো। এই ৰাইজৰ সংগ্ৰামৰ হেঁচাত ১/৪/৯৫ তাৰিখে আগৰ চৰকাৰে এখন এম, অ, ইউ কৰিলে কিন্তু তাৰ ৯০ শতাংশ কামেই থাকি গ'ল। মই আশা ৰাখিছো আমাৰ গণ পৰিষদ চৰকাৰে এই ক্ষেত্ৰত যথাযথ ব্যৱস্থা ল'ব, তাৰোপৰি আগৰ চৰকাৰে এলেকা ভিত্তিত অনুসূচীত কৰণৰ যি ব্যৱস্থা কৰিছিল তাৰ আমি বিৰোধীতা কৰো। এতিয়া কাৰ্বি আংলঙত থকা কাৰ্বিসকল এচ, টি (এইচ) হয় কিন্তু অৰুণাচলত থকাসকল এচ, টি (এইচ) নহয়। গতিকে চিডলিঙৰ যিটো ব্যৱস্থা এই ব্যৱস্থাটোৰে মানুহক ভাগ ভাগ কৰি ৰাজনৈতিক মুনাফা আদায় কৰা কথাটো আমি বিৰোধীতা কৰিব লাগে। মই আশা ৰাখিছো নতুন চৰকাৰে এইবিলাক বিষয়ত দৃষ্টি দিব। মই ভাৱো এই অনুসূচীত কৰণৰ যিটো প্ৰক্ৰিয়া সেইটো এটা পেকেজ হিচাপে কৰিব লাগে। কেৱল গাদী ৰক্ষাৰ বাবে ছিক্সদ চিডুলৰ নামত জাতি ভিত্তিক মানুহক ভাগ ভাগ কৰাৰ বিৰুদ্ধে সংগ্ৰাম কৰিব লাগে। আমাৰ কাৰ্বি আংলঙত স্বায়ত্ত শাসনৰ কাৰণে আমি ১০ বছৰ গণতান্ত্ৰিক আন্দোলন কৰিছো। তেতিয়া কোনো গণ্ডগোল নাছিল। কিন্তু এ, এচ, ডি, চিৰ বিৰুদ্ধে উঠিপৰি লাগি এটা ৰাজনৈতিক দলৰ ছত্ৰছায়াত টি, আৰ, পি, চি নামৰ এটা সংগঠনে কাৰ্বি আংলঙত বোমা বিস্ফোৰণ, হত্যা, লুণ্ঠন আদি চলাই আহিছে আৰু খৰচিং ইংটি, আৰচিং টেৰাং আনন্দ উজীৰ আদি কেইবাজনো লোক এই হত্যাৰ বলি হৈছে। গতিকে মই আমাৰ এ, এচ, ডি, চি দলৰ তৰফৰ পৰা নতুন চৰকাৰক অনুৰোধ জনাইছো এইবিলাকৰ ওপৰত এটা তদন্ত কৰিব লাগে। দোষীক শাস্তি বিহিব লাগে আৰু ক্ষতিগ্ৰস্ত পৰিয়ালবিলাকক আৰ্থিক সাহাৰ্য্য দিয়াৰ ব্যৱস্থা কৰিব লাগে। বিশেষকৈ যোৱা ৩ বছৰত চি, আৰ, পি, চিয়ে যি হত্যা-লুণ্ঠন চলালে এইবিলাকৰ ওপৰত এটা ন্যায়িক তদন্ত কৰাৰ ব্যৱস্তা নতুন চৰকাৰে কৰিব লাগে।

সমূহ ৰাইজৰ আশা-আকাংক্ষা চাব লাগিব। কাৰ্বি আংলঙত যিখিনি লোক আছে তাৰ ভিতৰত ৩০ শতাংশহে অলপ জনা-বুজা মানুহ আছে। বাকী সকলোৰে নিৰক্ষৰতাৰ অন্ধকাৰত ডুবি আছে। কাৰ্বি আংলঙত এনেকুৱা ঠাইও আছে য'ত ৬০/৭০ মাইল কোজকাঢ়ি যাব লাগে। তাত শতকৰা ৩০ ভাগ ঔষধহে পঠোৱা হয়। বাকী ৭০ ভাগেই নাযায়। ডাক্তৰ নাই। তাত এনেকুৱা মানুহো আছে যে পেট বেয়া পানী নাকায়। অথচ ডাক্তৰসকলে কয় পেটৰ বেমাৰ

হ'লে পানী বেছিকৈ খাব লাগে। ডাক্তৰসকলে কয় যে ঔষধ বিতৰণ কৰা হ'ব। কিন্তু ঔষধ গৈ নাপায়। এতিয়ালৈকে কাৰ্বি আংলঙত ৩৩ জন ডাক্তৰ নিয়োগ কৰা হোৱা নাই। উগ্ৰবাদীৰ উৎপাতত ডাক্তৰ থাকিব পৰা নাই। বৰ্তমান চৰকাৰে যদি ৩৩ জন ডাক্তৰ দিব নোৱাৰে তেন্তে কাৰ্বি আংলঙৰ কাউন্সিলক দায়িত্ব দিয়ক। মই বেচি নকওঁ। যিহেতুকে এন, ও, চি প্ৰণয়ন কৰা সেয়ে এচ, টি হিলচ দিবলৈ বিবেচনা কৰিবলৈ মই চৰকাৰক অনুৰোধ কৰিলো। তাৰোপৰি উগ্ৰপন্থীসকলৰ অনুসন্ধান কৰি বিহিত ব্যৱস্থা ল'বলৈ অনুৰোধ কৰিলো আৰু যিবিলাক মানুহ ভিকটিমাইজ হৈছিল তেওঁলোকক আৰ্থিক অনুদান দিয়াৰ ব্যৱস্থা কৰিব লাগে। ইয়াকে কৈ মই মোৰ বক্তব্যৰ শেষ কৰিলো।

Mr. Deputy Speaker : Now, Hon'ble Member, Shri Jogmohan Busumatary. (Mr. Speaker returned and took the Chiar)

* শ্ৰীজগমোহন বসুমতাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি এই সদনত বিভিন্ন সদস্যসকলে বিভিন্ন ধৰণৰ মতামত ৰাজ্যপালৰ ধন্যবাদসূচক প্ৰস্তাৱৰ ওপৰত দাঙি ধৰিছে। এই প্ৰসংগত মোৰ মতামত দীঘলীয়াকৈ নাৰাখি খুব চুটিকৈয়েই দুআষাৰ ক'বলৈ ওলাইছো।

মাননীয় অধ্যক্ষ ঃ আপুনি অলপ বহক।

* শ্ৰীজগমোহন বসুমতাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণ পঢ়িলো। ভাষণ পঢ়া অন্তত দেখিলো যে বড়োসকলৰ যিটো চুক্তি আছিল সেই বিষয়টোৱে অকণো স্থান নোপোৱাটো অতি দুখজনক হৈছে। এই ক্ষেত্ৰত আমাৰ নতুন এজিপি চৰকাৰৰ আপোনাৰ জৰিয়তে দৃষ্টি আকৰ্ষণ কৰিলো। কোকৰাঝাৰ, বঙাইগাঁওত যিবিলাক সংঘৰ্ষ চলি আছে সেইটো কেৱল সেই ঠাইৰে সমস্যা বুলি নধৰি গোটেই অসমৰ সমস্যা বুলি বিবেচনা কৰিব লাগে। এই ক্ষেত্ৰত মই মুখ্যমন্ত্ৰীক অনুৰোধ জনাইছো। তাৰ পাচত কাৰ্বি আংলঙত থকা বড়ো জনগোষ্ঠীক ট্ৰাইবেল লিষ্টত অন্তৰ্ভুক্ত কৰিব লাগে। ইয়াৰ বাবেও মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰি আমাৰ অসমত ১২৬ টা সমষ্টি আছে। ভিতৰত মোৰ সমষ্টিটোৱে হৈছে আটাইতকৈ পিচপৰা। চাপাগুৰি সমষ্টিত আনকি ৰাস্তাঘাটো নাই। মাননীয় সদস্য হেমেন দাস ডাঙৰীয়াই আগতেই উল্লেখ কৰি গৈছে যে, যে নিৰ্ব্বাচনীৰ সময়ত খোজ কাঢ়ি গাঁওবিলাকলৈ যাব লগা হৈছে। সেই ৰাস্তাবিলাকত গাড়ী মটৰ যোৱা

* Speech not corrected

কোনো উপায় নাই। নির্ব্বাচনৰ সময়ত মই যেতিয়া খোজ কাঢ়ি অসমীয়া গাঁওবিলাকলৈ গৈছিলো তেতিয়া তেওঁলোকে মোক কৈছিলো যে আপুনি বিধায়ক হিচাপে নির্ব্বাচিত হওক, চাকৰি ইত্যাদি ব্যক্তিগত কথা কেৱল আমাৰ ৰাজহুৱা হিচাপে এইটোৱেই অনুৰোধ থাকিল যে প্ৰথমেই আমাৰ ৰাস্তাঘাটৰ ব্যৱস্থাটো কৰি দিব। সেই ৰাস্তাবিলাকত এটোপাল ৰ্ৰষুণ পৰিলেও গাড়ী মটৰটো বাদেই চাইকেল এখনো যাব নোৱাৰে। নতুন এ, জি, পি চৰকাৰক মই এইটো অনুৰোধ কৰিলো যে অহা দিনবিলাকত যাতে উপযুক্ত ৰাস্তাঘাটৰ ব্যৱস্থা কৰিবলৈ মনোনিৱেশ কৰে যেন।

সেই কাৰণে অঃগঃপঃ চৰকাৰক অনুৰোধ জনাইছো যাতে আমাৰ যিবিলাক ৰাস্তাঘাট আছে আমি য'ত টকা পইচা পাব লাগে সেইবিলাক যাতে সময় মতে দিয়ে আৰু টকাখিনি যাতে সদ-ব্যৱহাৰ হয় তাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিলো। আমাৰ তাত ৯৯ পাৰচেণ্টয়েই খেতিয়ক। তেওঁলোকৰ কোনো বেপাৰ-বাণিজ্য নাই, লিখা-পঢ়া কৰা মানুহ নাই, চাকৰি-বাকৰি নকৰে। প্ৰায়খিনি মানুহেই খেতি কৰি জীৱন নিৰ্ব্বাহ কৰে। গতিকে জলসিঞ্চনৰ ওপৰত অঃগঃপঃ চৰকাৰে যাতে মনোযোগ দিয়ে তাৰ প্ৰতি অনুৰোধ জনালো। মই যিটো সমষ্টিৰ পৰা আহিছো তাত আজিলৈকে কোনো জলসিঞ্চন আঁচনি নাই। (সময়ৰ সংকেত) মই আৰু বেচি ক'ব বিচৰা নাই পুনৰবাৰ মোৰ এই পেচপৰা সমষ্টিটোৰ প্ৰতি যাতে চৰকাৰে মনোযোগ দিয়ে তাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰি মোৰ বক্তৃতা সামৰণি মাৰিলো।

* শ্ৰীকৰুণা দত্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যপালৰ ভাষণৰ ওপৰত ইয়াত যি আলোচনা হৈছে আৰু আলোচনাৰ ক্ৰমে আমাৰ ৰাজ্যপালৰ ভাষণৰ ওপৰত পূৰ্ণ সমৰ্থন জনাব লাগিব এই কাৰণেই যে ৰাজ্যপালৰ ভাষণত সাধাৰণ খেতিয়কৰ পৰা আৰম্ভ কৰি বিভিন্ন সংগঠনকে ধৰি বিভিন্ন আঁচনিসমূহ এই ভাষণৰ পৰ্য্যালোচনাত ঠাই পাইছে। আৰু জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণ কৰা ঠাই ইয়াত দেখা পোৱা গৈছে। আমি গাঁৱলীয়া মানুহ। গাঁৱৰ পৰা আহিছো। আমাৰ যিটো অঞ্চল সেইটো হয়তো অসমৰে ভিতৰত পিচপৰা অঞ্চল। ভাৰতবৰ্ষৰ গণতন্ত্ৰ যি আঁচনি গণতন্ত্ৰ তাক প্ৰতিষ্ঠা কৰিবলৈ মহাত্মা গান্ধীয়ে যি আঁচনিৰ প্ৰস্তুত কৰিছিল, যি আঁচনি তৈয়াৰ কৰিছিল, যি স্বৰাজৰ সপোন দেখিছিল সেই

* Speech not corrected

সপোন ৰূপায়িত কৰিবৰ কাৰণে দেশবাসীয়ে কংগ্ৰেছৰ হাততেই শাসনভাৰ তুলি দিছিল। তাৰ বিপৰীতে বৰ্তমান দেশবাসীয়ে কংগ্ৰেছক ক্ষমতাচ্যুত কৰিলে।

মাননীয় অধ্যক্ষ মহোদয়, মজুলীখন নদী মাতৃৰ ঠাই আৰু সত্ৰীয়া সংস্কৃতিক প্ৰাণকেন্দ্ৰ বুলি ক'ব লাগিব। ইয়াত বিভিন্ন জনগোষ্ঠীয়ে বসবাস কৰি আছে। মাননীয় অধ্যক্ষ মহোদয়, আজি ৩৮ বছৰে কংগ্ৰেছে দেশ শাসন কৰি গ'ল; কিন্তু আমাৰ কি হ'ল, কিমান উন্নতি হ'ল? ৬৩ খনৰ সত্ৰীয়া সত্ৰ আছিল তাৰে ব্ৰহ্মপুত্ৰত জাহ গৈ এতিয়া মাত্ৰ ২২ খনহে আছেগৈ। তাত এতিয়া মাত্ৰ ১৬ লাখ মান মানুহ জীয়াই আছেগৈ। আমি এতিয়া নদীৰ গড়াখহনীয়াত নিৰাশ্ৰয় হৈ আছো। ৩৮ বছৰে এই মাজুলীৰ পৰা একো অনুদান নেপালে। আজি এই চৰকাৰে মাজুলী ৰক্ষাৰ কাৰণে বিশেষ আঁচনি নল'লে আমি মজুলীবাসী ৰাইজ বিচ্ছিন্ন হৈ যোৱাৰ আশা আছে। সেই কাৰণে আজি ৰাজ্যপালৰ ভাষণত অংগঃপঃ চৰকাৰে আমাৰ কাৰণে বিশেষ বিশেষ মূল্য দিয়া যেন পাইছো। আমাৰ মানুহে চৰকাৰৰ যে কিছুমান আঁচনি আছিল সেইটো বুজি পোৱা নাছিল। মাত্ৰ লিডাৰজনৰ ব্যক্তিগত সম্পত্তি বুলিহে তাক ধাৰণা কৰা হৈছিল। কিয়নো তেওঁৰ পৰিয়ালৰ অওহি-বওহি সকলেহে ইয়াৰ মূল্য বুজিছিল আৰু তাৰ পৰা মুনাফা আদায় কৰিছিল, সেই কাৰণে আমাৰ চৰকাৰে মাজুলীবাসীৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰিব বুলি ৰাজ্যপালৰ ভাষণত উনুকিয়াইছে। যোৱা ৫ টা বছৰতো মথাউৰি নামত যিমান টকা আহিছিল তাৰ কোনো কাম নকৰিকলে। যাৰ ফলত আমাৰ সত্ৰীয়া সংস্কৃতিৰ সত্ৰবিলাক বানপানীৰ গড়াখহনীয়াত জাহ গ'ল। যোৱাবাৰ ১ কোটি মান টকা মাজুলীৰ গড়াখহনীয়াৰ মথাউৰি নিৰ্মাণৰ বাবে দিছিল। কিন্তু সেই টকা মথাউৰি ৰক্ষণা-বেক্ষণাৰ নামত খৰচ নকৰি কৰ্বাতহে খৰচ কৰিলে। টাউনৰ দোকান বজাৰ কেইখনমানতহে ৰক্ষণা-বেক্ষণ দিয়া দেখা গ'ল।

অধ্যক্ষ মহোদয়, এই মুষ্টিমেয় কেইজনমান মানুহৰ সা-সম্পত্তি ৰক্ষাৰ কাৰণেই যদি এনে ধৰণৰ কাম কৰিব লগা হয় তেনেহ'লে মাজুলীৰ বাকী ডেৰ লাখ মানুহে কি কৰিব? লাগিব। আজি অসমত জনজাতীয় সমস্যাই এটা জটিল ৰূপ ধাৰণ কৰিছে। এই সমস্যাবোৰৰ ক্ষেত্ৰত আমি এ, জি, পি, কংগ্ৰেছ, বি, জে, পি, আলফা, ছালফা আদিৰ নাম লৈ ইটোৰে সিটোৰে দোষাৰোপ কৰি থাকিলে

সমস্যা সমাধান নহ'ব। আমি সকলোৱে এই সমস্যাবোৰ সমাধান কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

অধ্যক্ষ মহোদয়, এইখিনিতে মই আৰু এটা কথা উল্লেখ কৰিব খুজিছো যে যোৱা চৰকাৰৰ দিনত মাজুলীত কিছুমান শিক্ষকৰ নিযুক্তি দিয়া হ'ল। এই নিযুক্তিত ৫৬০ খন এপইণ্টমেণ্ট লেটাৰ দিয়া হ'ল। তাত মাত্ৰ ডি, আই, চহীটো কৰিলেই হয়, বাকী কাম কোনে কি ধৰণে কৰিছে সেইটো একমাত্ৰ কৰোতাসকলেহে জানে। এই নিযুক্তি পত্ৰবোৰত নামবোৰ মাত্ৰ ভৰাই দি ডি, আইৰ পৰা চহীটো ল'ব লাগে। শেষত ডি, আইজনেও এই কাণ্ড দেখি নাৰভাচ হ'ল। তেওঁ চহী কৰিব নোৱাৰিলে। এতিয়া প্ৰাক্তন বিধায়ক গৰাকীয়ে কৈছে এই কামবোৰ সম্পূৰ্ণ হৈ আছে – কিবা অসুবিধা হ'লে তোমালোকে হাইকৰ্ট কৰিব পাৰিবা। এতিয়া কথা হৈছে এনে ধৰণে দিয়া নিযুক্তিবোৰৰ ৰিটেনচন নাই। ৬ জন ল'ৰাই এতিয়াও দৰমহা পোৱা নাই। গতিকে এতিয়া আমি পিচৰ প্ৰজন্মৰ কাৰণে চিন্তা কৰিব লগা হৈছে। ইয়াৰ লগতে আৰু এটা কথা হৈছে আমাৰ গুৱাহাটী মহানগৰীখনত যথেষ্ট সাংস্কৃতিক অনুষ্ঠান-প্ৰতিষ্ঠান আছে যিখিনিত আমাৰ মাজুলীৰো যথেষ্ট অৰিহণা আছে। যোৱা অসম গণ পৰিষদ চৰকাৰৰ দিনত মাজুলীৰ ৪০০ পৰিয়ালক সংস্থাপন দিয়া হ'ল যদিও বাকী ডেৰ লাখ লোকৰ ক্ষেত্ৰত কি ব্যৱস্থা লোৱা হ'ব তাৰ কাৰণে এই চৰকাৰে চিন্তা কৰিব লাগিব। আনহাতে আজি অসমৰে নহয় সমগ্ৰ ভাৰতবৰ্ষ আৰু বিদেশী পৰ্য্যটক মাজুলীৰ সত্ৰসমূহ চাবলৈ যায়। এই পৰ্য্যটকসকলে মাজুলীত নিশ্চয় কিবা এটা দেখা পাইছে। গতিকে সেইবিলাক ৰক্ষণাবেক্ষণ কৰাৰ কাৰণে আমি চিন্তা কৰিব লাগিব আৰু শংকৰ মাধৱৰ মিলন তীৰ্থ মাজুলীখন যাতে ব্ৰহ্মপুত্ৰত বিলীন হৈ নাযায় তাৰ ব্যৱস্থা কৰিব লাগিব। মই আজি সদনত এই পৰামৰ্শখিনিকে আগবঢ়াই মোৰ ভাষণৰ সামৰণি মাৰিলো।

মাননীয় অধ্যক্ষ ঃ এতিয়া ৰাতি ৮ বাজিবৰ হ'ল। সদনৰ মাননীয় দলপতি, মন্ত্ৰীসভাৰ মাননীয় সদস্যসকল, মাননীয় বিৰোধী দলৰ দলপতি, মাননীয় সদস্যসকল, মুখ্য সচিব প্ৰমুখ্যে চৰকাৰী বিষয়াসকল, সাংবাদিক বন্ধুসকল, চৰকাৰী প্ৰতিবেদক সকল, অসম বিধান সভাৰ সমূহ বিষয়া আৰু কৰ্মচাৰীসকল, আজি নিশা ৮-৩০

বজাত সদস্যৰ নতুন আৱাসগৃহৰ কেন্টিনত নিশাৰ আহাৰৰ আয়োজন কৰা হৈছে। আপোনাসকলক নিশাৰ আহাৰ গ্ৰহণ কৰিবলৈ অনুৰোধ কৰিলো।

The House stands adjourned till 9 A.M. tomorrow the 15th June, 1996.

## ADJOURNMENT

The House then stood adjourned at 8 P.M. till 9 A.M. tomorrow, the 15th June, 1996.

Dispur
The 14th June, 1996

D. Talukdar
Secretary,
Assam Legislative Assembly.